Content includes AI-generated material

আজিৰে পৰা
আৰম্ভ পৱিত্ৰ ৰমজান



বিতং বাতৰি শেষ পৃষ্ঠাত

www.newsnextone.com

e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, MARCH 02, 2025 ■ দেওবাৰ, ১৭ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৬৫ Guwahati, Assam ।। মূল্যঃ এটকা

# বাদ-বিবাদৰ মাজেৰে ‘আতিথ্য’ত বিৰোধীৰ ২০২৬ৰ আখৰা

**ই-সংবাদ, ১ মাৰ্চঃ** ৰাজ্যৰ বিশিষ্ট বুদ্ধিজীৱী হীৰেন গোহাঁই আৰু আন চাৰি বিশিষ্ট নাগৰিকৰ নেতৃত্বত আজি অসমৰ সকলো বিৰোধী দলৰ বৈঠক অনুষ্ঠিত হৈছিল যদিও বিৰোধীৰ বৈঠক প্ৰথম অৱস্থাত আউল লাগে যদিও পিছলৈ গাম্ভীৰ্যপূৰ্ণ আলোচনাত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে উদ্যোক্তা নাগৰিক



সমাজে। বিৰোধীয়ে বাৰে বাৰে নিৰ্বাচনৰ পূৰ্বে হোটেল, ৰিজৰ্টত বহি আলোচনা কৰাৰ দৰেই এইবাৰো আলোচনা কৰিছিল যদিও প্ৰথম অৱস্থাত শেষাংশ ২ পৃষ্ঠাত

## কীৰ্তিচিহ্ন আৰু কৰণীয়

■ ডঃ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

লুইতৰ নিৰল সংগীত, সেউজীয়া চাহ বাগিচাৰ মোহনীয় দৃশ্য, পাহাৰৰ কোলাত লুকাই ৪ পৃষ্ঠাত


## এজেণ্ট আছিল ধানোৱাৰ, দায়িত্বত আকৌ ভৰেন

**ই-সংবাদ, ১ মাৰ্চঃ** আজিলৈ এজন বিধায়ক জয়ী কৰিবলৈ সক্ষম হোৱাতো ৩ পৃষ্ঠাত

## আকৌ বাঢ়িল ৰন্ধন গেছৰ দাম

**নতুন দিল্লী, ১ মাৰ্চঃ** আকৌ গ্ৰাহকৰ মূৰত পৰিছে মূল্যবৃদ্ধিৰ মাধমাৰ ২ পৃষ্ঠাত

## তিনিচুকীয়াত চাঞ্চল্য নিশা ৪ জাঁই গুলী ফুটাই প্ৰাণে মৰাৰ ভাবুকি



**ই-সংবাদ, তিনিচুকীয়া, ১ মাৰ্চঃ** তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ ৫ পৃষ্ঠাত

### মাৰ্কিন যুক্তৰাষ্ট্ৰক নিজ দেশৰ খনিজ সম্পদ গতাই দিবলৈ অসন্মতি

# হোৱাইট হাউছতেই ট্ৰাম্পক প্ৰত্যুত্তৰ জেলেনস্কিৰ!

### ৰাছিয়াৰে যুদ্ধ শেষ নোহোৱালৈকে ছ্যুট নিপিন্ধে বুলি মন্তব্য

**ৱাশ্বিংটন, ১ মাৰ্চঃ** ইতিহাসৰ এখন অন্যতম উত্তপ্ত বৈঠক অনুষ্ঠিত হ’ল হোৱাইট হাউছৰ অভেল অফিচত ইউক্ৰেইনৰ তৃতীয় পৃষ্ঠাত

## ‘হয় হুজুৰ’কৈ থাকি মূৰ দুপিয়াবলৈ কৰিলে অস্বীকাৰ



ট্ৰাম্পৰ অপমান! সমানে সমানে কথাৰে প্ৰত্যুত্তৰ ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিৰ

### চন্দ্ৰপুৰৰ চাপৰিৰ ডেৰশ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ

# দালালৰ কব্জাৰ পৰা বুলড’জাৰ চলাই ভূমি উদ্ধাৰ

**ই-সংবাদ, ১ মাৰ্চঃ** হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ নেতৃত্বত ৰাজ্যত বৰ্তমানেও অব্যাহত আছে উচ্ছেদ শেষাংশ ৫ পৃষ্ঠাত



## ৰাষ্ট্ৰপতি শাসনৰ মাজতে মণিপুৰত গৃহমন্ত্ৰীৰ বৈঠক

**নতুন দিল্লী, ১ মাৰ্চঃ** মণিপুৰত জাৰি হৈ থকা ৰাষ্ট্ৰপতি শাসনৰ মাজতে উত্তৰ-পূবৰ ৰাজ্যখনত পৰিস্থিতি সন্দৰ্ভত আজি এক উচ্চ পৰ্যায়ত বৈঠকত শেষাংশ ৫ পৃষ্ঠাত

### বি এল সন্তোষৰ পৰামৰ্শ

## ‘বিতৰ্ক এৰক, জনকল্যাণৰ হকে কাম কৰক’

**ই-সংবাদ, ১ মাৰ্চঃ** পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে আজি ৰাজ্যিক বিজেপিৰ বশিষ্ঠস্থিত মুখ্য কাৰ্যালয়ত বিশেষ সাংগঠনিক কৰ্মশালা অনুষ্ঠিত হয়। ৰাজ্যিকৰ ৭ পৃষ্ঠাত চাওক

## বৰপেটাৰোডত দুই পৃথক দুৰ্ঘটনাত নিহত ৩ যুৱক

**ই-সংবাদ, বৰপেটাৰোড, ১ মাৰ্চঃ** বৰপেটাৰোডত নিশা পৃথকে পৃথকে সংঘটিত দুটাকৈ দুৰ্ঘটনাত থিতাতে নিহত হয় তিনি গৰাকীকে ৫ পৃষ্ঠাত চাওক

# পুত্ৰৰে শেষ দেখা নহ’ল ‘বহেমিয়ান পিতৃ’ৰ

**ই-সংবাদ বিশেষ, ১ মাৰ্চঃ** এটা কল ৰেকৰ্ডিঙে হাহাকাৰ তুলিছে লাখ লাখ নেটিজেনৰ মনত। ফোনৰ সিটো মূৰে আছিল এগৰাকী চিকিৎসক,



‘নামতহে পিতৃ’ৰ মানসিক অত্যাচাৰে সৰুতেই সলনি কৰি দিছিল জীৱন!

ইটো মূৰে এজন বৃদ্ধ। অসুস্থতাৰ শেতেলীৰ পৰা বৃদ্ধই ফোনতে নিজৰ চিনাকি দিছিল- ‘মই পাপাই কৈছোঁ, পাপা বুলি কওঁতে ৬ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাদ-বিবাদৰ মাজেৰে 'আতিথ্য'ত

অখিল গগৈয়ে কংগ্ৰেছক লৈ কৰা এক মন্তব্যত কংগ্ৰেছৰ প্ৰতিনিধিসকল নাৰাজ হয়। অখিল গগৈয়ে কংগ্ৰেছক লৈ 'স্বৈৰতন্ত্ৰ-একনায়কত্ববাদী'ৰ দৰে বিতৰ্কিত শব্দ প্ৰয়োগ কৰি মন্তব্য প্ৰদান কৰে। তাৰ পাছতে সাংসদ বৰদলৈ খঙত অগ্নিশৰ্মা হৈ পৰে। সেই সময়ত উদ্যোক্তা নাগৰিক সমাজে অখিল গগৈৰ মন্তব্যত হস্তক্ষেপ কৰে। অন্যান্য দলসমূহৰ প্ৰতিনিধিয়ে অখিল গগৈৰ মুখত এনে শব্দ ওলোৱাত হস্তক্ষেপ কৰে। কিন্তু শেষত অখিল গগৈয়ে সেই শব্দ অসাংবিধানিক বুলি খোদ উল্লেখ কৰি মই এই শব্দ ওভতাই লৈছো বুলি কোৱাত পুনৰ বৈঠকৰ কাম-কাজ আৰম্ভ হয়। যেতিয়া খঙত প্ৰদ্যুৎ বৰদলৈ ওলাই যায় সেই সময়তে অখিল গগৈয়ে আৱেগিক হৈ কংগ্ৰেছৰ সৈতে পূৰ্বে মিত্ৰতা কৰিব খোজা অভিজ্ঞতাৰ কথা কয়। তেতিয়া অখিল গগৈয়ে কয় যে মই একত্ৰিত হৈ নিৰ্বাচন খেলিবলৈ সকলো ত্যাগ কৰিবলৈ সাজু হৈছো। বিজেপিৰ বিৰোধিতা কৰিবলৈহে আমি এক হৈ কাম কৰিব লাগে। তাৰ পিছতে ভূপেন বৰাই সমস্ত বিষয়ত হস্তক্ষেপ কৰি মুখ্য বিষয়টো আলোচনা হ'ব লাগে বুলি পৰামৰ্শ দিয়াত অখিল গগৈয়ে তেওঁ কোৱা শব্দ উঠাই লোৱা বুলি কয়। বৈঠকত বিজেপিৰ বিৰুদ্ধে একত্ৰিত হৈ কাম কৰা আৰু নিৰ্বাচনত নমাৰ সিদ্ধান্ত গ্ৰহণ কৰে। পৰৱৰ্তী বৈঠক শীঘ্ৰে বহাৰ সিদ্ধান্ত লয়। বৈঠকৰ মাজতে খঙত অগ্নিশৰ্মা হৈ ওলাই আহিছিল কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈ। মই এই বৈঠকত উপস্থিত নাথাকো, সেয়া মোৰ ব্যক্তিগত কথা বুলি কৈ ওলাই আহে প্ৰদ্যুৎ বৰদলৈ। যাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ৰাজ্যৰ বিৰোধীৰ বৈঠকৰ পৰা উগ্ৰমূৰ্তি ধৰি সাংসদ প্ৰদ্যুৎ বৰদলৈ কিয় ওলাই আহিল তাকে লৈ আৰম্ভ হৈছিল চাঞ্চল্যৰ। আজি সোণাপুৰত বিশিষ্ট বুদ্ধিজীৱী হীৰেন গোহাঁইৰ আহ্বানত অসম জাতীয় পৰিষদ, কংগ্ৰেছ, ৰাইজৰ দল আৰু বামপন্থী দলসমূহৰ প্ৰতিনিধিৰ উপস্থিতিত বৈঠক অনুষ্ঠিত হয়। কিন্তু আজিৰ বৈঠকত হীৰেন গোহাঁই উপস্থিত নাছিল যদিও দিল্লীৰ পৰাই শুভেচ্ছা প্ৰদান কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, সাংসদ প্ৰদ্যুৎ বৰদলৈ, অজিত কুমাৰ ভূঞা, অল পাৰ্টি হিলছ লিডাৰ্ছ কনফাৰেন্সৰ নেতৃত্ব উপস্থিত থাকে। বৈঠক আৰম্ভ হোৱাৰ পিছতে হঠাতে বৈঠকৰ পৰা ওলাই আহে সাংসদ প্ৰদ্যুৎ বৰদলৈ। প্ৰদ্যুৎ বৰদলৈয়ে খঙত ওলাই অহাত পুনৰ ভিতৰলৈ সোমোৱাই নিবলৈ কেইবাজনো নেতাই প্ৰয়াস কৰিছিল যদিও গাড়ীত উঠি গুৱাহাটী অভিমুখে ৰাওনা হয়। এটা সূত্ৰই প্ৰকাশ কৰা মতে, বৈঠকৰ আৰম্ভণিতে অখিল গগৈয়ে কংগ্ৰেছৰ বিৰুদ্ধে মন্তব্য ৰাখিবলৈ আৰম্ভ কৰি অন্য নেতাক কথা ক'বলৈ সুযোগ দিবলৈ মান্তি হোৱা নাছিল। কেৱল প্ৰদ্যুৎ বৰদলৈয়ে নহয় কেবাগৰাকী নেতাই অখিল গগৈক যুক্তিসংগতভাৱে কথা ৰাখিবলৈ পৰামৰ্শ দিছিল যদিও অখিল গগৈয়ে কাৰো কথা শুনিবলৈ প্ৰয়াস কৰা নাছিল। বিৰোধীৰ বৈঠকত যেতিয়া অখিল গগৈয়ে কংগ্ৰেছক গালি পাৰিবলৈ আৰম্ভ কৰে তেতিয়া কংগ্ৰেছৰ নেতা প্ৰদ্যুৎ বৰদলৈ নাৰাজ হয়। বৈঠকত সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে 'মোৰ দলক বেয়াকৈ ক'ব, মই সহ্য কৰি নাথাকো' বুলি কৈ বাহিৰলৈ ওলাই আহে। কিন্তু বৈঠকত যোগাত্মক আলোচনা হোৱা বুলি জানিব পৰা গৈছে। বৈঠকত আগন্তুত দিনত কেবাটাও বিষয়ত বিৰোধী দলসমূহে একলগে কাম কৰাৰ মতপোষণ কৰে। বৈঠকৰ অন্তত উদ্যোক্তা অজিত কুমাৰ ভূঞা সাংসদ প্ৰদ্যুৎ বৰদলৈ ওলাই যোৱাটো ডাঙৰ কথা নহয়, আমি আৰম্ভ কৰা এটা প্ৰচেষ্টা আজি সফল হৈছে সেইটোহে ডাঙৰ কথা বুলি উল্লেখ কৰে। ভূঞাই আৰু কয় যে সকলো দল আশা কৰাৰ দৰেই সমৱেত হৈছে। বিজেপিৰ বিৰুদ্ধে আৰম্ভ হ'বলগীয়া গুৰুতৰ বিষয়ত যুক্তি-তৰ্ক বা বিতৰ্ক হ'ব, সেইটো এটা স্বাভাৱিক কথা। ইয়াত গুৰুত্ব দিবলগীয়া একো নাই। তেওঁ ব্যক্তিগত খঙত ওলাই যাব পাৰে, সেইটো মূল বিষয় নহয়। সভাৰ শেষলৈকে খোদ প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়েই উপস্থিত আছে। ৰাজ্যসভাৰ সাংসদগৰাকীয়ে লগতে কয়, ২০২৬ ত সকলো এক হৈ যুঁজিব লাগিব। এই উদ্দেশ্যৰ প্ৰথম পৰ্যায়ত আমি সফল হৈছো। দ্বিতীয় পৰ্যায়ত বাকী ৰৈ যোৱা দলবোৰক অন্তৰ্ভুক্ত কৰা হ'ব। বৈঠকৰ অন্তত ভূপেন কুমাৰ বৰাই কয় যে বৈঠকত প্ৰতিটো দলে নিজ নিজ দলৰ অভিমত প্ৰদান কৰিছে। সকলোৱো িনজৰ নিজৰ মত আজিৰ সভাত ব্যক্ত কৰিছে। আজিৰ বৈঠকত সিদ্ধান্ত হৈছে যে দলসমূহে একো ক'ব নালাগে। আজিৰ বৈঠকৰ সিদ্ধান্তক্ৰমে সকলে ধৰণৰ বক্তব বৈঠকৰ উদ্যোক্তাসকলে ক'ব। উদ্যোক্তা নাগৰিক সমাজে আজিৰ বৈঠক সন্দৰ্ভত বক্তব্য ৰাখিব। প্ৰদ্যুৎ বৰদলৈয়ে খঙত বৈঠকৰ পৰা ওলাই যোৱা সন্দৰ্ভত সাংবাদিকে প্ৰশ্ন কৰাত বৰাই কয় যে সেই বিষয়ে উদ্যোক্তাসকলে ক'ব। বাৰে বাৰে এজন সাংবাদিকে একেটা প্ৰশ্ন কৰাত ভূপেন বৰাই কয় যে মই চেনেলটোৰ নাম নকওঁ। আপোনালোকে এটা খাদ্য পাইছে সেইটোকে আপোনালোকে খাই থাকক, উমৰাংছুৰ প্ৰশ্ন কেতিয়াবা সুধিছেনে বুলি ভূপেন বৰাই সাংবাদিকক উভতি ধৰি কয় যে উমৰাংছুৰ বিষয়ে কম আপোনোৰ চেনেলত উলিয়াই দেখাওক বুলি প্ৰত্যাহ্বান জনায়। বৈঠক আৰম্ভ হোৱাৰ পূৰ্বে ভূপেন বৰাই কৈছিল যে ড০ হীৰেন গোহাঁই অসমৰ মানুহৰ সন্মুখত এক ঋষিতুল্য ব্যক্তিত্বৰ পৰিচয়। ড০ হীৰেন গোহাঁই অসমৰ জাতীয় জীৱনৰ ঋষিতুল্য ব্যক্তি। তেখেত ব্যক্তিগত স্বাৰ্থৰ উৰ্ধৰ্বলৈ উঠি যোৱা এগৰাকী জাতীয় জীৱনৰ পৰিচিত ব্যক্তি। ড০ হীৰেন গোহাঁয়ে য'লৈ মাতিব আমি যাম। যি ক'ব আমি শুনিম। ইপিনে অখিল গগৈয়ে আগৰ দৰে কংগ্ৰেছৰ বিৰুদ্ধে মন্তব্য প্ৰদান কৰে। কংগ্ৰেছে গণ্ডগোল কৰিলৈও লগ হ'বই লাগিব বুলি কয় গগৈয়ে। বিজেপিক খেদিবলৈ তাৰ বাহিৰে আমাৰ হাতত গত্যন্তৰ নাই। আজি বিৰোধী ঐক্যৰ দলসমূহৰ মাজত অনুষ্ঠিত বৈঠকৰ অন্তত অখিল গগৈয়ে আৰু কয় যে গোহাঁই ছাৰহঁতে আমাক একত্ৰিত হ'বলৈ এটা সুযোগ দিছে। আমি ভাবো আজিৰ পিছতে আৰু অনিশ্চয়তা নাথাকিব। একত্ৰিত হোৱাটো সময়ৰ আহ্বান। যদি কোনোবাই কাৰচাজি কৰি পলায়ন কৰিব খুজিছে তেন্তে বুজিব লাগিব তেওঁলোকে বিজেপিক জিকাব খুজিছে। বাকীবিলাকে সমিলমিলেৰে খেলিব খোজে। কিন্তু কংগ্ৰেছে শেষত আসন এৰি দিব নোখোজে। মিত্ৰতা হ'ব নে নাই সেই প্ৰশ্নৰ উত্তৰ কেৱল কংগ্ৰেছে দিব পাৰিব। আমি উমৈহতীয়া কাৰ্যসূচী তৈয়াৰ কৰি কাম কৰিব লাগে, যাতে চৰকাৰ গঠন হ'লে অসমৰ সন্মান ৰাখিব পাৰে। এনে হ'ব নালাগে যাতে দিল্লীৰ পৰা সকলো কৰে। সকলোৰে বাবে সন্মানজনক আসনৰ ভাগ-বাটোৱাৰা দিব লাগে। কোন দলে ক'ত খেলিব সেইটো মাৰ্চ মাহতে ঠিক হ'ব লাগে। মোৰ ভাল লাগিছে যে শেহতীয়াকৈ ভূপেন বৰাই ছমাহ আগতে আসন ভাগ-বাটোৱাৰা কৰিম বুলি কৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ বাঢ়িল ৰন্ধন গেছৰ দাম

মাৰ্চ মাহৰ আৰম্ভণিতে বাণিজ্যিক এলপিজি চিলিণ্ডাৰৰ মূল্য বৃদ্ধি কৰিছে তেল বিপণন সংস্থাসমূহে। পহিলা মাৰ্চ অৰ্থাৎ শনিবাৰৰ পৰা কাৰ্যকৰী হোৱাকৈ পুনৰ প্ৰতিটো ১৯ কেজিৰ বাণিজ্যিক চিলিণ্ডাৰ মূল্য বৃদ্ধি পালে ৬ টকাকৈ। ইয়াৰ পিছতে এতিয়া ১৯ কেজিৰ চিলিণ্ডাৰৰ মূল্য হৈ পৰিছে ১৮০৩ টকা। এই চিলিণ্ডাৰৰ মূল্য পূৰ্বে আছিল ১৭৯৭ টকা। উল্লেখ্য যে, ফেব্ৰুৱাৰী মাহত অ'এমচিয়ে বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য ৭ টকা হ্ৰাস কৰিছিল। কিন্তু মাৰ্চ মাহৰ এই মূল্যবৃদ্ধিৰ ফলত হোটেল, ৰেষ্টুৰেন্ট, আৰু অন্যান্য বাণিজ্যিক প্ৰতিষ্ঠানসমূহে বৃদ্ধিপোৱা খৰচৰ হেঁচা অনুভৱ কৰিব। যোৱা বছৰৰ মাৰ্চ মাহত হঠাতে বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য ৩৫২ টকালৈ বৃদ্ধি পাইছিল। কিন্তু কেইবামাহো ধৰি ঘৰুৱা এল পি জি চিলিণ্ডাৰৰ মূল্য অপৰিৱৰ্তিত হৈ আছে। নতুন মূল্য তালিকা অনুসৰি ১৯ কেজি ইণ্ডেন গেছৰ মূল্য দিল্লীত ১৮০৩ টকা, কলকাতাত ১৯১৩ টকা, মুম্বাইত ১৭৫৫.৫০ টকা আৰু চেন্নাইত ১৯৬৫ টকালৈ বৃদ্ধি পাইছে। যোৱা মাহত অৰ্থাৎ ১ ফেব্ৰুৱাৰীত দিল্লীত এই চিলিণ্ডাৰৰ মূল্য আছিল ১৭৯৭ টকা, কলকাতাত ১৯০৭ টকা, মুম্বাইত ১৭৪৯.৫০ টকা আৰু চেন্নাইত ১৯৫৯.৫০ টকা। তেল বিপণন কোম্পানীসমূহৰ শেহতীয়া মূল্য সংশোধন অনুসৰি ঘৰুৱা ১৪.২ কেজি এলপিজি চিলিণ্ডাৰৰ মূল্য অপৰিৱৰ্তিত হৈ আছে। এই মূল্য বিগত বৰ্ষৰ আগষ্টৰ পৰা একেই আছে। এই মূল্যবৃদ্ধিয়ে বাণিজ্যিক খণ্ডত ব্যয় সামান্য বৃদ্ধি কৰিব, কিন্তু যিহেতু মাত্ৰ এমাহ পূৰ্বে মূল্য ৭ টকা হ্ৰাস কৰা হৈছিল, গতিকে এই মূল্যবৃদ্ধিৰ প্ৰভাৱ অনুভৱ কৰিবলৈ গ্ৰাহকক কিছু সময়ৰ প্ৰয়োজন হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হোৱাইট হাউছত বহি ট্ৰাম্পক প্ৰত্যাহ্বান

ৰাষ্ট্ৰপতি ভল'ডিমিৰ জেলেনস্কিৰ সৈতে আলোচনাৰ নামত মঞ্চস্থ হ'ল অপমানৰ নাটক। ৰাছিয়াৰ সৈতে ইতিমধ্যে গভীৰ বন্ধুত্ব গঢ়ি তোলা মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে নিজৰ শক্তি প্ৰদৰ্শনেৰে স্পষ্ট হুংকাৰ তুলিলে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনেস্কিৰ বিৰুদ্ধে। যুদ্ধ বন্ধ কৰিবলৈ আপোচ নকৰিলে ৱাশ্বিংটনৰ সমৰ্থন প্ৰত্যাহাৰ কৰাৰো সকীয়নি দিলে ট্ৰাম্পে। শুকুৰবাৰে নিশা উত্তপ্ত তৰ্ক-বিতৰ্ক, পোছাকক লৈ কটুক্তি আৰু শেষত জেলেনেস্কি আৰু ইউক্ৰেইনৰ প্ৰতিনিধি দলক হোৱাইট হাউচৰ পৰা একপ্ৰকাৰ গতিয়াই বাহিৰ কৰি দিয়ালৈকে- এই ১৩৯ মিনিটৰ বৈঠকত এক অভূতপূৰ্ব কূটনৈতিক পৰিঘটনাৰ সাক্ষী হ'ল সমগ্ৰ বিশ্ব। দৰাচলতে খনিজ সম্পদ সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ কৰাৰ বাবে শুকুৰবাৰে হোৱাইট হাউচত ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সৈতে এক বৈঠকত মিলিত হৈছিল জেলেনেস্কি। কিন্তু পৰিস্থিতিয়ে আৰম্ভণিৰ পৰাই বেলেগ ৰূপ লয়। ৰাজ্যৰ নেতাসকলে সাধাৰণতে অভাল অফিচত উচ্চ পৰ্যায়ৰ বৈঠকৰ বাবে আনুষ্ঠানিক সাজ-পোছাক, অৰ্থাৎ ছুট পৰিধান কৰি দেখা দিয়ে। কিন্তু জেলেনস্কিয়ে ক'লা চুৱেটাৰ, শ্লেক্স আৰু বুট পিন্ধি উপস্থিত হয় বৈঠকত। ইয়াৰ পৰাই আৰম্ভ হয় বিতৰ্ক। এজন আমেৰিকান সাংবাদিকে তেওঁক পোনপটীয়াকৈ প্ৰশ্ন কৰে, "আপুনি ছুট পিন্ধা নাই কিয়?" আপোনাৰ ছুট নাই নেকি?" এই প্ৰশ্নই হোৱাইট হাউচত হাঁহিৰ খোৰাক দিয়ে। কিন্তু জেলেনস্কিয়ে অতি শান্ত মগজুৰে স্পষ্টকৈ উত্তৰ দিয়ে, “মই ছুট পিন্ধিম, কিন্তু ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধ শেষ হোৱাৰ পিছত। হয়তো সেয়া আপোনালোকৰ দৰে দামী ছুট নহ'ব পাৰে, কিন্তু সস্তীয়া হ'লেও মই যুদ্ধ অন্ত পৰাৰ পিছতহে পিন্ধিম।" জেলেনেস্কিৰ এই উত্তৰৰ পিছতে ক্ষুব্ধ হৈ পৰে ড'নাল্ড ট্ৰাম্প। ইফালে, পৰিস্থিতি আৰু অধিক উত্তপ্ত হৈ পৰে যেতিয়া ট্ৰাম্পে ইউক্ৰেইনৰ ভৱিষ্যতৰ বিষয়ে স্পষ্টকৈ কয়, “আপুনি যুদ্ধত জয়ী হ'ব নোৱাৰে। হয় শান্তি স্থাপন কৰক, অন্যথা আমি মধ্যস্থতাকাৰীৰ ভূমিকাৰ পৰা আঁতৰি আহিম। আমাৰ সহায় অবিহনে আপুনি দুসপ্তাহো টিকি নাথাকিলহেঁতেন। আপুনি এতিয়ালৈকে পোৱা সহায়ৰ বাবে কৃতজ্ঞ হোৱা উচিত।" ট্ৰাম্পৰ এই মন্তব্যৰ পিছত জেলেনেস্কিয়ে কয়, “আমাৰ দেশ জ্বলি আছে, মানুহ মৰিছে, আৰু আপোচৰ কথা কৈছে? পুটিনেও একে কথাই কয়! কিন্তু আমি যুঁজি যাম।" বৈঠকত উত্তেজনা শিখৰত উপনীত হয় যেতিয়া আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জেডি ভ্যান্সে আলোচনাত যোগদান কৰে। তেওঁ স্পষ্টকৈ কয়, “এই যুদ্ধৰ অন্ত পেলাবলৈ কূটনৈতিক সমাধানৰ প্ৰয়োজন।” জেলেনস্কিয়ে উত্তৰ দিয়ে, “কেনেকুৱা কূটনীতি?” ইয়াৰ উত্তৰত ভ্যান্সে কয়, “এনে ধৰণৰ কূটনীতি যিয়ে আপোনাৰ দেশক ধ্বংসৰ পৰা ৰক্ষা কৰিব।” ইয়াৰ পিছতে হোৱাইট হাউছে কঠোৰ বাৰ্তা প্ৰেৰণ কৰে যে, “অভাল অফিচত আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ সন্মুখত এই আচৰণ গ্ৰহণযোগ্য নহয়।” জেলেনস্কিক কণ্ঠ ৰোধ কৰিবলৈ চেষ্টা কৰি ট্ৰাম্পে কয়, “আপুনি লাখ লাখ মানুহৰ জীৱনৰ সৈতে জুৱা খেলি আছে। আপুনি তৃতীয় বিশ্বযুদ্ধৰ দিশে আগবাঢ়িছে।" তাৰ পিছতে ট্ৰাম্পে অভাল অফিচৰ পৰা বাহৰিলৈ উলিয়াই দিয়ে উপস্থিত সাংবাদিকসকলক। বৈঠকৰ পৰৱৰ্তী অংশ ৰুজভেল্ট ৰুমলৈ স্থানান্তৰ কৰাৰ পৰিকল্পনা আছিল যদিও ট্ৰাম্পে ঘোষণা কৰে যে, “অধিক আলোচনাৰ প্ৰয়োজন নাই।” ৰাষ্ট্ৰপতিৰ নিৰ্দেশত জেলেনস্কি আৰু তেওঁৰ প্ৰতিনিধি দলটোক ১:৪২ বজাৰ ভিতৰত হোৱাইট হাউছৰ পৰা ওলাই যাবলৈ কোৱা হয়। যোৱাৰ সময়ত জেলেনস্কিয়ে কেৱল কয়, জেলেনস্কিক শাৰীৰিকভাৱে অপদস্থ নকৰাটো "ধন্যবাদ আমেৰিকা, আপোনাৰ সমৰ্থনৰ বাবে ধন্যবাদ।" হোৱাইট হাউচৰ এই ঘটনাৰ পিছতে আন্তৰ্জাতিক কূটনীতিত আলোড়নৰ সৃষ্টি হৈছে। জেলেনস্কিক ৰাছিয়াই পোনপটীয়াকৈ উপহাস কৰিছে। ৰাছিয়াৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ মাৰিয়া জাখাৰোভাই কয়, “ট্ৰাম্প আৰু ভ্যান্সে এক অলৌকিক!” আনকি ৰাছিয়াৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডিমিত্ৰী মেডভেডেভেও তেওঁক প্ৰত্যক্ষভাৱে সমালোচনা কৰি জেলেনস্কিক “অহংকাৰী গাহৰি” বুলি অভিহিত কৰে। ইফালে এই বৈঠকৰ পিছতে বাতিল কৰা হ'ব আমেৰিকা-ইউক্ৰেইনৰ মাজত সম্পন্ন হ'বলগীয়া খনিজ চুক্তি। প্ৰণিধানযোগ্য যে, দ্বিতীয়বাৰৰ বাবে ক্ষমতালৈ প্ৰত্যাৱৰ্তন কৰাৰ পিছতে ড'নাল্ড ট্ৰাম্পে ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধত ৰাছিয়াৰ পক্ষত দিয়া দিছিল। শেহতীয়াকৈ তেওঁ এই যুদ্ধৰ বাবে ইউক্ৰেইনক জগৰীয়া কৰি ৰাষ্ট্ৰপতি ভল'ডিমিৰ জেলেনস্কিক 'একনায়ক' বুলিও অভিহিত কৰিছিল। এনে পৰিপ্ৰেক্ষিতত হোৱাইট হাউচলৈ আমন্ত্ৰণ জনাই ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ট্ৰাম্পে নিজৰ ক্ষমতা জাহিৰ কৰাৰ মাধ্যম কৰি লোৱা কাৰ্যকো অনেকে সমালোচনাৰ দৃষ্টিৰে চাইছে। অৱশ্যে জেলেনস্কিয়ে এতিয়াও আশা এৰি দিয়া নাই। হোৱাইট হাউছৰ পৰা ওলাই অহাৰ সময়ত তেওঁ কয় যে এতিয়াও সম্পৰ্ক ঠিক কৰা সম্ভৱ। কিন্তু শুকুৰবাৰৰ অপমানৰ পিছত ৱাশ্বিংটন-কিয়ভৰ সম্পৰ্ক কিমান দিনলৈ চলিব সন্দেহৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এজেণ্ট আছিল ধানোৱাৰ, দায়িত্বত

দূৰৰ কথা আজিলৈ যিমান কেইজন প্ৰাৰ্থীয়ে বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হৈছে সকলোৰে আমানতৰ ধন বাজেয়াপ্ত হৈছে যদিও খোৱা-কামোৱা, আভ্যন্তৰীণ কন্দলত জৰ্জৰিত আম আদমী পাৰ্টীৰ অসম ৰাজ্যিক সমিতি। অসমত দললৈ অহা একাংশ নতুন নেতাই প্ৰাক্তন সভাপতি ডাঃ ভবেন চৌধুৰীৰ বিৰুদ্ধে লবীকেন্দ্ৰিক ৰাজনীতি কৰি দিল্লীত দিয়া অভিযোগৰ ভিত্তিত ততাতৈয়াকৈ সভাপতি সলনি কৰিছিল। যাৰ ফলত পুৰণি নেতাসকল দলটোৰ পৰা আঁতৰি গৈছিল। দলটোৰ পৰা পুৰণি নেতাসকল আঁতৰি যোৱাৰ সময়তে য'ৰ পৰা আপৰ বিস্তাৰ হ'বলৈ আৰম্ভ কৰিছিল সেইখন ৰাজ্য দিল্লীত আপৰ পৰাজয়বৰণ কৰাত নতুন নেতাসকলো নিষ্ক্ৰিয় হৈ পৰে। সমানে দলটোৰ নেতৃত্ব থকা মনোজ ধানোৱাৰ দলটোক নেতৃত্ব দিয়াৰ পৰা আঁতৰি লোকচক্ষুৰ পৰা অন্তৰ্ধান হয়। তাৰ মাজতে দুদিন পূৰ্বে পুনৰ গগৈয়ে আপ ত্যাগ কৰে। পুনম গগৈৰ লগতে ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে সভাপতি ত্যাগ কৰা বুলি খবৰ প্ৰকাশ পায়। কিন্তু কেইটামান ঘণ্টাৰ পিছতে মনোজ ধানোৱাৰে ফেচবুকত লাইভ আহি ব্যক্তিগত কাৰণত নিষ্ক্ৰিয় হৈ থকা বুলি কয়। দুই-চাৰিমাহৰ বাবে দলৰ দায়িত্বৰ পৰা আঁতৰি থকাৰ কথা প্ৰকাশ কৰি সভাপতি পদৰ পৰা পদত্যাগ কৰাৰ খবৰ মিছা বুলি কয়। কিন্তু ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ একাংশ নেতাই এই কথা মানি লোৱা নাছিল বুলি জানিব পৰা গৈছে। নাম প্ৰকাশত অনিচ্ছুক ৰাজ্যিক একাংশ নেতাই কয় যে মনোজ ধানোৱাৰে এটা ৰাজনৈতিক দলৰ এজেণ্ট হিচাপে কাম কৰি আছিল। দলটোৰ শ্ৰীবৃদ্ধিৰ বাবে কাম কৰাৰ পৰিৱৰ্তে দলটোক অসমত ধ্বংস কৰিবলৈ যো-জা চলাই আছিল। তাৰ মাজতে আম আদমী পাৰ্টী দিল্লীত পৰাজিত হোৱাৰ পিছতে অসমৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰ নিষ্ক্ৰিয় হৈ পৰে। ফলত অসম আপৰ নেতৃত্বই সভাপতি সলনি কৰিবলৈ দাবী উত্থাপন কৰি আহিছে। তাৰ মাজতে আজি আপ অসমৰ বিশেষ আৰু জৰুৰী বৈঠক অনুষ্ঠিত হয়। তত্বাৱধায়ক ৰাজেশ শৰ্মাৰ উপস্থিতিত জৰুৰী বৈঠকত সভাপতিৰ নিষ্ক্ৰিয়তাক লৈ প্ৰশ্ন উত্থাপন হয়। একাংশ ৰাজ্যিক নেতাই সোনকালে সক্ৰিয় নেতাক দায়িত্ব দিয়াৰ পৰামৰ্শ দিয়ে। কিন্তু মনোজ ধানোৱাৰক পুনৰ কিছু দিন দিব খুজিছে। সভাপতি সলনি কৰাৰ পৰিৱৰ্তে অস্থায়ী তথা ভাৰপ্ৰাপ্ত সভাপতি নিয়োগ কৰাৰ দাবী জনায়। আজি গৰিষ্ঠসংখ্যক ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সমৰ্থনত প্ৰাক্তন ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীক ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব প্ৰদান কৰে। আম আদমি পাৰ্টী অসমৰ ৰাজ্যিক কাৰ্যালয়ত আজিৰ সভাখন অনুষ্ঠিত হয়। আগন্তুক পঞ্চায়ত নিৰ্বাচন আৰু বিধানসভা নিৰ্বাচনৰ সম্পৰ্কেও আলোচনা তথা সংগঠন বৰ্ধনৰ সম্পৰ্কে আলোচনা কৰা হয়। এই সভাত ৰাষ্ট্ৰীয় যুটীয়া সম্পাদক ডাঃ ভবেন চৌধুৰীৰ লগতে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ তত্বাৱধায়ক ৰাজেশ শৰ্মা উপস্থিত থাকে। বৈঠকত কৰ্মীসকলক একপ্ৰকাৰ হতাশ হৈ পৰা পৰিলক্ষিত হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# কীৰ্তিচিহ্ন আৰু কৰণীয়

থকা প্ৰাচীন স্থাপত্য- অসমৰ ভূমি যেন ইতিহাসৰ এখন জীয়া কিতাপ। এই মাটিৰ প্ৰতিটো শিল, মন্দিৰৰ ধ্বংসাৱশেষ বা হেৰাই যোৱা চহৰে সভ্যতাৰ উত্থান-পতনৰ কাহিনী কয়। কামৰূপ ৰাজ্যৰ গৌৰৱৰ পৰা আৰম্ভ কৰি আহোমৰ শক্তিলৈকে, পাল বংশৰ উদ্যোগিক শক্তিৰ পৰা আৰম্ভ কৰি ইংৰাজৰ ঔপনিৱেশিক স্পৰ্শলৈকে, এই সকলোবোৰ এই অঞ্চলৰ প্ৰত্নতাত্ত্বিক ধূলিত মিহলি হৈ আছে। কিন্তু এই কাহিনীৰ বহু চৰিত্ৰ আজি অৱহেলিত। অতীতৰ পৃষ্ঠাত আজিও লুকাই আছে অসমৰ অনেক জনা-নজনা ইতিহাস।

প্ৰাচীন কামৰূপ ৰাজ্যৰ ইতিহাসৰ পৰা আৰম্ভ কৰি আহোম সাম্ৰাজ্যৰ সেই গৌৰৱময় দিনবোৰলৈকে অসম সাক্ষী হৈ আহিছে অনেক কাহিনীৰ। গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত কামাখ্যা মন্দিৰক আজি সমগ্ৰ বিশ্বই শক্তিপীঠ বুলি চিনি পায়। বহু দূৰ দূৰণিৰ পৰা মা কামাখ্যাৰ আশীষ বিচাৰি নীলাচলত উপস্থিত বয় ভক্ত-পৰ্যটক। কিন্তু ইয়াৰ বাহিৰেও অসমত বিয়পি আছে হাজাৰ হাজাৰ প্ৰত্নতাত্ত্বিক আশ্চৰ্য্য। ৰংঘৰ আৰু তলাতল ঘৰ, শিৱসাগৰৰ শিৱদৌল, চৰাইদেউৰ মৈদামৰ দৰে আহোম স্থাপত্যই ইতিহাসপ্ৰেমীক মোহিত কৰি আহিছে। অৱশ্যে এই সুপৰিচিত নামবোৰৰ সমান্তৰালকৈ কম পৰিচিত বহু ঠাইও আছে।

নগাঁৱৰ দেওপাহাৰ, শিৱসাগৰৰ হাতীমুৰা মন্দিৰ বা তেজপুৰৰ বিষ্ণুকুণ্ড- এনে বহু ঐতিহাসিক ক্ষেত্ৰ আছে, যাৰ বিষয়ে হয়তো অসমৰ মানুহেই ভালকৈ নাজানে। অসমৰ ইতিহাস কেৱল মধ্যযুগীয় কালত সীমাবদ্ধ নহয়। ধুবুৰী জিলাৰ দ-পাৰ্বতীয়া প্ৰত্নতাত্ত্বিক স্থানত খ্ৰীষ্টাব্দ চতুৰ্থ-ষষ্ঠ শতিকাৰ গুপ্ত সাম্ৰাজ্যৰ এটা মন্দিৰৰ শিলৰ দুৱাৰৰ ফ্ৰেম পোৱা গৈছে। সেই দুৱাৰৰ নিখুঁত কাৰুশিল্প গুপ্ত সাম্ৰাজ্যৰ সোণালী ইতিহাসৰ প্ৰমাণ। আনহাতে, গোৱালপাৰা জিলাৰ শ্ৰীসূৰ্য পাহাৰত প্ৰাগঐতিহাসিক শিলাচিত্ৰ আৰু মেগালিথিক গঠন আৱিষ্কাৰ হৈছে। গৱেষকসকলৰ মতে এইবোৰে নৱপ্ৰস্তৰ যুগৰ মানৱ সভ্যতাৰ ৰীতি-নীতিৰ প্ৰমাণ দিয়ে। একেদৰে গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ নদীৰ মাজত অৱস্থিত উমানন্দ মন্দিৰ এক ইতিহাসৰ সাক্ষী। ইয়াত থকা শিৱ মন্দিৰটো প্ৰাচীন কালত 'বানেশ্বৰ' নামেৰে জনাজাত আছিল। কিংবদন্তি অনুসৰি ইয়াত পৰ্বতৰ শিখৰত খোদিত কৰা মূৰ্তিবোৰ শিৱ আৰু পাৰ্বতীৰ প্ৰেমৰ সাক্ষী।

কামৰূপ ৰাজ্যৰ সাংস্কৃতিক সম্প্ৰীতিৰ আন এক উদাহৰণ হ'ল হাজো চহৰ। হিন্দু, বৌদ্ধ, মুছলমানসকলৰ বাবে হয়গ্ৰীৱ মাধৱ মন্দিৰ সমানেই গুৰুত্বপূৰ্ণ। কোৱা হয় যে ভগৱান বুদ্ধৰ পদচিহ্ন ইয়াত সংৰক্ষিত হৈ আছে। স্থানীয় ৰাইজৰ মতে হাজোৰ পোৱামক্কা মছজিদত ইছলামৰ ১২৫ গৰাকী মহান সন্তই নামাজ পঢ়িছিল। এই মছজিদৰ কাষতে অৱস্থিত গুৰু টেঘ বাহাদুৰৰ স্মৃতিসৌধ ভাৰতৰ ধৰ্মীয় সম্প্ৰীতিৰ প্ৰতীক। আনহাতে গুৱাহাটীৰ নৱগ্ৰহ মন্দিৰক জ্যোতিষৰ কেন্দ্ৰ হিচাপে প্ৰাচীন কালৰে পৰা পূজা কৰা হয়। আহোম ৰজাই ৬০০ বছৰ অসমত শাসন কৰিছিল, তেওঁলোকৰ স্থাপত্যই আজিও ইতিহাসপ্ৰেমীক স্তম্ভিত কৰে। বিশ্বৰ আটাইতকৈ পুৰণি এম্ফিথিয়েটাৰ হিচাপে পৰিচিত শিৱসাগৰ জিলাৰ ৰংঘৰ আৰু আহোম ৰাজত্বকালৰ গোপন সুৰংগ তথা যুদ্ধৰ প্ৰতীক তলাতল ঘৰৰ কথা সকলোৱে জানে। কিন্তু ইয়াৰ বাহিৰেও আহোমৰ অসংখ্য অল্প পৰিচিত কৃতিচিহ্ন আজিও মানুহৰ দৃষ্টিৰ পৰা আঁতৰত ৰৈ গৈছে। শিৱসাগৰত অৱস্থিত নামদাং শিলৰ সাঁকো ১৭০৩ চনতে নিৰ্মাণ কৰা হৈছিল। কিন্তু আজিও ব্যৱহাৰযোগ্য হৈ থকা এই প্ৰাচীন কীৰ্তিচিহ্নৰ আজিৰ দুৰাৱস্থা দেখি বুকু কঁপি উঠিব ইতিহাসপ্ৰেমীৰ।

সেইদৰে আহোম ৰাণী মাধৱীয়ে খনন কৰা জয়সাগৰৰ পদুম পুখুৰীও আজি অৱহেলিত। স্থানীয় কিংবদন্তি অনুসৰি, এদিন এই পুখুৰীতে ফুলিছিল সোণালী পদুম। সেইদৰে চৰাইদেউ মৈদামক 'পূৱৰ পিৰামিড' বুলি কোৱা হয়, য'ত আহোম ৰাজপৰিয়ালৰ সদস্যসকলৰ অৱশিষ্ট ৰখা হৈছিল। ব্ৰিটিছ যুগৰ স্থাপত্যও অসমৰ ইতিহাসৰ অংশ। ডিব্ৰুগড়ৰ লেডী কেভিন মেম'ৰিয়েল গাৰ্লছ স্কুল (১৮৭৩ চনত প্ৰতিষ্ঠা) বা শিৱসাগৰৰ ব্ৰিটিছ শ্মসান এই ইতিহাসৰ সাক্ষী। কিন্তু আটাইতকৈ উল্লেখযোগ্য হ'ল অসমৰ প্ৰাচীন চাহ বাগিচা। ডিব্ৰুগড়ৰ মাৰ্ঘেৰিটা চাহ বাগিচা বা যোৰহাটৰ কিন্নালং চাহ বাগিচাত আজিও দেখা পোৱা যায় ব্ৰিটিছ যুগৰ বাংলো। সেইবোৰো সংৰক্ষণ কৰিলে পৰ্যটনৰ কেন্দ্ৰ হৈ উঠিব পাৰে!

অন্বেষিত প্ৰত্নতাত্ত্বিক স্থানৰ তালিকাত চুতীয়া ৰাজ্যৰ ৰাজধানী আছিল লখিমপুৰ জিলাৰ প্ৰাচীন দুৰ্গ ভীষ্মকনগৰ দুৰ্গ। চতুৰ্দশ শতিকাত নিৰ্মিত এই স্থানত আজিও দেৱী কেচাইখাইতিৰ মন্দিৰ আছে। পৌৰাণিক কাহিনী অনুসৰি তেজপুৰৰ অগ্নিগড় পাহাৰ ৰজা বানাসুৰৰ কন্যা উষা আৰু কৃষ্ণৰ নাতি অনিৰুদ্ধৰ প্ৰেম কাহিনীৰ সাক্ষী। পাহাৰৰ ওপৰত এটা প্ৰাচীন গড়ৰ ধ্বংসাৱশেষ আছে। গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত ৰুদ্ৰেশ্বৰ মন্দিৰ কামাখ্যাৰ দৰে শক্তিপীঠ যদিও পৰ্যটক ইয়াৰ বিষয়ে অজ্ঞাত। যোৰহাটৰ নাগাশংকৰ মন্দিৰত ধৰ্মীয় সম্প্ৰীতিৰ প্ৰতীক হিচাপে স্থাপন কৰা আছে বিষ্ণু আৰু শিৱৰ মূৰ্তি। ইয়াৰ বিষয়েও মানুহে নাজানে।

কিন্তু অসমৰ ঐতিহ্য কেৱল ইয়াতেই সীমাবদ্ধ নহয়। সত্ৰীয়া নৃত্য, বিহু, বা মাজুলীৰ মুখা শিল্প- এই সকলোবোৰেই অসমৰ সাংস্কৃতিক সম্পদ। মাজুলীৰ সত্ৰ বিশ্বৰ সৰ্ববৃহৎ নদী দ্বীপৰ আধ্যাত্মিক কেন্দ্ৰ। যোড়শ শতিকাৰ এখন হাতে লিখা পাণ্ডুলিপি ইয়াৰ আউনিআটি সত্ৰত আজিও সংৰক্ষিত হৈ আছে। এনে ঐতিহাসিক ক্ষেত্ৰ আৰু সমলসমূহ যুগ যুগ ধৰি অবহেলিত হৈ থকাৰ পিছত এতিয়া সংৰক্ষণৰ যুঁজত একত্ৰিত হৈছে চৰকাৰ আৰু স্থানীয় পদক্ষেপসমূহ। অসম চৰকাৰে 'অসম দৰ্শন' আঁচনিৰ জৰিয়তে ১৫টা ঐতিহাসিক স্থান চিনাক্ত কৰিছে। ইয়াৰ ভিতৰত চৰাইদেউ, মদন কামদেৱ, আৰু সূৰ্য্য পাহাৰো আছে। কিন্তু ইয়াৰ মাজতে আছে বহু প্ৰত্যাহ্বান। মদন কামদেৱৰ প্ৰত্নতাত্ত্বিক খনন এতিয়াও আধৰুৱা হৈ আছে। স্থানীয় লোকৰ মতে মাটিৰ তলত লুকাই আছে ১০৮খন মন্দিৰ নগৰ।

ভীষ্মকনগৰৰ ধ্বংসাৱশেষ পুনৰুদ্ধাৰৰ ক্ষেত্ৰত এ এছ আই আৰু স্থানীয় ইতিহাসবিদৰ মাজত সমন্বয়ৰ অভাৱ স্পষ্ট। পুৰণি নামদাং শিলৰ সাঁকোৰ ওপৰেৰে গধুৰ যান বাহনৰ চলাচলে ভাবুকিৰ সৃষ্টি কৰাৰ বাতৰিয়ে মাজে মাজে খবৰ কাকতত স্থান পাই আহিছে।

এনে কাৰণতে, ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰৰ পদক্ষেপ পৰ্যাপ্ত নহয় বুলিয়েই অনেকে ক'ব খোজে। কিন্তু একে সময়তে অসমৰ ইতিহাসক পুনৰুজ্জীৱিত কৰাৰ বাবে এতিয়া আগভাগ লৈছে বহু স্থানীয় সংস্থা আৰু নৱ প্ৰজন্মই। শিৱসাগৰ ইতিহাস অধ্যয়ন কেন্দ্ৰ নামৰ এটা সংস্থাই আহোম ৰজাৰ অস্ত্ৰ-শস্ত্ৰ আৰু বস্ত্ৰ সংগ্ৰহ কৰি সংগ্ৰহালয়ৰ সৃষ্টি কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰ্যটকক অচিনাকি ঠাই দেখুৱাবলৈ 'হেৰিটেজ ৱাক'ৰ আয়োজন কৰি এক নতুন আশাৰ সঞ্চাৰ কৰিছে। নৱ প্ৰজন্মই প্ৰযুক্তি ব্যৱহাৰ কৰি ইতিহাস জনপ্ৰিয় কৰি তুলিছে। গুৱাহাটীস্থিত এটা ষ্টাৰ্টআপে তৈয়াৰ কৰিছে 'ভাৰ্চুৱেল অসম' এপ, য'ত ব্যৱহাৰকাৰীয়ে থ্ৰীডি মডেলৰ জৰিয়তে ৰংঘৰ বা তলাতল ঘৰ অন্বেষণ কৰিব পাৰিব।

ইউনেস্ক'ৰ স্বীকৃতি লাভ কৰি চৰাইদেউ মৈদামে এতিয়া আন্তঃৰাষ্ট্ৰীয় মানচিত্ৰত স্থান লাভ কৰিছে। কিন্তু এই স্বীকৃতিৰ পিছত পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ লগে লগে সংৰক্ষণৰ হেঁচা বাঢ়িব। এই কাৰণেই সমাধিস্থলৰ চাৰিওফালে ৫ কিলোমিটাৰৰ ভিতৰত যিকোনো ধৰণৰ নিৰ্মাণ নিষিদ্ধ কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে। একে সময়তে স্থানীয় যুৱক-যুৱতীসকলক প্ৰশিক্ষণ দি গাইড হিচাপে নিযুক্তি দিবও পাৰি।

অসমৰ প্ৰতিটো প্ৰাচীন ইটা কেৱল স্থাপত্য শৈলীৰেই নহয়, ইতিহাসৰো অনন্য সাক্ষী। মদন কামদেৱৰ প্ৰতিমূৰ্তিৰ পৰা চৰাইদেউ মৈদামলৈকে- প্ৰতিটো স্মৃতিসৌধে কথা কয় আমাৰ পূৰ্বপুৰুষৰ সপোন আৰু সংগ্ৰামৰ। চৰকাৰী নীতিৰ লগতে স্থানীয় পদক্ষেপ, যুৱক-যুৱতীসকলৰ উদ্ভাৱনী চিন্তা, আন্তঃৰাষ্ট্ৰীয় সহযোগিতাই এই সম্পদক অমৰ কৰি তুলিব পাৰে। অসমৰ ইতিহাস কেৱল অতীতৰ কাহিনী নহয়, ই ভৱিষ্যত প্ৰজন্মৰ বাবে এক জীয়া শিক্ষা। এই শিক্ষা যিমানেই বৃদ্ধি পাব সিমানেই জাতিৰ কাৰণে মংগলজনক হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিশা ৪ জাঁই গুলী ফুটাই প্ৰাণে

অন্তৰ্গত ককৰাতলী গাঁৱত গাঁৱত শুকুৰবাৰে মাজনিশা সংঘটিত এক ৰহস্যজনক গুলীচালনাৰ ঘটনাই তিনিচুকীয়াত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত ককৰাতলী গাঁও নিবাসী দিব্যজ্যোতি ফুকন আৰু তেওঁৰ পৰিয়ালৰ ওপৰত প্ৰতিবেশী ৰাজ কুমাৰ দাসে ৪ জাঁই গুলী ফুটাই প্ৰাণে মৰাৰ ভাবুকি দিয়া বুলি দিব্যজ্যোতি ফুকনৰ পত্নী সোণালী ফুকনে নিশাই তিনিচুকীয়া সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। তিনিচুকীয়াৰ উপ-আৰক্ষী অধীক্ষক জোনালী গগৈৰ নেতৃত্বত আৰক্ষীৰ এটি দল ঘটনাস্থলীত উপস্থিত হৈ ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰাৰ লগতে দুটাকৈ গুলীৰ খালী কাৰ্টিজ উদ্ধাৰ কৰে। অভিযোগ অনুসৰি, যোৱা নিশা প্ৰায় ১১:৩০ বজাত হঠাতে ৰাজ কুমাৰ দাসে আন এজন লোকৰ সৈতে আহি ফুকনৰ পৰিয়ালক অকথ্য গালি-গালাজ কৰে। সেই সময়ত দিব্যজ্যোতি ফুকন ঘৰত নাছিল। সন্তান দুটিৰ সৈতে পত্নীয়ে প্ৰাণৰ শংকাত বাহিৰলৈ ওলাই নহাত তেওঁলোকক প্ৰাণে মৰাৰ লক্ষ্যৰে ৪ জাঁই গুলী ফুটাই ভাবুকি দি আঁতৰি যায়। ঘটনাৰ পিছৰে পৰা তীব্ৰ শংকাত ভুগিছে দিব্যজ্যোতি ফুকন আৰু তেওঁৰ পৰিয়ালে। ভুমিকেন্দ্ৰিক সংঘাতৰ পৰিণতিতেই উক্ত ভয়ংকৰ ঘটনাটি সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। জানিব পৰা মতে, আগদিনা ককৰাতলী গাঁৱৰ এডোখৰ ভুমি দিব্যজ্যোতি ফুকনে চাফা কৰি থকাক কেন্দ্ৰ কৰি দুয়োৰে মাজত তৰ্কা-তৰ্কিৰ সূত্ৰপাত হোৱাত ঘটনা গৈ পাইছিলগৈ থানাৰ মজিয়া। উক্ত গুলীচালনাৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অভিযুক্ত ৰাজ কুমাৰ দাসক আটক কৰি জেৰা অব্যাহত ৰাখিছে। আৰক্ষীয়ে দাসৰ পিতৃৰ নামত অনুজ্ঞাপত্ৰ থকা পিষ্টল এটাও উদ্ধাৰ কৰিছে। উক্ত ৰহস্যজনক গুলীচালনাৰ ঘটনাৰ সৈতে কোন জড়িত, কাৰ পিষ্টলৰ দ্বাৰা উক্ত ঘটনা সংঘটিত হ'ল, সেয়া আৰক্ষীৰ তদন্তৰ পিছতহে স্পষ্ট হ'ব যদিও ঘটনাক লৈ সমগ্ৰ তিনিচুকীয়াত এতিয়াও চাঞ্চল্য অব্যাহত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দালালৰ কব্জাৰ পৰা বুলড'জাৰ চলাই

অভিযান। ধৰ্ম বিশেষে চৰকাৰী ভূমিত ঘৰ বান্ধি বসবাস কৰি থকা ভুমি উচ্ছেদ কৰি অহাৰ সময়তে পুনৰ ৰাজ্যত উচ্ছেদ অভিযান চলিছে। আজি পুনৰবাৰ গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী চন্দ্ৰপুৰত উচ্ছেদ অভিযান চলে। আজি কামৰূপ মহানগৰ জিলা প্ৰশাসনে চন্দ্ৰপুৰত উচ্ছেদ অভিযান চলায়। প্ৰায় ডেৰ শ বিঘা মাটি আজি কামৰূপ মহানগৰ জিলা প্ৰশাসনে মুক্ত কৰে। ডেৰশ বিঘা মাটি একাংশ স্থানীয় লোকৰ পৰা ক্ৰয় কৰি বহু পৰিয়ালে ঘৰ-বৰ বান্ধি বসবাস কৰি আছিল। সেই ভূমিত আজি উচ্ছেদ অভিযান চলে। স্থানীয় লোকৰ ছত্ৰছায়াত বসতি স্থাপন কৰা লোকসকলে খেতি-বাতিও কৰিছিল। কিন্তু সোণাপুৰৰ কচুতলীত উচ্ছেদ অভিযান চলাৰ পিছতে স্থানীয় লোকৰ পৰা মাটি ক্ৰয় কৰি ঘৰ বান্ধি বাস কৰা লোকসকলক উচ্ছেদ কৰাৰ দাবী উত্থাপন হৈ আছিল। তাৰ মাজতে আজি চন্দ্ৰপুৰ বাগিচা ৰাজহ গাঁও আৰু ব্ৰহ্মপুত্ৰ নৈৰ চৰ-চাপৰিৰ ডেৰশ বিঘা ভূমি দখলমুক্ত কৰে প্ৰশাসনে। জানিব পৰা মতে, ২ নং চন্দ্ৰপুৰ গাঁও কল্যাণ সমিতিয়ে কামৰূপ মহানগৰ জিলা প্ৰশাসনক অভিযোগ দিছিল। অভিযোগৰ ভিত্তিত আজি চন্দ্ৰপুৰ ৰাজহ চক্ৰ বিষয়া কৃষ্ণ অৰ্জুন বৰ্মন আৰু এচিপি বৰকিৰি টেৰণৰ নেতৃত্বত বিশাল আৰক্ষী বাহিনী উপস্থিত হয়। আৰক্ষীৰ লগতে জেচিবি লৈ প্ৰশাসনৰ দল উপস্থিত হয়। চন্দ্ৰপুৰ বাগিচা ৰাজহ গাঁও আৰু ব্ৰহ্মপুত্ৰ নৈৰ চৰ-চাপৰিত জেচিবি লগাই ঘৰ আৰু খেতি-পথাৰ উচ্ছেদ কৰা হয়। উচ্ছেদ অভিযানত ডেৰ শতাধিক ভূমি দখলমুক্ত কৰে প্ৰশাসনে। স্থানীয় লোকৰ অভিযোগ মতে, একাংশ দালালে বৃহৎ ধনৰ বিনিয়মত দুশ বিঘা ভূমি বিক্ৰী কৰিছিল। উল্লেখ্য বিষয়টো বিধানসভাতো উত্থাপন হৈছিল আৰু প্ৰশাসনে এই উচ্ছেদ অভিযান চলায়। অভিযানক লৈ স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাষ্ট্ৰপতি শাসনৰ মাজতে

মিলিত হয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। এই বৈঠকতে তেওঁ ৮ মাৰ্চৰ পৰা যাতে ৰাজ্যৰ সকলো পথত সাধাৰণ জনতাই মুক্তভাৱে আহ-যাহ কৰিব পাৰে, সেয়া নিশ্চিত কৰিবলৈ নিৰাপত্তা বাহিনীক নিৰ্দেশ প্ৰদান কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ এই নিৰ্দেশৰ পিছত ৰাজ্যখনৰ বিভিন্ন ঘাইপথত স্থাপন কৰা চেকপোষ্টসমূহ আঁতৰ কৰা হ'ব বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰি শ্বাহে ভাৰত-ম্যানমাৰ সীমান্তত অবৈধ অনুপ্ৰৱেশ বন্ধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। সীমান্তৰ নিৰাপত্তা আৰু অধিক শক্তিশালী কৰাৰ বাবে সীমান্তৰ নিৰ্দিষ্ট প্ৰৱেশ স্থানত বেৰ স্থাপনৰ কাম জৰুৰীভাৱে সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে শ্বাহে ইফালে মণিপুৰক ড্ৰাগছমুক্ত কৰাৰ বাবে ৰাজ্যৰ ড্ৰাগছ সৰবৰাহৰ চক্ৰটো ধ্বংস কৰাৰ বাবেও কঠোৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে আজি অনুষ্ঠিত বৈঠকত মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা, কেন্দ্ৰীয় গৃহ সচিব, চোৰাংচোৱা ব্যুৰোৰ সঞ্চালক, সেনাবাহিনীৰ উপ-মুৰব্বী, সেনাপ্ৰধান ইষ্টাৰ্ন কমাণ্ড, বিএছএফ, চিআৰপিএফ, অসম ৰাইফলছৰ লগতে গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে ১৩ ফেব্ৰুৱাৰীত মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন আৰোপ কৰাৰ পিছত এইখনেই আছিল প্ৰথমখন উচ্চ পৰ্যায়ৰ বৈঠক। এই বৈঠকৰ পূৰ্বে মণিপুৰৰৰাজ্যপাল ভাল্লাই ৰাজ্যত শান্তি ঘূৰাই অনাৰ বাবে অবৈধ অস্ত্ৰ সম্বৰণৰ বাবে আবেদন জনায়। বিশেষকৈ যুৱক-যুৱতীসকলক ওচৰৰ আৰক্ষী থানা, আউটপোষ্ট বা নিৰাপত্তা শিবিৰত লুটপাত কৰা আৰু অবৈধ অস্ত্ৰ-শস্ত্ৰ জমা কৰিবলৈ আহ্বান জনায়। প্ৰথমে অস্ত্ৰ সম্বৰণৰ সময়সীমা সাত দিন নিৰ্ধাৰণ কৰা হৈছিল যদিও জনসাধাৰণৰ অনুৰোধত এতিয়া সময়সীমা আৰু এসপ্তাহ বৃদ্ধি কৰা হৈছে। নতুন সময়সীমা অনুসৰি ৬ মাৰ্চৰ সন্ধিয়া ৪ বজালৈকে অবৈধ অস্ত্ৰ-শস্ত্ৰ সম্বৰণ কৰিব পাৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰপেটাৰোডত দুই পৃথক দুৰ্ঘটনাত

যুৱক, গুৰুতৰভাৱে আহত হয় এজন। বৰপেটাৰোডত নিশা বিয়া খাই ওভতাৰ পথত মিছন ৰোডত সংঘটিত হয় এক বাইক দুৰ্ঘটনা। নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা বেৰত খুন্দিওৱাৰ ফলত থিতাতে নিহত হয় বৰপেটাৰোডৰ ৭ নম্বৰ ৱাৰ্ডৰ স্যামা পল্লীৰ অভি মোদক স্যামা পল্লী(২০)। আনহাতে, গুৰুতৰভাৱে আহত হয় বাইকৰ পিছফালে উঠি অহা সৌৰভ মোদক (২৪)। সৌৰভ মোদকক উন্নত চিকিৎসাৰ বাবে বৰপেটা মেডিকেল কলেজলৈ প্ৰেৰণ কৰা হয়। আনহাতে, বৰপেটাৰোডৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বলাভিটাত জামতল চ'কত ভয়ংকৰ দুৰ্ঘটনাত নিহত হয় দুই যুৱক। তীব্ৰবেগী এখন বাইকে নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইডাৰত খুন্দিওৱাৰ ফলতেই নিহত হয় দুই যুৱক। নিহত যুৱক দুজন বঙাইগাঁৱৰ আবাদীৰ সহানুল আলী(১৯) আৰু মালেক আলী(১৮) বুলি চিনাক্ত। পূৰৱী গাখীৰত কৰ্মৰত যুৱক দুজনে নিজৰ ঘৰলৈ গৈ থকা অৱস্থাত নিশা বৰপেটাৰোডৰ বলাভিটাত জামতল চ'কত দুৰ্ঘটনাত পতিত হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# পুত্ৰৰে শেষ দেখা নহ'ল 'বহেমিয়ান

চিনি পাইছনে নাই? মই প্ৰতাপ চন্দ্ৰ বৰদলৈয়ে কৈছোঁ, পাপা... দেউতা।' ফোনৰ সিটো মূৰৰ পৰা বাৰম্বাৰ হেল্ল' হেল্ল' কৰি থকা চিকিৎসকগৰাকীয়ে চিনা-অচিনাভাৱেৰে মাত্ৰ সুধিছিল- অ, কওকচোন। সেই চিকিৎসকগৰাকী আন কোনো নহয়, বৰং প্ৰতাপচন্দ্ৰ বৰদলৈৰ পুত্ৰ অনলজ্যোতি বৰদলৈ। খুব কাতৰ সুৰেৰে বাৰ্ধক্যই অস্থিৰ কৰি তোলা এটা ৰুগ্ন কণ্ঠেৰে প্ৰতাপ চন্দ্ৰ বৰদলৈয়ে কৈছিল ফোনতে, 'আজি বহুত বছৰ দেখা-শুনা হোৱাই নাই। শেষ মুহূৰ্তত মই তোৰ মুখখন চাব বিচাৰিছো। লগতে নাতি-পুতি কিবা হৈছে যদিও তাহাতৰ মুখ কেইখনো চাব বিচাৰিছো।' কিন্তু বৃদ্ধ পিতৃৰ এই শেষ ইচ্ছা পূৰণ নহ'ল। পুত্ৰ, জীয়াৰী, নাতিৰ মুখ নেদেখাকৈয়ে বুধবাৰে শেষ নিশ্বাস ত্যাগ কৰে প্ৰতাপ চন্দ্ৰ বৰদৈলেয়ে। যোৰহাট চিকিৎসা মহাবিদ্যালয়ত তেওঁ শেষ নিশ্বাস ত্যাগ কৰাৰ পিছতে সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে পিতা-পুত্ৰৰ সেই ফোন কলৰ ৰেকৰ্ডিং। জানিব পৰা মতে, যোৱা বছৰৰ নৱেম্বৰ মাহতে এনেদৰে গুৱাহাটীৰ প্ৰতিষ্ঠিত চৰ্মৰোগ বিশেষজ্ঞ পুত্ৰ ডাঃ অনলজ্যোতি বৰদলৈৰ সৈতে শেষ কথা হৈছিল পিতৃ প্ৰতাপ চন্দ্ৰ বৰদলৈৰ। কিন্তু অভিযোগ অনুসৰি, তাৰ পিছতো শয্যাশায়ী পিতৃক এবাৰো দেখা কৰিবলৈ নাহিল পুত্ৰ। আনকি তেওঁৰ বিয়োগৰ পিছতো গুৱাহাটীৰ পৰা যোৰহাটত উপস্থিত নহ'ল পুত্ৰ অনলজ্যোতি বৰদলৈ। জানিব পৰা মতে, যোৰহাটৰ লুৰুকীহাটৰ ৮১ বৰ্ষীয় প্ৰতাপ চন্দ্ৰ বৰদলৈয়ে ২০২২ চনৰ আগষ্ট মাহৰ পৰা বাস কৰি আছিছিল পটীয়াগাঁৱৰ কোচ গাঁৱৰ বিনীত দত্তৰ ঘৰত। পটীয়াগাঁৱত থকা অমৰাৱতী আশ্ৰমৰ জৰিয়তে বিনীত দত্তৰ সৈতে ২০১৭ চনত পৰিচয় ঘটিছিল প্ৰতাপ চন্দ্ৰ বৰদলৈৰ সৈতে। বিনীত দত্ত আছিল অমৰাৱতী আশ্ৰমৰ কাৰ্যকৰী সদস্য। আশ্ৰমখনৰ বাবে এবিঘা মাটি ক্ৰয় কৰিবলৈ ডেৰ লাখ টকাও আগবঢ়াইছিল প্ৰতাপ চন্দ্ৰ বৰদলৈয়ে। বিগত তিনি বছৰে বিনীত দত্তৰ ঘৰত বাস কৰি অহা বৰদলৈ শেহতীয়াকৈ অধিক অসুস্থ হৈ পৰাত তেওঁক ভৰ্তি কৰোৱা হৈছিল যোৰহাট চিকিৎসা মহাবিদ্যালয়ত। সেই সময়তো বিনীত দত্তৰ পৰিয়ালৰ তৰফৰ পৰা পুত্ৰ অনলজ্যোতি গগৈক ফোন কৰি পিতৃৰ বিষয়ে অৱগত কৰা হৈছিল যদিও তাৰ পিছতো পুত্ৰ কিম্বা জীয়াৰীয়ে পিতৃৰ খবৰ ল'বলৈ নাহিল বুলি আক্ষেপ ব্যক্ত কৰিছে বিনীত দত্তৰ পৰিয়ালে। ইফালে হাস্পতালত প্ৰতাপ চন্দ্ৰ বৰদলৈয়ে শেষ নিশ্বাস ত্যাগ কৰাৰ পিছত তেওঁৰ নশ্বৰ দেহ ইলোৰা বিজ্ঞান মঞ্চৰ জৰিয়তে যোৰহাট মেডিকেল কলেজত দান কৰা হয়। এতিয়া বৰদলৈৰ সমগ্ৰ ৰীতি-নীতি নিজৰ ঘৰত সম্পন্ন কৰাৰ সিদ্ধান্ত লৈছে বিনীত দত্তৰ পৰিয়ালে। ইফালে পিতৃৰ অসুস্থতাৰ খবৰ পোৱাৰ পিছতো এবাৰলৈ খবৰ নকৰা চিকিৎসক পুত্ৰক লৈ এতিয়া সামাজিক মাধ্যমত উঠিছে ক্ষোভৰ জোৱাৰ। বিশেষকৈ পিতা-পুত্ৰৰ ভাইৰেল কল ৰেকৰ্ডিংক লৈ ছ'চিয়েল মিডিয়াত ব্যাপক চৰ্চা চলা পৰিলক্ষিত হৈছে। পিতৃৰ শেষ মুহূৰ্তত খবৰ ল'বলৈ আহৰি নোপোৱা সুপ্ৰতিষ্ঠিত পুত্ৰক সমালোচনা কৰিছে নেটিজেনে। কিন্তু ইয়াৰ মাজতে এয়া একপক্ষীয় বাতৰি বুলিও আক্ষেপ কৰিছে একাংশই। সংগীতা গগৈ নামৰ এগৰাকী মহিলাই অনলজ্যোতি বৰদলৈক 'ভিলেইন' সজাই প্ৰচাৰ হোৱা বাতৰিক একপক্ষীয় বুলি মন্তব্য কৰি ফেচবুকত কয় যে প্ৰতাপ চন্দ্ৰ বৰদলৈ তেওঁৰ নিকট আত্মীয়। সংগীতা গগৈয়ে ফেচবুকত লিখিছে, "সন্তান দুটি সৰু থাকোঁতে অন্যৰ সৈতে মধুৰ সম্পৰ্কৰ খাটিৰত দুই সন্তানক ত্যাগ কৰিছিল। খাম-খেয়ালি মনোভাব, গোটেই জীৱন সন্তানলৈ পিঠি দি নিজৰ বহেমীয়ান স্বভাৱেৰে পাৰ কৰিছিল। আজি বহু বছৰ হ'ল সন্তান আৰু পত্নীক ত্যাগ কৰা। পিতৃৰ মৃত্যুত এপাক আহিব লাগিছিল যদিও ব্যাভিচাৰ, প্ৰৱঞ্চনা, অবিশ্বাসৰ ওজন বেছি হৈ পৰে। দুয়ো সন্তানে বৰ দুখেৰে ল'ৰালি পাৰ কৰিছে। সমালোচনা কৰি আৰু দুখ নিদিব। দুয়োজন অমায়িক আৰু দায়িত্বশীল। মাতৃ তেওঁলোকৰ সৈতে থাকে। মাতৃৰ প্ৰতি দায়িত্ব পালন কৰিছে। পিতৃৰ প্ৰতি কিয় নকৰিলে? সেয়া গোপন ৰহস্য।" ইফালে, সামাজিক মাধ্যম আৰু সংবাদ মাধ্যমত এই বিষয়টোৱে ব্যাপক চৰ্চা লাভ কৰাৰ পিছত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে চিকিৎসক অনলজ্যোতি বৰদলৈয়েও। কেইবাটাও সংবাদ মাধ্যমৰ সন্মুখত তেওঁ ইতিমধ্যে নিজৰ পক্ষ ৰাখিছে। তেওঁ কয় যে ২০০৬ চনতে পিতৃৰ সৈতে তেওঁৰ শেষ দেখাদেখি হৈছিল। তাৰ পিছত সুদীৰ্ঘ ১৮ বছৰ তেওঁ পিতৃৰ মাতটো শুনা নাছিল, দেখা নাছিল। এনে ক্ষেত্ৰত যেতিয়া নৱেম্বৰত পিতৃয়ে অন্য এটা নম্বৰৰ পৰা আকস্মিকভাৱে তেওঁলৈ ফোন কৰিছিল তেতিয়া মাতটো চিনি নোপোৱাটো স্বাভাৱিক আছিল। নেটৱৰ্কৰ সমস্যাৰ বাবেও সেইদিনা পিতৃৰ কথা বুজি পোৱাত অসুবিধা হৈছিল বুলি মন্তব্য কৰে ডাঃ অনলজ্যোতি বৰদলৈয়ে। তেওঁ নিজৰ পক্ষ ৰাখি কয় যে পিতৃয়ে যেতিয়া তেওঁলোকৰ ঘৰটো বিক্ৰী কৰিব বিচাৰিছিল, তেতিয়া মাকে আপত্তি কৰিছিল। যাৰ বাবে পিতৃ প্ৰতাপ চন্দ্ৰ বৰদলৈয়ে পত্নী আৰু পুত্ৰ-কন্যাক ঘৰৰ পৰা উলিয়াই দিছিল। পিতৃৰ বিৰুদ্ধে সেই সময়ত দিছপুৰ থানাত এজাহাৰো দাখিল কৰিছিল অনলজ্যোতি বৰদলৈয়ে। কিন্তু পিছত অধ্যয়নৰত হৈ থকাৰ্ বাবে গোচৰটো আগ নবঢ়ালে বুলি তেওঁ জানিবলৈ দিয়ে। উল্লেখ্য যে ডাঃ অনলজ্যোতি বৰদলৈৰ জ্যেষ্ঠ ভগ্নী ডাঃ পল্লৱী বৰদলৈও এগৰাকী প্ৰতিষ্ঠিত চিকিৎসক। মাতৃয়ে এখন ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ পৰা শিক্ষয়িত্ৰী হিচাপে অৱসৰ গ্ৰহণ কৰিছে। বৰ্তমান গুৱাহাটীৰ দুটা ফ্লেটত থাকে ডাঃ অনলজ্যোতি বৰদলৈ আৰু ভগ্নী ডাঃ পল্লৱী বৰদলৈ। পিতৃক অনাদৰ কৰাৰ অভিযোগ সন্দৰ্ভত তেওঁ কয়, "মা আমাৰ লগতে থাকে। তেওঁক আমি কিদৰে ৰাখিছো চাই যাব পাৰে। দেউতাৰ পৰা মায়ে বহুত কষ্ট খাইছে। মায়ে বেছি কথা নকয়, সকলো সহি থাকে। আমি জন্ম হোৱাৰ আগৰে পৰাই তেওঁ অত্যাচাৰ সহি আহিছিলো। ঘৰৰ পৰা আমাক খেদি পঠিওৱাৰ আগৰ সময়খিনি আমাৰ বাবে অধিক কষ্টকৰ আছিল।" ডাঃ অনলজ্যোতি বৰদলৈয়ে কয় যে নৱেম্বৰ মাহত পিতৃয়ে তেওঁক ফোন কৰিছিল। কিন্তু তাৰ আগতে ছেপ্টেম্বৰত তেওঁলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল। য'ত প্ৰতাপ চন্দ্ৰ বৰদলৈয়ে তেওঁলোকৰ পিতৃ নহয় বুলি কৈছিল আৰু অবৈধভাৱে তেওঁৰ নাম ব্যৱহাৰ কৰাৰ অভিযোগ তুলিছিল। পিতৃয়ে এবাৰ শেষ ইচ্ছা ব্যক্ত কৰাৰ পিছত সন্তানৰ পৰীক্ষা আৰু ব্যক্তিগত অসুবিধাৰ বাবেই যোৰহাটলৈ যোৱা নহ'ল বুলিও মন্তব্য কৰে ডাঃ অনলজ্যোতি বৰদলৈয়ে। অৱশ্যে তেওঁ এয়াও কয় যে পিতৃৰ শেষ ৰীতি-নীতিখিনি তেওঁলোকে পালন কৰি আছে। কিন্তু চিকিৎসক পুত্ৰ অনলজ্যোতি বৰদলৈৰ ওপৰত ক্ষোভ জাহিৰ কৰিছে যোৰহাটৰ লুৰুকীহাট আৰু পটিয়াগাঁৱৰ স্থানীয় লোকে। এগৰাকী স্থানীয় মহিলাই কয়, "এনে কুলাংগাৰ পুত্ৰ নথকাই ভাল। মাক-দেউতাক যিমানেই বেয়া নহওক কিয়, ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ সৈতে এনে কৰিব নাপায়। একেদিনাই তেওঁলোকে মাটি ফুটি ডাক্তৰ হোৱা নাই। মাক-দেউতাকে কিমান কষ্ট ভোগ কৰিবলগীয়া হৈছে, কিমান ত্যাগ কৰিবলগীয়া হৈছে তেওঁলোকৰ বাবে। এতিয়া শেষ মুহূৰ্তত নিজৰ ল'ৰা-ছোৱালীকেইটাৰ মুখ কেইখন চাব বিচাৰিছিল, কিন্তু সেয়াও সৌভাগ্য নহ'ল। এনে পুত্ৰ নথকাই ভাল।" যাৰ ঘৰত আশ্ৰয় লৈ প্ৰতাপ চন্দ্ৰ গগৈয়ে শেষ নিশ্বাস ত্যাগ কৰিলে, সেইগৰাকী বিনীত দত্তয়ো কয়, "হাস্পতালত ভৰ্তি কৰোৱাৰ সময়ত তেৱেঁই কৈছিল ল'ৰাটোক খবৰ দিবা বুলি। পুতেকক ফোন কৰাত তেওঁ যোৰহাট মেডিকেল কলেজৰ কোনজন চিকিৎসকে চাইছে সুধিলে। কিন্তু চিকিৎসকৰ নামটো জানি লৈ তেওঁক জনাব পৰাই নগ'ল। তেওঁ ফোনেই ৰিচিভ নকৰিলে। যদি এয়াও তেওঁলোকৰ শিক্ষা হয়, তেন্তে এনে শিক্ষিত নোহোৱাই ভাল।" এনেকৈ এতিয়া জীৱিত কালত সন্তানক নিৰ্যাতন চলোৱা পিতৃৰ বাবে মৃত্যুৰ পিছতো অপমানিত হয় দুই সন্তান।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'বিতৰ্ক এৰক, জনকল্যাণৰ হকে কাম

৩৯ খন জিলা, ৪৩৩ টা মণ্ডলৰ সভাপতিসকল আৰু ৰাজ্যিক কাৰ্যনিৰ্বাহকসকলে অংশ লয়। ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষ, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক জি আৰ ৰবীন্দ্ৰ ৰাজুৰ উপস্থিতিত ৰাজ্যিক বিজেপিৰ বিশেষ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত জিলা সভাপতিৰ লগতে সকলো পৰ্যায়ৰ নেতাক একত্ৰিত হৈ কাম কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ নিৰ্দেশ দিয়ে বি এল সন্তোষে। জিলা, মণ্ডলৰ সভাপতিক বহুমূলীয়া মাৰ্গদৰ্শন দি সন্তোষে কয় যে বিজেপিৰ সাংগঠনিক ভেটি শক্তিশালী হোৱাৰ আঁৰত বুথসমূহ। বুথসমূহে ভালকৈ কাম কৰাৰ বাবেই দলটোৱে সফলতা লাভ কৰিছে। ২০২৬ চনৰ নিৰ্বাচনত অধিক বিতৰ্কৰ সৃষ্টি কৰিব পৰা মন্তব্যৰ বিপৰীতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনিসমূহৰ লাভালাভ ৰাইজৰ মাজলৈ নিয়াৰ পৰামৰ্শ দিয়ে। অনাহক বিতৰ্ক পৰিহাৰ কৰি দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ লগতে জনগণৰ কল্যাণৰ বাবে ৰূপায়ণৰ বাবে আঁচনিসমূহ ৰাইজৰ মাজলৈ নিয়াৰ আহ্বান জনায় বি এল সন্তোষে। ভাৰতীয় জনতা পাৰ্টিৰ প্ৰদেশৰ মাহেকীয়া মুখপত্ৰ বিজেপি বাৰ্তাৰ ২০২৫ চনৰ মাৰ্চ মাহৰ সংখ্যা বি এল সন্তোষে উন্মোচন কৰে। ইপিনে কৰ্মশালাত ভাষণ প্ৰদান কৰি আগন্তুক প্ৰতিটো নিৰ্বাচনত বিজেপিৰ বিজয়ৰ সংকল্প লয় সভাপতি দিলীপ শইকীয়াই। কৰ্মশালাত আদৰণী ভাষণত সকলো জিলা আৰু মণ্ডলৰ সভাপতিসকলক সম্বোধন কৰি সভাপতি দিলীপ শইকীয়াই কয় যে অসমৰ উন্নয়নৰ কেৱল বিজেপিয়েহে কৰিব পাৰিব। আগৰ চৰকাৰে অসমত অৱহেলা কৰিছিল। কিন্তু আমি সেৱাৰ মনোভাৱেৰে অসমৰ উন্নয়নৰ হকে কাম কৰিব লাগিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিজেপিয়ে দেশ হিতত গুৰুত্ব দিয়ে আৰু দেশৰ বাবে সমৰ্পণৰ ভাৱেৰে কাম কৰিবলৈ সকলো নেতা-কৰ্মীক আহ্বান জনায়। কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিজেপিয়ে দেশৰ হকে চিন্তা কৰে আৰু দেশক সেৱা কৰিবলৈ সকলোৱে প্ৰয়াস কৰক বুলি কোৱা বুলি জানিব পৰা গৈছে। বৈঠকত হৰিশ দ্বিবেদী, কামাখ্যা প্ৰসাদ তাছা, ৰাজ্যিক সাধাৰণ সম্পাদক পল্লৱ লোচন দাস, ৰঙিয়াৰ বিধায়ক ভবেশ কলিতা উপস্থিত থাকে। ইপিনে আজি ৰাজ্যিক কাৰ্যালয়তে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক 'ঝুমইৰ বিনন্দিনী' আৰু 'এডভান্টেজ অসম ২.০'ৰ অভূতপূৰ্ব সফলতাৰ স্বীকৃতি স্বৰূপে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে.পি. নাড্ডাৰ হৈ সন্তোষে গামোচা পিন্ধাই অভিনন্দন জ্ঞাপন কৰে।

# ডিফুত কাৰ্বি আংলঙৰ পিজিআৰ-ভিজিআৰ ভূমি অবৈধ বেদখল উচ্ছেদৰ দাবীত দল-সংগঠনৰ প্ৰতিবাদ

**ই-সংবাদ, ডিফু, ১ মাৰ্চঃ** কাৰ্বি আংলং জিলাৰ পিজিআৰ-ভিজিআৰ ভূমিৰ অবৈধ বেদখলকৃত ভূমিত শীঘ্ৰে উচ্ছেদৰ দাবীত ডিফুত পুনৰ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে দল-সংগঠনে। শনিবাৰে ডিফুত কেএছএ, কেএছৱাইচি আৰু সহযোগী দল-সংগঠনে আজি ডিফু ডাকঘৰৰ সন্মুখত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান আওৰাই প্ৰতিবাদ কৰি ডিফুৰ আকাশ-বতাহ কঁপাই তোলে। প্ৰতিবাদকাৰী নেতা লিটছন ৰংফাৰে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত কয় যে কাৰ্বি আংলঙৰ পিজিআৰ আৰু ভিজিআৰ ভূমিখণ্ডত যোৱা চল্লিছ বছৰে অবৈধভাৱে বসবাস কৰি অহা প্ৰায় ১০ হাজাৰ অবৈধ বেদখলকাৰীক উচ্ছেদ কৰাৰ বাবে মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে দিয়া প্ৰতিশ্ৰুতি এবছৰকাল উকলি যোৱাৰ পিছতো আজিলৈকে উক্ত ভূমিত উচ্ছেদ নহ'ল। ফলত পৰিষদে কাৰ্বি আংলঙৰ ৰাইজক চৰকাৰে চৰম বিশ্বাস ঘাতকতা কৰিলে। স্বায়ত্তশাসিত পৰিষদৰ হাতত সম্পূৰ্ণ কৰ্তৃত্ব থকাৰ পিছতো কিয় উচ্ছেদ কৰিব নোৱাৰিলে বুলি প্ৰশ্ন কৰে লিটচন ৰংফাৰে। আনহাতে, পিজিআৰ-ভিজিআৰ ভূমিত অবৈধ বেদখল উচ্ছেদৰ দাবীত প্ৰতিবাদকাৰীসকলে বাৰম্বাৰ জনাই অহা দাবীক নস্যাত কৰাত ক্ষুব্ধ হৈ পৰে প্ৰতিবাদকাৰীসকল। এইলৈ প্ৰতিবাদকাৰীসকলে আজি প্ৰতিবাদস্থলীতে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ প্ৰতিকৃতিত ধুপ-ধূণা আৰু ঘণ্টা বজাই পূজা-অৰ্চনা কৰি পিজিআৰ-ভিজিআৰত অবৈধ বেদখল শীঘ্ৰে উচ্ছেদৰ প্ৰাৰ্থনা কৰি অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে।

# এলিজাবেথৰ পাকিস্তান লিংক, দিল্লীত অসম আৰক্ষীৰ দল

**ই-সংবাদ, ১ মাৰ্চঃ** ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে যোৰহাটৰ সাংসদ তথা কংগ্ৰেছৰ লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈৰ বিৰুদ্ধে অত্যধিক কঠোৰ হোৱা পৰিলক্ষিত হৈছে। গৌৰৱ গগৈৰ উজনিৰ গুৰুত্বপৰ্ণ সংসদীয় সমষ্টি যোৰহাট দখল কৰাৰ পিছৰে পৰা বিজেপিৰ নেতা-কৰ্মী গৌৰৱ গগৈৰ বিৰুদ্ধে আক্ৰমণাত্মক হৈ আছে। তাৰ মাজতে খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বক গৌৰৱ গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈ পাকিস্তান সংযোগৰ কথা বাৰে বাৰে উল্লেখ কৰি দেশদ্ৰোহী সজাবলৈ প্ৰয়াস কৰি গৈছে। সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথৰ পাকিস্তান লিংক থকাৰ অভিযোগ উত্থাপন কৰা মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ নিৰ্দেশত অসম আৰক্ষীয়ে গঠন কৰিছে বিশেষ তদন্তকাৰী গোট। আৰক্ষী বিষয়া মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্ব গঠিত তদন্ত সমিতিয়ে কাম আৰম্ভ কৰিছে। অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী দলটো আজি দিল্লীত উপস্থিত হৈছে। আৰক্ষী বিষয়া ৰ'জী কলিতাৰ নেতৃত্বত যোৱা দলটোত এই দলটোৱে পাকিস্তানৰ নাগৰিক আলী তাকিৰ শ্বেখৰ সৈতে এলিজাবেথৰ সম্পৰ্কৰ বিষয়ে তথ্য সংগ্ৰহ কৰিব। তদন্তকাৰী দলটোৱে আলী তাকিৰ শ্বেখৰ দিল্লী ভ্ৰমণৰ সময়ত এলিজাবেথৰ সৈতে হোৱা বাৰ্তালাপ, সাক্ষাৎ সন্দৰ্ভত সোধা-পোছা কৰিব পাৰে। ইয়াৰ উপৰি আলী তাকিৰ শ্বেখৰ এনজিঅ'ৰ কাৰ্যকলাপ আৰু দিল্লীত তেওঁৰ কাম-কাজৰ বিষয়েও তথ্য সংগ্ৰহ বিচাৰিব পাৰে। দলটোৱে এলিজাবেথ গগৈৰ পাছপ'ৰ্ট, ভিছা আদি পৰীক্ষা কৰিব পাৰে। তদন্তকাৰী দলটোত এডিজি মুন্না প্ৰসাদ গুপ্তা, প্ৰণৱজ্যোতি গোস্বামী, ৰ'জী কলিতা আৰু মৈত্ৰেয়ী ডেকা আদি অন্তৰ্ভুক্ত হৈ আছে।

# বাহনৰ গ্লাছ ভাঙি টকাৰ বেগ নিয়া ডকাইতক গ্ৰেপ্তাৰ

**ই-সংবাদ, ১ মাৰ্চঃ** গুৱাহাটী আৰক্ষীয়ে বাইক চোৰ, ড্ৰাগছ মাফিয়া, চিলনী চোৰৰ বিৰিদ্ধে অভিযান অব্যাহত ৰাখিছে। বিগত কেইবাটাও দিনত অভিযান চলাই বাইক চোৰ, ড্ৰাগছ মাফিয়া, চোৰ-ডকাইতক জালত পেলাবলৈ সক্ষম হোৱাৰ সময়তে আজি অভিযান চলাই বিশেষ সফলতা লাভ কৰিছে। আজি গুৱাহাটী আৰক্ষীয়ে অভিযান চলাই গাড়ীৰ গ্লাছ ভাঙি টকাৰ বেগ লৈ উধাও হোৱা এজন ডকাইতক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। দিছপুৰ আৰক্ষীয়ে নিৰ্মল নাথ নামৰ গাড়ীৰ গ্লাছ ভাঙি ধনৰ বেগ লৈ উধাও হোৱা ডকাইতজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নিৰ্মল নাথে গুৱাহাটীৰ কেইবাটাও প্ৰান্তত গাড়ীৰ গ্লাছ ভাঙি ডকাইতি কৰিছিল বুলি জানিব পৰা যায়। গুৱাহাটীৰ কেইবাটাও ঘটনাৰ তথ্য আহৰণ কৰি কমল নাথ যে বহু ঘটনাত জড়িত সেই তথ্য লাভ কৰিছিল। কিন্তু নাথে আৰক্ষীৰ চকুত বাৰে বাৰে ধূলি দিছিল। গ্লাছ ভাঙি টকাৰ বেগ লৈ উধাও হৈ নিৰ্মল নাথে গুৱাহাটীত আতংকৰ সৃষ্টি কৰিছিল। অৱশেষত আজি জালত পৰে দুৰ্দ্ধৰ্ষ নিৰ্মল নাথ।

# জাগীৰোড মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন



**ই-সংবাদ, জাগীৰোড, ১ মাৰ্চঃ** ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগতে NAAC ৰ দ্বাৰা A+ স্বীকৃতিপ্ৰাপ্ত অগ্ৰণী শিক্ষানুষ্ঠান জাগীৰোড মহাবিদ্যালয়ত শুকুৰবাৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়। নোবেল বঁটা বিজয়ী বিশিষ্ট পদাৰ্থ বিজ্ঞানী ছাৰ চন্দ্ৰশেখৰ ভেংকটৰমনৰ বিখ্যাত ৰ'মন পৰিঘটনাৰ আৱিষ্কাৰৰ দিনটো এই বছৰৰ মূল বিষয় হ'ল বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বৰ বাবে ভাৰতৰ যুৱপ্ৰজন্মক বিজ্ঞান আৰু উদ্ভাৱনাৰ দিশত বিশ্বক প্ৰতিনিধিত্ব কৰিব পৰাকৈ প্ৰস্তুত কৰা। এই উপলক্ষে জাগীৰোডৰ স্থানীয় বিদ্যালয়সমূহ আৰু মহাবিদ্যালয়ৰ বিভাগসমূহক লৈ এখন বিজ্ঞান প্ৰদৰ্শনী আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা আয়োজন কৰা হয়। কটন বিশ্ববিদ্যালয়ৰ ৰাসায়ন বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক তথা বিজ্ঞান প্ৰচাৰক ড° মানৱজ্যোতি বৰদলৈ আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° হিমু ৰয়ে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়ত্ৰীসকলৰ উপস্থিতিত মূল বিষয়ৰ লগত সংগতি ৰাখি বক্তৃতা প্ৰদান কৰে। ভাষণ প্ৰসংগত বৰদলৈয়ে বিজ্ঞান মানসিকতা গঢ় দিয়াৰ লগতে বিভিন্ন প্ৰাকৃতিক উপাদানৰ ওপৰত সঠিক তথ্য আহৰণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ড° ৰয়ে উদ্ভীদ বৰ্গীকৰণৰ প্ৰয়োজনীয়তা আৰু জৈৱবৈচিত্ৰ ৰক্ষাৰ ক্ষেত্ৰখনত ইয়াৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ ওপৰত আলোকপাত কৰে। বিজ্ঞানৰ মডেল প্ৰদৰ্শনী প্ৰতিযোগিতাত জ্যোতি নিৰাস বিদ্যালয়ৰ দুগৰাকী ছাত্ৰীয়ে আৰু মহাবিদ্যালয়ৰ বিভাগসমূহৰ ভিতৰত প্ৰাণী বিজ্ঞান বিভাগে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ইণ্ডাছ একাডেমিয়ে প্ৰথম স্থান দখল কৰে। অনুষ্ঠানৰ আৰম্ভণিতে জাগীৰোডৰ প্ৰতিষ্ঠিত উদ্যোগপতি চন্দ্ৰ বৰাই ছাৰ চি ভি ৰমণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি দিনটোৰ কাৰ্যসূচী উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগে দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে আৰু ছাত্ৰ-ছাত্ৰী তথা প্ৰতিযোগীসকলক উৎসাহ যোগোৱাৰ লগতে বিজ্ঞান শিক্ষাৰ প্ৰতি আকৰ্ষিত হ'বৰ বাবে আহ্বান জনায়। অনুষ্ঠানত ৰাসায়ণ বিভাগৰ মুৰব্বী অধ্যাপক ড° গোপী অধিকাৰী, গণিত বিভাগৰ ড° আনন্দৰাম বুঢ়াগোঁহাই আৰু মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° চিত্তৰঞ্জন সৰকাৰেও চমু ভাষণ প্ৰদান কৰে।

## বিভিন্ন অনিয়মৰ মাজেৰে শিক্ষানুষ্ঠানখন চলি থকাৰ অভিযোগ

# মিৰ্জাৰ আয়াত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰিচালকৰ মইমতালি

**ই-সংবাদ, মিৰ্জা, ১ মাৰ্চঃ** দক্ষিণ কামৰূপ বিভিন্ন অঞ্চলৰ দৰে মিৰ্জাতো কাঠফুলাৰ দৰে গঢ়ি উঠিছে বিভিন্ন ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান। এই ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাৰ গুণগত দিশত গুৰুত্ব আৰোপ কৰাৰ সলনি প্ৰায়ে কেৱল ব্যৱসায়িক দিশতহে মনোনিৱেশ কৰাৰ অভিযোগ উত্থাপন হৈছে। দীৰ্ঘদিনীয়া এই অভিযোগ উত্থাপন হৈ অহাৰ সময়তে মিৰ্জাৰ গোপালপুৰত স্থাপন কৰা ব্যক্তিগত খণ্ডৰ 'আয়াত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল' নামৰ এই ব্যক্তিগত খণ্ডৰ বিদ্যালয়খনত শৈক্ষিক দিশত বিসংগতি হোৱাৰ লগতে আন কাম-কাজতো চৰম দায়িত্বজ্ঞানহীন কৰ্মকাণ্ডই অঞ্চলটোৰ সচেতন লোকসকলক চিন্তিত কৰি তোলাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি এই স্কুলৰ স্বত্বাধিকাৰী তথা পৰিচালক নহিৰাৰ অপূৰ্ব ভাগৰতীয়ে শিক্ষাৰ নামত বেপেৰুৱা কাৰ্য চলাই যোৱাত সচেতন লোক চিন্তিত হৈ পৰিছে। ইতিমধ্যে কেইবাজনো শিক্ষকে ইস্তফা দি বিদ্যালয়খনৰ পৰা আঁতৰি গৈছে আৰু একাংশ শিক্ষকক এক প্ৰকাৰ নিজৰ খেয়াল-খুচিৰ বাবে পদত্যাগ কৰিবলৈ বাধ্য কৰাইছে। স্বত্বাধিকাৰী তথা পৰিচালক ভাগৱতীয়ে যোৱা ২০২০-২১ শৈক্ষিক বৰ্ষৰ সময়ছোৱাত ছাত্ৰ- ছাত্ৰীৰ পৰা অতিৰিক্ত মাচুল সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হোৱাৰ লগতে বৃহৎ পৰিমাণৰ টকাৰ লেনদেনেৰে পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰতো এক অনিয়ম সংঘটিত কৰা বুলি বিশেষ সূত্ৰে জানিব পৰা গৈছে। পৰিচালক অপূৰ্ব ভাগৱতীৰ নেতৃত্বত শিক্ষানুষ্ঠানখনৰ অধ্যক্ষৰ অজ্ঞাতে সময়ে সময়ে সংঘটিত হৈ আহিছে বহু নীতি বৰ্হিভূত কাৰ্য। প্ৰতিটো শিক্ষাবৰ্ষৰ নামভৰ্তিৰ বাবে প্ৰায় ছয়মাহ আগৰে পৰা ৰং-বিৰঙৰ প্ৰকাণ্ড প্ৰকাণ্ড বেনাৰ- পোষ্টাৰেৰে প্ৰচাৰ চলোৱা এই শিক্ষানুষ্ঠানখনৰ বিশেষ কোনো সামাজিক দায়বদ্ধতা দৃষ্টিগোচৰ হোৱা নাই ৰাইজৰ। আন আন শিক্ষানুষ্ঠানলৈ গৈ তেওঁ মেধাৱী ছাত্ৰ-ছাত্ৰীক এই শিক্ষানুষ্ঠানখনত পঢ়াৰ বাবে উঠি পৰি লগাৰো অভিযোগ আহিছে। উৎসৱ-পাৰ্বন উদযাপনৰ নামত ছাত্ৰ-ছাত্ৰীৰ পৰা অধিক পৰিমাণৰ মাচুল সংগ্ৰহ কৰাৰো অভিযোগ আছে। সাধাৰণ উৎসৱ-পাৰ্বনতে শিক্ষানুষ্ঠানখনৰ চৌহদত ছাউণ্ড ছিষ্টেম লগাই নৃত্য-গীত কৰি এক উশৃংখল হুলস্থুলীয়া পৰিৱেশেৰে চুবুৰীয়া লোকক হাৰাশাস্তি কৰাৰো অভিযোগ বহুদিনীয়া। লগতে এই স্কুলৰ একাংশ উদণ্ড ছাত্ৰই ৰাজপথত ষ্টাণ্ট কৰি পথচাৰীক গুৰুতৰভাৱে আঘাত কৰাৰ বহুকেইটা ঘটনা পোহৰলৈ আহিছে যদিও শিক্ষানুষ্ঠানখনৰ কৰ্তৃপক্ষই এনে আঘাতপ্ৰাপ্ত ব্যক্তিক কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই। বিপৰীতে এই শিক্ষানুষ্ঠানলৈ বিভিন্ন সময়ত এনে ঘটনাৰ অভিযোগ লৈ যোৱা লোককো তেওঁ অপদস্ত কৰি অহা বুলিহে অভিযোগ আহিছে। মিৰ্জাৰ আয়াত শিক্ষানুষ্ঠানৰ চৌহদতে তেওঁৰ শহুৰেকৰ বাসগৃহতে থকা ভাগৱতীয়ে শহুৰেকৰ বংশৰ লোকৰ ভূমিত চকু পৰাৰো আন এক গুৰুতৰ অভিযোগ উঠিছে। মিৰ্জাৰ দৰে শৈক্ষিক, বৌদ্ধিক দিশত আগবঢ়া এটি অঞ্চলত অপূৰ্ব ভাগৱতীৰ দৰে এজন বেপাৰী লোকে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কথা সমুলি চিন্তা নকৰি একমাত্ৰ ধনৰ বাবেই এনেদৰে শিক্ষানুষ্ঠান পৰিচালনা কৰি থকা কাৰ্যক সচেতন লোকে গৰিহণা দিছে। প্ৰশ্ন হয়- শিক্ষাৰ নামত এনে অনিয়মৰ মাজেৰেই ব্যৱসায় চলাই যাব নেকি আয়াতে? নে কিবা ব্যৱস্থা গ্ৰহণ কৰিব ৰাজ্যৰ শিক্ষা বিভাগে?

# কলগাছিয়াৰ খালবাল্লীত বিধ্বংসী গৰাখহনীয়াত জাহ গ'ল কুৰিটা পৰিয়ালৰ ঘৰ-দুৱাৰ

**ই-সংবাদ, কলগাছিয়া, ১ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত খাৰবাল্লী গাঁৱত বিগত চাৰি বছৰ ধৰি বেকী নদীৰ গৰাখহনীয়াই তাণ্ডৱ চলাই আহিছে। সম্প্ৰতি বেকী নদীৰ বিধ্বংসী গৰাখহনীয়াৰ ফলত খাৰবাল্লী গাওঁ খনত প্ৰায় কুৰিটা পৰিয়ালৰ ঘৰ-দুৱাৰ নৈৰ বুকুত জাহ গৈছে। উল্লেখযোগ্য যে বিগত চাৰি মাহৰ ভিতৰত গাঁওখনৰ ফুলবাৰ আলী, ফজল হক, হাবেল উদ্দিন, ওমৰ আলী, বক্কাৰ আলী, ছায়েদ আলী, লোকমান আলী, আবু ছামা আদি কৰি প্ৰায় কুৰিটা পৰিয়ালৰ ঘৰ-দুৱাৰ নৈৰ বুকুত জাহ গৈছে। সেইদৰে ২০২৩ বৰ্ষতো ফজল হক, মোন্নাফ আলী, জছিম উদ্দিন, সাজু আলী, আব্দুল বাতেন, জায়েদ আলী, গিয়াচ উদ্দিন, গফুৰ মোল্লাকে আদি কৰি গাঁওখনৰ প্ৰায় ত্ৰিশ টা পৰিয়ালৰ ভেটি মাটি নৈৰ গৰাখহনীয়াত নিশ্চিহ্ন হৈছে। সম্প্ৰতি খৰালীৰ সময়তো বেকী নদীৰ গৰাখহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰি শ শ বিঘা খেতি মাটি, ফচলৰ খেতি যেনে - মাকৈ, জলকীয়া, বেঙেনা, ইৰি ধানৰ খেতি, ঘাঁহ খেতি আদি নৈৰ খহনীয়াই উটুৱাই নিছে। স্মৰ্তব্য যে বহু প্ৰত্যাশাৰে ৰাইজৰ কাম কৰিব বুলি লোকসভাৰ নিৰ্বাচনত ৰকিবুল হুছেইনক একাংশ ৰাইজে ভোট দিছিল যদিও জিকাৰ পিছৰেপৰাই ৰাইজলৈ পিঠি দিছে সাংসদগৰাকীয়ে। আনহাতে ঘৰৰ ওচৰৰে বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামেও কোনো কাণসাৰ দিয়া নাই ভুক্তভোগী খহনীয়াগ্ৰস্ত ৰাইজলৈ। ইফালে, আমগুৰি আৰু আনফালে বলাইপাথাৰ-কাউৰজাহী অঞ্চলত চৰকাৰে বিশ্ব বেংকৰ আঁচনিৰে জিঅ' বেগেৰে গৰাখহনীয়া প্ৰতিৰোধৰ কাম কৰি আছে যদিও মাজতে মাত্ৰ ১০০০ মিটাৰ ঠাই সেই আঁচনিখনৰপৰা বাদ পৰি আছে। ফলত খাৰবাল্লীৰ এই মাজৰ অংশত বেকী নদীৰ গৰাখহনীয়াই ৰুদ্ৰমূৰ্তি ধাৰণ কৰাত গাঁওখনৰ নিশান আলী, জবেদ আলী, শহিদ আলী, আশ্ৰফ আলী, ছায়েদ আলী, মহৰ আলী, হামেদ আলী, আলিমুদ্দিন আদি পৰিয়াললৈ তীব্ৰ ভাবুকিৰ সৃষ্টি হৈছে। শীঘ্ৰে বিজ্ঞানসন্মতভাৱে গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা নকৰিলে কলগাছিয়া ৰাজহ চক্ৰ, বৰপেটা অসামৰিক চিকিৎসালয়, কলগাছিয়া আৰক্ষী থানা আদি চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহো গৰাখহনীয়াৰ কবলত পৰিব বুলি ৰাইজে আশংকা প্ৰকাশ কৰিছে।


Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

## নাট্য প্ৰশিক্ষক হিচাপে ছিপাঝাৰৰ অসীম নাথক আমন্ত্ৰণ পঞ্জাৱ কেন্দ্ৰীয় বিশ্ববিদ্যালয়লৈ

**ই-সংবাদ, ছিপাঝাৰ, ১ মাৰ্চঃ** এমেচাৰ নাটকক লৈ বিভিন্ন পৰীক্ষা-নিৰীক্ষা আৰু নতুনত্বৰে নাট্য আন্দোলনক এক বিশেষ মাত্ৰা প্ৰদান কৰি ৰাজ্যখনৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়তো কলামোদীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা ছিপাঝাৰৰ নাট্য শিল্পী অসীম কুমাৰ নাথক এক পোন্ধৰদিনীয়া কৰ্মশালাৰ প্ৰশিক্ষক হিচাপে আমন্ত্ৰণ জনাইছে পঞ্জাৱ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে। ৩ মাৰ্চৰ পৰা ১৭ মাৰ্চলৈ বিশ্ববিদ্যালয়খনৰ 'পাৰফৰ্মিং আৰ্ট'ৰ প্ৰশিক্ষাৰ্থীসকলক 'বডি মুভমেণ্ট' বিষয়ত বিশেষভাৱে প্ৰশিক্ষণ প্ৰদান কৰিব বিশিষ্ট নাট্যশিল্পীগৰাকীয়ে। উল্লেখ্য যে, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়, নতুন দিল্লীয়ে আয়োজন কৰা 'ভাৰত ৰংগ মহোৎসৱ'ত নাথৰ পৰিচালনাত দেশৰ বিভিন্ন স্থানত কলামোদীৰ সমাদৰ বুটলিবলৈ সক্ষম হোৱা 'ফিনিক্স পখী' নামৰ নাটকখন যোৱা ১১ ফেব্ৰুৱাৰীত পঞ্জাৱৰ বাথিন্দা চহৰত প্ৰদৰ্শিত হৈছিল। সেইদিনা দৰ্শক হিচাপে তাত উপস্থিত আছিল পঞ্জাৱ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ 'পাৰফৰ্মিং আৰ্ট'ৰ কেইবাগৰাকী অধ্যাপক আৰু ছাত্ৰ। নাটকখনৰ ব্যতিক্ৰমী উপস্থাপনত তেওঁলোক অতি আপ্লুত তথা আকৰ্ষিত হৈ পৰে। যাৰ বাবে বিশ্ববিদ্যালয়খনৰ বিভাগটোৱে নাটকত 'বডি মুভমেণ্ট' বিষয়ত প্ৰশিক্ষণ দিবলৈ নাথক আমন্ত্ৰণ জনায়। উল্লেখ্য যে, ইয়াৰ পূৰ্বেও নাট্যশিল্পীগৰাকীয়ে মহাৰাষ্ট্ৰৰ মহাত্মা গান্ধী আন্তৰ্জাতিক হিন্দী বিশ্ববিদ্যালয় আৰু দাৰভাংগাস্থিত ললিত নাৰায়ণ বিশ্ববিদ্যালয়ত প্ৰশিক্ষক হিচাপে আমন্ত্ৰণ লাভ কৰিছিল। শেহতীয়া এই খবৰে ছিপাঝাৰবাসীৰ মনত আনন্দৰ জোৱাঁৰ তুলিছে।

# সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত বেংক বিষয়া চণ্ডীচৰণ ডেকাৰ বিয়োগ

**ই সংবাদ, বাইহাটা চাৰিআলি, ১ মাৰ্চঃ** কামৰূপ জিলাৰ বেজেৰা নিবাসী সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত বেংক বিষয়া চণ্ডী চৰণ ডেকাৰ আজি সন্ধিয়া নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৮ বছৰ। তেখেতৰ মৃত্যু ৰ খবৰ বিয়পি পৰাৰ লগে লগে বৃহত্তৰ বেজেৰা অঞ্চলত এক শোকাকুল পৰিবেশে বিৰাজ কৰিছে। ইতিমধ্যে তেওঁৰ মৃত্যুত বিভিন্ন দল সংগঠনৰ লগতে ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে। জানিব পৰা মতে মধুমেহ আৰু উচ্চ ৰক্তচাপ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল ডেকা। ২০১৯ চনৰ ৩১ জানুৱাৰীত বেংক বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰা ডেকা বেজেৰাৰ শিক্ষানুষ্ঠানসমূহৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে জড়িত হৈ আছিল। হাইস্কুলীয়া জীৱন চেমনীয়াৰ সন্থাৰ অন্যতম জন্মদাতা চণ্ডীচৰণ ডেকা স্বেচ্ছাসেৱী সংস্থা প্ৰত্যুষৰ অন্যতম গুৰি ধৰোতা আছিল। বেজেৰা অন্যতম ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান উদয়ন শান্তি নিকেতনৰ সৈতে তিনিটা দশক ধৰি ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। পুৱ কামৰূপ সাহিত্য সভাৰ আজীৱন সদস্য, বেজেৰা আঞ্চলিক মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য, বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰো সদস্য আছিল তেওঁ। সাহিত্য চৰ্চাৰ জৰিয়তেও নিজৰ প্ৰতিভা দাঙি ধৰা চণ্ডীচৰণ ডেকাৰ অপ্ৰকাশিত প্ৰবন্ধ সমূহ অলপতে তেখেতৰ সতীৰ্থ বন্ধু সকলে নিজ বাসগৃহত গ্ৰন্থ আকাৰত লিখিত ৰূপ দি "চিন্তা এষণা" নামেৰে উন্মোচন কৰে। তেওঁৰ লেখনি সমূহ বিভিন্ন আলোচনীৰ লগতে স্মৃতি গ্ৰন্থ সমূহতো প্ৰকাশ পাইছিল। তেওঁৰ মৃত্যুত বৃহত্তৰ পুব কামৰূপ অঞ্চলৰ স্বেচ্ছাসেৱী সংগঠন প্ৰত্যুষ, বেজেৰা



কেন্দ্ৰীয় যুৱক সংঘ, বৌদ্ধিক সামাজিক গোষ্ঠী ৰামধেনু, উদয়ন শান্তি নিকেতন, বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাক্তন ছাত্ৰ সংস্থা, বেজেৰা আঞ্চলিক সাৰ্বজনীন দুৰ্গা পূজা, শালমাৰা আঞ্চলিক দুৰ্গা পূজা, পিঙ্গলেশ্বৰ দেৱালয় পৰিচালনা সমিতি, বেজেৰা আঞ্চলিক মহাবিদ্যালয় শিক্ষক শিক্ষয়িত্ৰী, পৰিচালনা সমিতি, বাইহাটা চাৰিআলি এমিতি একাডেমী, পুৱ কামৰূপ শতদল সাহিত্য সভা, বাইহাটা চাৰিআলি সাহিত্য সভাকে ধৰি বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰ- বোৱাৰী,কন্যা-জোৱাই সহ এখন বৃহৎ পৰিয়ালক ইহংসাৰত এৰি থৈ যায়।

# স্বামীৰ সৈতে কাজিয়া কৰি আত্মহত্যা পত্নীৰ

**ই-সংবাদ, গোলকগঞ্জ, ১ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত উত্তৰ ৰায়পুৰ প্ৰথম গাঁৱত আজি এগৰাকী নৱ বিবাহিতা মহিলাই স্বামীৰ লগত কাজিয়া কৰি চৰম সিদ্ধান্ত গ্ৰহণ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, চাপৰ থানাৰ টিলাপাৰাৰ জালাল আলীৰ মৃত্যুৰ পিছত কন্যা আৰ্জিনা বেগম মাতৃৰ লগত উত্তৰ ৰায়পুৰৰ মোমায়েকৰ ঘৰত থাকে। টিলাপাৰাত থকা সময়তে প্ৰেমত পৰে একে গাঁৱৰ হজৰত আলীৰ পুত্ৰ নুৰ ইছলামৰ লগত। ছয় মাহ পূৰ্বে নুৰ ইছলামে আৰ্জিনাক লৈ পলায়ন কৰে।শাহুৰ নিৰ্যাতন সহ্য কৰিব নোৱাৰি বোৱাৰীগৰাকী কেইবাৰো আত্মহত্যাৰ চেষ্টা চলায়। মহিলাগৰাকীয়ে চিপ লৈ চৰম সিদ্ধান্ত গ্ৰহণ কৰা বুলি অভিযোগ উত্থাপিত হৈছে।

# বৰমাত শিক্ষাব্ৰতী প্ৰয়াত শুক্লেশ্বৰ মেধিৰ আৱক্ষ মূৰ্তি উন্মোচন

**ই-সংবাদ, বৰমা, ১ মাৰ্চঃ** সত্যৰ মায়াত বন্দী জীৱনৰহে মহত্ত্ব থাকে। মহৎ মানুহক সমাজে সদায় স্মৰণ কৰে। ব্যক্তি মহান হ'বলৈ এটা সাধু কামেই যথেষ্ট। সেই মহানতাৰে তেওঁৰ জীৱন সমৃদ্ধ হয় আৰু সমাজৰ হৃদয় জয় কৰে।- যশস্বী নাট্যকাৰ, সাহিত্যিক ধ্ৰুৱজ্যোতি শৰ্মাই আজি বৰমাত এক গুৰুগম্ভীৰ পৰিৱেশত বিশিষ্ট শিক্ষাব্ৰতী, সাহিত্য সেৱক প্ৰয়াত শুক্লেশ্বৰ মেধিৰ আৱক্ষ মূৰ্তি উন্মোচন কৰি এইদৰে কয়। তেওঁ আকৌ কয় যে শুক্লেশ্বৰ মেধিৰ শান্ত সমাহিত আচৰণ, বিনম্ৰতা আৰু অগণিত প্ৰাণত জ্ঞানৰ সঞ্চাৰ কৰা সাধু কাৰ্যই পুণ্যাত্মাক আকৌ পুনৰ জীৱন দান দিলে। আৱেগমথিত আৱক্ষ মূৰ্তিৰ মাজেৰে তেওঁ পালে এক নতুন জীৱন। পিতৃৰ প্ৰতি তেওঁৰ পুত্ৰ-কন্যাৰ যি শ্ৰদ্ধা আৰু অনুৰাগ সেয়া অতুলনীয়। আজি এক নান্দনিক কৰ্ম যজ্ঞ সম্পাদন হ'ল যাক বাক্যৰে ব্যক্ত কৰিব নোৱাৰি বুলি তেওঁ বক্তব্য ৰাখে। বৰমা শাখা সাহিত্য সভাৰ সম্পাদক ভাৰত ৰাজবংশীয়ে আঁত ধৰা আৱক্ষ মূৰ্তি উন্মোচনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে শুক্লেশ্বৰ মেধিৰ পত্নী ভাৰতী মেধিয়ে। মদাহি জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক নিৰঞ্জন মদাহিয়ে মাল্যাৰ্পণ কৰি শুক্লেশ্বৰ মেধিয়ে মদাহি জনগোষ্ঠীৰ বাবে কৰি যোৱা কামৰ ওপৰত বক্তব্য ৰাখে। আৱক্ষ মূৰ্তিত স্মৃতি তৰ্পণ কৰি নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক নৰেশ্বৰ কলিতাই অসম আন্দোলনৰ সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ হৈ কৰি যোৱা কামৰ শলাগ লয়। উন্মোচনী সভাত সদৌ অসম মদাহি জনজাতি সন্মিলনৰ সাধাৰণ সম্পাদক বিজয় মদাহিয়ে অতিথি হিচাপে উপস্থিত থাকি মদাহি জনগোষ্ঠীৰ উত্তৰণৰ ক্ষেত্ৰত শুক্লেশ্বৰ মেধিৰ নাম চিৰস্মৰণীয় হৈ ৰ'ব বুলি বক্তব্য ৰাখে। সভাত নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পংকজ বেজবৰুৱাই পিতৃৰ প্ৰতি পুত্ৰ-কন্যাৰ স্নেহ কিমান গভীৰ হ'লে এনে মহৎ কাম কৰিব পাৰে বুলি দোহাৰি তেওঁলোকৰ মহৎ কামৰ শলাগ লয়। শুক্লেশ্বৰ মেধিৰ কাব্যিকতা, সাহিত্য কৰ্ম, শিক্ষকতা সম্পৰ্কে বক্তব্য ৰাখে বাস্কা প্ৰেছ ক্লাবৰ উপদেষ্টা দিলীপ কুমাৰ হালৈ, বৰমা লেখিকা সমাৰোহৰ সভানেত্ৰী ৰঞ্জনা তালুকদাৰ আৰু বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ অনুপমা দেৱীয়ে। সভাত বিটিচিৰ প্ৰাক্তন ই এম অনচুমৈ খুংগুৰ বড়োৰ লগতে বৰমাৰ স্থানীয় সংগঠনৰ কৰ্মী আৰু গুণমুগ্ধ উপস্থিত থাকে।

## ৰাণীত অনলাইন ট্ৰেডিঙৰ নামত সাধাৰণ ৰাইজক লুণ্ঠন

**ই-সংবাদ, মিৰ্জা, ১ মাৰ্চঃ** গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী দাঁতিকাষৰীয়া দক্ষিণ কামৰূপৰ ৰাণীত সংঘটিত হৈছে অনলাইন ট্ৰেডিঙৰ নামত প্ৰৱঞ্চনাৰ ঘটনা। দক্ষিণ কামৰূপত শেহতীয়াকৈ ফাদিল হোৱা টাইটান কেপিটেল নামৰ অনলাইন ট্ৰেডিং কোম্পানীৰ প্ৰৱঞ্চনাৰ ঘটনা আৰু উপৰহালীৰ ৰিল ইণ্ডিয়া নামৰ অনলাইন মাৰ্কেটিং কোম্পানীৰ কেলেংকাৰীৰ ঘটনা মাৰ নৌযাওঁতেই, এইবাৰ দক্ষিণ কামৰূপৰ ৰাণীত অনলাইন ট্ৰেডিঙৰ প্ৰৱঞ্চনাৰ জাল ফাদিল হৈছে। বহিৰাগত অনলাইন মাৰ্কেটিং আৰু ট্ৰেডিং কোম্পানীসমূহৰ ৰম্যভূমিহে যেন দক্ষিণ কামৰূপৰ অঞ্চল। কোম্পানীসমূহৰ টাৰ্গেট সহজ-সৰল দুখীয়া মানুহৰ পৰা সহজলভ্য টকা ঘটাৰ প্ৰলোভনৰে লুণ্ঠন চলোৱা। বৰ্তমানলৈকে দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলত অনলাইন মাৰ্কেটিং আৰু ট্ৰেডিঙৰ নামত জনসাধাৰণক ৰাম ঠগন দিয়া হৈছে। মহানগৰীৰ সমীপৱৰ্তী ৰাণীত ট্ৰেডিঙৰ সৈতে জড়িত চিন্ময় দাসৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে ভুক্তভোগীয়ে। ৰাণী অঞ্চলৰ স্থানীয় যুৱক অসম দাসে ৰাণী আৰক্ষী চকীত দাখিল কৰে এজাহাৰ। লগে লগে চিন্ময় দাস নামৰ যুৱকক আটক কৰে ৰাণী আৰক্ষীয়ে। চিন্ময়ৰ বিৰুদ্ধে প্ৰায় ৫০ কোটি টকা ট্ৰেডিঙৰ নামত বহু লোকৰ পৰা সংগ্ৰহ কৰাৰ অভিযোগ ভুক্তভোগীৰ। উল্লেখ্য যে চিন্ময় দাসৰ অহা ৬ মাৰ্চত বিয়াৰ দিন আছিল। যোৱা নিশা আটক হোৱা চিন্ময় দাসক সম্প্ৰতি পলাশবাৰী আৰক্ষী চকীৰ সহযোগত জে'ললৈ প্ৰেৰণ কৰা হয়।



**অনলাইন ট্ৰেডিঙৰ নামত সৰ্বসাধাৰণ হাৰাশাস্তি কৰি অহা চিন্ময়**

# চেঙাৰ বাঘমাৰাত বিধ্বস্ত পকী পথ, ভঙা কালভাৰ্ট মেৰামতিৰ দাবী

**ই-সংবাদ, শিমলীতোলা, ১ মাৰ্চঃ** বৰপেটা জিলাৰ পূৰ্বৰ বাঘবৰ সমষ্টি আৰু বৰ্তমানৰ চেঙা সমষ্টিৰ এলেকাধীন বিভিন্ন প্ৰান্তত পকী পথ নিৰ্মাণৰ নামত ঠিকাদাৰ আৰু নিৰ্মাণ প্ৰতিষ্ঠানসমূহে ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত কৰাৰ পিছতো লোকনিৰ্মাণ বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিৱৰ্তে এনে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰক সহযোগ কৰাৰ বাবেই সম্প্ৰতি প্ৰতিটো এনে পকী পথ বিধ্বস্ত হৈ পৰিছে। সাধাৰণতে চৰাঞ্চলত বৰপেটা জিলা লোক নিৰ্মাণ বিভাগৰ কোনো উচ্চ পৰ্যায়ৰ বিষয়া পৰ্যবেক্ষণ কৰিবলৈ নহাৰ ফলত একমাত্ৰ কনিষ্ঠ অভিযন্তা তাইজুদ্দিনে সকলো কাম চোৰা-চিতা কৰাৰ ফলত উঠি ৰজা বহি ৰজাত পৰিণত হৈছে। প্ৰভাৱশালী ৰাজনৈতিক নেতাৰ আশীৰ্বাদ পুষ্ট কনিষ্ঠ অভিযন্তাজনে দীৰ্ঘদিন ধৰি বৰপেটাত কৰ্মৰত হৈ থকাৰ ফলত প্ৰবল আত্মবিশ্বাসী আৰু সাহসী হৈ পৰিছে যাৰ ফলত কাৰো কোনো অভিযোগ বা অনুৰোধক ভ্ৰুক্ষেপ নকৰাকৈ নিজ ইচ্ছাৰে দুৰ্নীতিগ্ৰস্থ ঠিকাদাৰসকলৰে মিলি এনে দুৰ্নীতি-অনিয়ম সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী ৰাইজে। সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদে গুৰুত্ব নিদিয়াৰ ফলত একাংশ দুৰ্নীতিগ্ৰস্থ ঠিকাদাৰে তাৰ সুবিধা লৈ এনে দুৰ্নীতি কৰিবলৈ সাহস কৰিছে বুলি দাবী কৰিছে সচেতন মহলে। শেহতীয়াকৈ সমষ্টিটোৰ ১ নং বাঘমাৰা চৰৰ পৰা ধাৰাবাশ্যা হৈ নায়েৰচৰ সংযোগী প্ৰায় ৩.৯ কিল'মিটাৰ পকী পথটো নিৰ্মাণৰ কিছু দিন পিছতেই শোচনীয় হৈ পৰাত যাতায়াতৰ নামত চৰম হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছে ৰাইজে। প্ৰায় ৩ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা পকী পথটো নিৰ্মাণৰ দায়িত্ব বিভাগীয়ভাৱে লাভ কৰিছিল ঠিকাদাৰ ৰফিজুল হকে। পথছোৱা নিৰ্মাণৰ এমাহৰ পিছতে বিধ্বস্ত হৈ পৰাৰ লগতে পথছোৱাত থকা এটা আৰু চি চি কালভাৰ্ট ঠিকাদাৰগৰাকীয়ে অতি নিম্নমানেৰে নিৰ্মাণ কৰাৰ বাবেই বানত উটি যোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় একাংশ লোকে। পথটোৰ 'ছাইড



বাম' ভালদৰে নিৰ্মাণ নকৰাৰ বাবেই সামান্য বৰষুণতে ৰেইনকাট হৈ পকী পথটোৰ বিভিন্ন অংশ খহি পৰি সুৰংগ ওলোৱাৰ পিছতো মেৰামতি নকৰাৰ ফলত পথটোত একাধিকবাৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ কথা ব্যক্ত কৰিছে স্থানীয় লোকে। জানিব পৰা মতে, পকী পথটো ২০২০ বৰ্ষৰ পৰা ২০২৫ বৰ্ষলৈ ঠিকাদাৰে মেইনটেইনেন্স কৰিব লাগে যদিও পকী পথটোৰ কোনো মেৰামতি আজিলৈ নকৰাৰ ফলত দুৰ্যোগ ভুগিবলগীয়া হৈছে স্থানীয় ৰাইজ। ইপিনে, বাঘমাৰা চৰলৈ যোৱা পথৰ সংযোগ স্থলীত নিৰ্মাণ কৰা আৰ চি চি কালভাৰ্টটো বানে খহাই নিয়াত যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰাৰ পিছতো লোকনিৰ্মাণ বিভাগৰ লগতে কামৰ দায়িত্ব লাভ কৰা বিতৰ্কিত ঠিকাদাৰ ৰফিজুল হকে কালভাৰ্টটো আজিলৈকে পুনঃনিৰ্মাণ নকৰাত ৰাইজে নিজ গাঁঠিৰ ধনেৰে কোনো মতে পাৰ হোৱাৰ ব্যৱস্থা কৰিছে যদিও প্ৰতিদিনে যথেষ্ট সংখ্যক স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়কে বিপদসংকুলভাৱে পাৰ হোৱাত দুৰ্ঘটনাৰ আকাংক্ষা ব্যক্ত কৰিছে ৰাইজে। লোকনিৰ্মাণ বিভাগৰ লগতে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ ৰফিজুল হকৰ এনে অৱহেলাৰ বিৰুদ্ধে ক্ষোভ ব্যক্ত কৰি অঞ্চলবাসীয়ে কয় যে বিধ্বস্ত পকী পথছোৱা মেৰামতি কৰাৰ লগতে আজি পৰ্যন্ত মেইনটেইনেন্স নকৰা সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি পথৰ সংযোগ স্থলীত নিৰ্মাণৰ পিছতেই ভাঙি যোৱা কালভাৰ্টৰ ঠাইত আৰ চি চি কালভাৰ্টটো পুনৰ মেৰামতি বা দলং নিৰ্মাণৰ দাবী জনোৱাৰ লগতে ঠিকাদাৰ ৰফিজুল ৰফিজুল হকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে বিধায়ক শ্বেৰমান আলী আহমেদ, জিলা আয়ুক্তৰ লগতে বিভাগীয় মন্ত্ৰীক দাবী জনাইছে।

# গোলকগঞ্জৰ হত্যাকাণ্ডত জড়িত চাৰিজনক জে'ললৈ প্ৰেৰণ

**ই-সংবাদ, গোলকগঞ্জ, ১ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড আমতলাত ২০ ফেব্ৰুৱাৰীৰ নিশা চোৰৰ সন্দেহত নিৰ্মম মাৰপিট কৰি হত্যা কৰা ঘটনাত জড়িত আটকাধীন চাৰিও অভিযুক্তক আজি আৰক্ষীয়ে জে'ললৈ প্ৰেৰণ কৰে। জানিব পৰা মতে, বিষখোৱা পঞ্চম খণ্ড লাউখোৱাকুটীৰ জগদীশ চন্দ্ৰ বৰ্মনক সিদিনা নিশা গাঁওখনত একাংশ লোকে চোৰৰ সন্দেহত নিৰ্মম আক্ৰমণ চলায়। মৃতপ্ৰায় অৱস্থাত জগদীশ চন্দ্ৰ বৰ্মনক ৰাইজে উদ্ধাৰ কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে যদিও লোকজনৰ মৃত্যু হয়। ২৪ ফেব্ৰুৱাৰীৰ নিশা জগদীশৰ মৃত্যুক কেন্দ্ৰ কৰি গোলকগঞ্জত তীব্ৰ উত্তেজনাৰ



সৃষ্টি হয়। গোলকগঞ্জ আৰক্ষীয়ে হত্যাকাণ্ডত জড়িত গাঁওখনৰ ছফৰুদ্দিন সেখ(৫৯), আমিনুৰ সেখ(২৭), জমছেৰ আলী(৩৪) আৰু নুৰ ইছলাম ওৰফে গেদাক(৩৩) আটক কৰে। চাৰিওকে আদালতত হাজিৰ কৰি আৰক্ষীয়ে জিম্মাত লৈ তদন্ত সম্পূৰ্ণ কৰে। আজি চাৰিওকে পুনৰ আদালতত হাজিৰ কৰি জে'ললৈ প্ৰেৰণ কৰে। ইপিনে, এই হত্যাকাণ্ডত জড়িত বুলি ব্লেকমেইলিং চলাইছে এটা বিশেষ সম্প্ৰদায়ৰ সংগঠনৰ নেতাই। গাঁওখনৰ বিভিন্নজনৰ লগত যোগাযোগ কৰি হত্যাকাণ্ডত জড়িত বুলি আৰক্ষীৰ তালিকাত নাম থকাৰ ভয়-ভাবুকি প্ৰদান কৰি আছে বিশেষ সম্প্ৰদায়ৰ সংগঠনৰ নেতাই। আৰক্ষীৰ তালিকাৰ পৰা নাম কৰ্তন কৰাৰ কথা কৈ গাঁওখনৰ বিভিন্নজনৰ পৰা ধন দাবী কৰাৰ অভিযোগ উত্থাপিত হৈছে বিশেষ সম্প্ৰদায়ৰ সংগঠনৰ নেতাৰ বিৰুদ্ধে। বিশেষ সম্প্ৰদায়ৰ নেতা কেইজনে গাঁওখনৰ ধনী প্ৰভাৱশালী ব্যক্তিক লক্ষ্য হিচাপে বাছি লৈছে।

# তামুলপুৰৰ কচুবাৰীত ৫২৫সংখ্যক গৰখীয়া সবাহ মহোৎসৱৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, তামুলপুৰ, ১ মাৰ্চঃ** তামুলপুৰ জিলাৰ কচুবাৰীত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰৰ ৫২৫ বৰ্ষীয় গৰখীয়া সবাহ এইবেলি ৯ মাৰ্চৰ পৰা ১৩ মাৰ্চলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ উদযাপন কৰিবলৈ পূৰ্ণ প্ৰস্তুতি চলোৱা হৈছে। উদযাপন সমিতিৰ সভাপতি সুৰেন ৰাভা আৰু সম্পাদক প্ৰভাত শৰণীয়াই জনোৱা মতে, ৯ মাৰ্চৰ পুৱা ৮.৪৫ বজাত ধৰ্মধ্বজা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰিব মহাপ্ৰভু থান সত্ৰ পৰিচালনা সমিতিৰ সভাপতি সুৰেন ৰাভাই। ৯.০০ বজাত মুখ্যদ্বাৰ উন্মোচন। উন্মোচন কৰিব তামুলপুৰ পৌৰসভাৰ অধ্যক্ষ বাণীকান্ত বসুমতাৰীয়ে। ৯.২০ বজাত মন্দিৰৰ দ্বাৰ উন্মোচন আৰু বন্তি প্ৰজ্বলন। উন্মোচন আৰু প্ৰজ্বলন কৰিব তামুলপুৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে। ১০.০০ বজাত স্বেচ্ছাসেৱকৰ কাৰ্যালয় উদ্বোধন। উদ্বোধন কৰিব তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক টেক বাহাদুৰ ছেত্ৰীয়ে। ১০.২০ বজাত মহাপ্ৰভু থান সত্ৰৰ কেলেণ্ডাৰ উন্মোচন। উন্মোচন কৰিব যুৱ সাহিত্য একাডেমী বটা প্ৰাপক দ্বিজেন কুমাৰ দাসে। ১০.৪০ বজাত স্মৃতি তৰ্পণ অনুষ্ঠান। তৰ্পণ কৰিব মহাপ্ৰভু থান সত্ৰৰ প্ৰাক্তন সভাপতি কামেশ্বৰ দাসে। ১১.৩০ বজাত ভোজনালয় দ্বাৰ মুকলি। মুকলি কৰিব তামুলপুৰৰ সমাজকৰ্মী দেবেন দাসে। দুপৰীয়া ১২.০০ বজাত বাণিজ্য মেলাৰ দ্বাৰ উন্মোচন। উন্মোচন কৰিব খাটৰবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষক ৰত্নেশ্বৰ বড়োই। ১২.৩০ বজাত ৰভামঞ্চ উদ্বোধন। উদ্বোধন কৰিব গয়বাৰী পৰিষদীয় সমষ্টি ইউপিপিএল ৰ সাধাৰণ সম্পাদক কবিন চন্দ্ৰ বসুমতাৰীয়ে। ৬.০০ বজাত মহাপ্ৰভু শ্ৰীশ্ৰী গোপালৰ থাপনা স্থাপন। ৬.২০ বজাত সমূহীয়া বন্তি প্ৰজ্বলন। মুখ্য প্ৰজ্বলনকাৰী তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পুৰন্দৰ বড়ো। ৬.৩০ বজাত পূজা আৰম্ভ, আৰতি আৰু নাম কীৰ্তন। সন্ধিয়া ৭.০০ বজাত ওজাপালিৰ বন্দনা। ৭.২০ বজাত একক নৃত্য প্ৰতিযোগিতা। মঞ্চ উদ্বোধন কৰিব কালাকুছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পতি বৰাই। নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব খাটৰবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰবেন ৰাভাই। মঞ্চ অতিথি হিচাপে থাকিব বৰবেলবাৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহঃ শিক্ষক ৰূপনাথ বড়ো, কচুবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বনজিৎ কুমাৰ গায়ন, আই চি বি আৰ পি, তামুলপুৰ দেবেশ্বৰ ৰাভা, খাটৰবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহঃ শিক্ষক আনন্দ বড়োই। ১০ মাৰ্চৰ পুৱা ৭.০০ বজাত পৰিৱেশ নিকাকৰন। ৮.০০ বজাত নাগাৰা নাম প্ৰদৰ্শন। পাঠক তামুলপুৰ বতিয়ামাৰীৰ জিতু কলিতা আৰু গান্ধীবাৰীৰ হৰজোতি ঠাকুৰীয়া। নামৰ দাতাদ্বয় ৰত্নেশ্বৰ বড়ো আৰু অমিলা দাস। উদ্বোধন কৰিব বৰবেলবাৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহঃ শিক্ষক প্ৰকৃতিশ পাটগিৰিয়ে। ১০.০০ বজাত মহাপ্ৰভু শ্ৰীশ্ৰী গোপালৰ হোম যজ্ঞ আৰু নাম কীৰ্তন। ১১.০০ বজাত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনাৰ লগতে বিশেষ সম্বৰ্ধনা অনুষ্ঠান। সভাপতিত্ব কৰিব মহাপ্ৰভু থান সত্ৰ পৰিচালনা সমিতিৰ সভাপতি সুৰেন ৰাভাই। উদ্বোধন কৰিব বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই। মুখ্য অতিথি হিচাপে থাকিব অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী, নিৰ্দিষ্ট বক্তা তামুলপুৰ বিধায়ক জলেন দৈমাৰী, বিশিষ্ট অতিথিসকল হ'ল ৪ নং দৰং ওদালগুৰিৰ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, বিটিআৰৰ পাৰিষদ বিজিত গৌৰা নাৰ্জাৰী, মনোনীত পাৰিষদ হেমন্ত কুমাৰ ৰাভা। সন্মানীয় অতিথি হিচাপে থাকিব তামুলপুৰ জিলাৰ আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী, তামুলপুৰৰ ৰাজহ চক্ৰ বিষয়া এলিনা কাণ্ডুলনা, তামুলপুৰৰ খণ্ড উন্নয়ন বিষয়া দেৱ কুমাৰ বসুমতাৰী, বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেবেন বড়ো, তামুলপুৰৰ প্ৰাক্তন বিধায়ক চণ্ডী বসুমতাৰী আৰু তামুলপুৰৰ সমাজকৰ্মী সোমনাথ বসুমতাৰী। বিশেষ সম্বৰ্ধিত ব্যক্তি কলবাৰীৰ অনিল বড়ো। দুপৰীয়া ১২.০০ বজাত নিৰ্মালি আৰু প্ৰসাদ বিতৰণ। আবেলি ২.০০ ওজাপালি আৰু ঢুলীয়া প্ৰদৰ্শন। সন্ধিয়া ৬.০০ বজাত মহাপ্ৰভু শ্ৰীশ্ৰী জগন্নাথৰ থাপনা স্থাপন, পূজা আৰম্ভ, আৰতি আৰু নাম কীৰ্তন। ৬.৩০ বজাত সমূহীয়া বন্তি প্ৰজ্বলন। মুখ্য প্ৰজ্বলনকাৰী বৰবালিশিহা আঞ্চলিক মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰবিৰাম ৰাভা। ৭.৩০ বজাত স্বৰ্গীয় ভূমিধৰ গায়ন সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া। দাতা হৈছে তামুলপুৰৰ জোতিষ গায়ন। শিল্পীদ্বয় কামেশ্বৰ বড়ো আৰু জোনালী স্বৰ্গীয়াৰী। উদ্বোধন কৰিব তামুলপুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক গৌতম মেধীয়ে। মঞ্চ অতিথিসকল তামুলপুৰ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক মদন কলিতা, কুমাৰীকাটা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক দেবৰাজ দাস, তামুপলপুৰ সমাজকৰ্মী লভিৰাম ৰাভা। ১১ মাৰ্চৰ পুৱা ৭.০০ বজাত পৰিৱেশ নিকাকৰণ। ৮.০০ বজাত নাগাৰা নাম প্ৰদৰ্শন। পাঠিকাদ্বয় দৰঙৰ ধনশ্ৰী চহৰীয়া আৰু ঢেকিপোটাৰ কৰবী লহকৰ। দাতাদ্বয় ক্ৰমে জোকমাৰীৰ সোণেশ্বৰ বৈশ্য আৰু ৰামেচুবুৰীৰ তৃষ্ণা শৰণীয়া। উদ্বোধন কৰিব গয়বাৰী যুৱ বিপিএফৰ সভাপতি মুকুট নাৰ্জাৰীয়ে। ১০.০০ বজাত মহাপ্ৰভু শ্ৰী শ্ৰী জগন্নাথৰ হোম-যজ্ঞ আৰু নাম কীৰ্তন। দুপৰীয়া ১২.০০ বজাত নিৰ্মালি আৰু প্ৰসাদ বিতৰণ। আবেলি ২.০০ বজাত ওজাপালি আৰু ঢুলিয়া প্ৰদৰ্শন। সন্ধিয়া ৬.২০ সমূহীয়া বন্তি প্ৰজ্বলন। মুখ্য প্ৰজ্বলনকাৰী আফা নাৰ্চাৰীৰ স্বত্বাধিকাৰী মিলন বড়ো। ৬.৩০ বজাত পূজা আৰম্ভ, আৰতি আৰু নাম কীৰ্তন। ৭.০০ বজাত বাৰেৰহনীয়া সাংস্কৃতিক সন্ধিয়া। উদ্বোধন কৰিব আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ, বজৰংগ দলৰ ৰাজ্যিক সম্পাদক দয়াল দাসে। মঞ্চ অতিথি হিচাপে থাকিব তামুলপুৰৰ যুৱ ব্যৱসায়ী বিষ্ণু উজিৰ, সোণেশ্বৰ বড়ো আৰু স্বপন সিনহা। ১২ মাৰ্চৰ পুৱা ৭.০০ পৰিৱেশ নিকাকৰণ। ৮.০০ বজাত নাগাৰা নাম প্ৰদৰ্শন। পাঠকদ্বয় নিজ ডেফেলীৰ দীপক দাস আৰু কালাকুছিৰ ভূপেন দাস। নামৰ দাতাদ্বয় বাকচাৰ জংকী দাস আৰু উলুবাৰীৰ দেবেন দাস। মঞ্চ অতিথি হিচাপে থাকিব তামুলপুৰ পৌৰসভাৰ অভিযন্তা অক্ষুমা বসুমতাৰী আৰু গয়বাৰী মণ্ডল বিজেপিৰ সভাপতি ভৃগু ডেকা। উল্লেখ্য যে প্ৰতিদিনৰ কাৰ্যসূচীতে পৰিৱেশ নিকাকৰণ আৰু নাগাৰা নামৰ আয়োজন কৰা হৈছে।

# উত্তৰ ৰায়পুৰ ৰঘুনাথ জনসেৱী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক ব্যৱহাৰিক শিক্ষা প্ৰদান

**ই-সংবাদ, গোলকগঞ্জ, ১ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত উত্তৰ ৰায়পুৰ ৰঘুনাথ জনসেৱী প্ৰাথমিক বিদ্যালয়ত আজি ছাত্ৰ-ছাত্ৰীসকলে এখন সমূহীয়া বজাৰৰ আয়োজন কৰে। এই ঘটনাই অঞ্চলটোত ব্যাপক চৰ্চা লাভ কৰিছে। জানিব পৰা মতে, ছাত্ৰ-ছাত্ৰীসকলে আজি নিয়মীয়া সময়তকৈ সোনকালে বিদ্যালয়লৈ আহে। বিদ্যালয়লৈ অহাৰ সময়ত কিতাপ বহীৰ লগতে মোনা ভৰাই লৈ আহে বিভিন্ন শাক-পাচলি। ঘৰতে উৎপাদন হোৱা লাই, লফা, ধনীয়া, খুতুৰা, মৰিচা, ভতুৰা, কলডিল, নেমু, অমিতা, জাতিলাউ, ৰঙালাউ, লেছেৰা, বীন, চজিনা, বিলাহী, কবি, বেঙেনা আদি লৈ আহি বিদ্যালয়ৰ খেলপথাৰত অস্থায়ী বজাৰ বহায়। বৰ্তমান সময়ত বজাৰত জৈৱিক শাক-পাচলি পোৱা কঠিন হৈ পৰিছে। সুলভ মূল্যত জৈৱিক পদ্ধতিত উৎপাদন কৰা শাক-পাচলি হাতৰ কাষত পাই শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ওচৰ-চুবুৰীয়াৰ মাজত উথপথপ পৰিৱেশৰ সৃষ্টি হয়। নিমিষতেই বজাৰৰ সকলো সামগ্ৰী বিক্ৰী হৈ যায়। নতুন অভিজ্ঞতাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজতো এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। বজাৰ, বজাৰত বস্তু সামগ্ৰীৰ দাম, কিনা-বেচাৰ পদ্ধতি আৰু টকা পইচাৰ হিচাপ-নিকাচ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক ব্যৱহাৰিক জ্ঞান প্ৰদানৰ উদ্দেশ্যে বজাৰৰ আয়োজন কৰা বুলি শিক্ষকে জানিবলৈ দিয়ে।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফাইজুদ্দিন আহমেদক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, দুমুনিচকী, ১ মাৰ্চঃ** ছিপাঝাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত বৰোৰপাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ফাইজুদ্দিন আহমেদক আজি বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক ফাইজুদ্দিন আহমেদে ২৮ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰে। আজি বিদ্যলয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজে গামোচা, শৰাই, সম্বৰ্ধনা পত্ৰ আৰু পুথিৰে শিক্ষকগৰাকীৰ বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। দিনৰ ১২ বজাৰ পৰা আৰম্ভ হোৱা সভাখনত সভাপতিত্ব কৰে গণেশকুৰৱী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মতিউৰ ৰহমানে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশন কৰা সমবেত গীতৰে আৰম্ভ হোৱা সভাখনত বিদায়ী শিক্ষক আহমেদৰ জীৱন আৰু কৃতিৰ আলোকপাত কৰে ক্ৰমে বিষ্ণুপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মোহন নাথ, শিক্ষক গোবিন্দ শইকীয়া, শিক্ষক, সাহিত্যিক এম হাফিজ আলী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ওৱাজিদ আলী, অৱসৰপ্ৰাপ্ত শিক্ষক কুদ্দ আলী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফণীধৰ কলিতা, ছিপাঝাৰ খণ্ডৰ গাণনিক দণ্ডেশ্বৰ নাথ আদিয়ে। শতাধিক শিক্ষক-শিক্ষয়ত্ৰী, অভিভাৱক উপস্থিত থকা সভাখনত বিদায়ী শিক্ষক ফাইজুদ্দিন আহমেদে ২৯ বছৰীয়া শিক্ষকতা জীৱনৰ বিভিন্ন ঘটনা আৰু স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে।



বিজেপিৰ বশিষ্ঠস্থিত মুখ্য কাৰ্যালয়ত বিশেষ সাংগঠনিক কৰ্মশালা, শনিবাৰে

# সৰুপথাৰত বিশেষ শৈক্ষিক অভিৱৰ্তন বিভিন্ন দাবী সম্বলিত পত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ

**ই-সংবাদ, সৰুপথাৰ, ১ মাৰ্চঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত সৰুপথাৰস্থ ধনশিৰি জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ পদুমণিত থকা কাৰ্যালয়ত আজি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ আহ্বানত ধনশিৰি জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিৰ উপস্থিতিত এক 'বিশেষ শৈক্ষিক অভিৱৰ্তন' অনুষ্ঠিত হয়। ধনশিৰি জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ডিম্বেশ্বৰ চেতীয়াৰ সভাপতিত্বত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দিগন্ত বৰাই। সভাত ৰাজহুৱা প্ৰাথমিক শিক্ষাৰ চৰকাৰী প্ৰচাৰ আৰু বাস্তৱতাৰ পৰ্যালোচনা কৰা হয়। চৰকাৰী বিদ্যালয়সমূহৰ বিভিন্ন সমস্যা আৰু চৰকাৰৰ বিভিন্ন নীতিৰ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ সংখ্যা কম হোৱাৰ উপৰি বিদ্যালয়সমূহৰ বিভিন্ন সমস্যা আৰু এজনীয়া শিক্ষকৰ দ্বাৰা বিদ্যালয় চলোৱা সম্পৰ্কতো সভাত পৰ্যালোচনা কৰা হয়। ২০১৮ চনৰে পৰা বিভিন্ন বিদ্যালয়ৰ সমস্যাসমূহ সমাধানৰ বাবে সংগঠনটোৱে আন্দোলন কৰি আহিছে যদিও কোনো সুফল লাভ নকৰা বিষয়টোৱেও আলোচনাত স্থান পায়। আজিৰ বিশেষ শৈক্ষিক অভিৱৰ্তনত গৃহীত ছয় দফীয়া এক দাবী সম্বলিত এখনি পত্ৰও ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হয়। পত্ৰখনত উল্লেখ থকা মূল দাবীসমূহ হৈছে - ২০২৩ চনৰ অসম কেবিনেটৰ সিদ্ধান্ত অনুসৰি প্ৰতিখন প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ অতি শীঘ্ৰে সৃষ্টি কৰা, আগন্তুক শিক্ষা বৰ্ষ শিক্ষকসকলক ডাটা অপাৰেটৰ সজোৱাৰ পৰা বিৰত থকাৰ লগতে বিভিন্ন পাঠ্যক্ৰম




বহিৰ্ভূত কামত লগোৱাৰ পৰা বিৰত থকা, ইতিমধ্যে কৰ্তন কৰা গ্ৰেড পে ঘূৰাই দিয়া, ঠিকাভিত্তিক শিক্ষকসকলৰ পদ নিয়মীয়া কৰা আৰু নিয়মীয়া কৰাসকলক বিভিন্ন সুবিধা প্ৰদান কৰা, ছাত্ৰ-ছাত্ৰীক অভ্যাসন আৰু মূল্যায়ন বহী পুনৰ যোগান ধৰা আৰু মুখ্যমন্ত্ৰী বিশেষ জলপানি পুনৰ প্ৰৱৰ্তন কৰা, ন্যায়ালয়ৰ নিৰ্দেশনা মতে টিউটৰসকলক 'সম কামৰ বাবে সম দৰমহা' প্ৰদানৰ ব্যৱস্থা কৰা আদি প্ৰধান। সভাত শিক্ষাবিদ নৰেন চুতীয়া ধনশিৰি জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সভাপতি দুলাল পাটৰ আৰু সম্পাদক তপন শৰ্মা, ৰাজীৱ লোচন সন্দিকৈ, অসম ৰাজ্যিক প্ৰাথমিক সন্মিলনীৰ ৰাজ্যিক সদস্য মণ্টু শইকীয়া, ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিত শইকীয়া, ধনশিৰি মহকুমা ছাত্ৰ সন্থাৰ সম্পাদক উপস্থিত থাকে।

# দৰঙৰ জিলা প্ৰশাসনীয় বিষয়া বক্তাৰ আলীৰ অৱসৰ গ্ৰহণ

**ই-সংবাদ, মঙলদৈ, ১ মাৰ্চঃ** দৰং জিলা প্ৰশাসনৰ দক্ষ আৰু নিকা প্ৰশাসনীয় বিষয়া হিচাপে বিশেষভাৱে পৰিচিত বক্তাৰ আলীয়ে সুদীৰ্ঘ প্ৰায় ৪০ বছৰে চৰকাৰী কৰ্মচাৰী-বিষয়া হিচাপে সেৱা আগবঢ়াই শুকুৰবাৰে অৱসৰ গ্ৰহণ কৰে। অৱসৰ উপলক্ষে জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিৰ পৌৰোহিত্যত কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সভাত তেওঁক প্ৰশাসনৰ সকলো বিষয়া-কৰ্মচাৰীৰ হৈ জিলা আয়ুক্ত পৰাগ কাকতি, অতিৰিক্ত আয়ুক্ত মানস শইকীয়া, গোপাল শৰ্মা আৰু নাজিৰ নিটুল বড়োয়ে গামোচা, শৰাই, জাপি, ভ্ৰমণৰ বাবে এটা ট্ৰলিকে ধৰি বিভিন্ন উপহাৰ সামগ্ৰীৰে বিদায় সম্ভাষণ জনায়। দুই শতাধিক বিষয়া-কৰ্মচাৰী, সামাজিক সংগঠনৰ নেতৃবৃন্দৰ উপস্থিতিত জিলা আয়ুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে ভাষণ প্ৰসংগত অৱসৰপ্ৰাপ্ত বিষয়া বক্তাৰ আলীৰ দক্ষতা আৰু কৰ্মস্পৃহাৰ বিষয়ে দোহাৰি তেওঁৰ অভিভাৱকত্ব আৰু দিহা পৰামৰ্শত কিদৰে উপকৃত হৈছিল সেই বিষয়ে দোহাৰি আৱেগিক হৈ পৰে। অনুষ্ঠানত জিলা প্ৰশাসনৰ উপৰি বিদায়ী বক্তাৰ আলীক গৰুখুটি প্ৰকল্পৰ বিষয়া-কৰ্মচাৰী, জিলা এন এইচ এম, গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদকে ধৰি বিভিন্ন সংগঠন আৰু বিশিষ্ট ব্যক্তিয়ে বিদায় সম্ভাষণ জ্ঞাপন কৰে। সভাত জিলা প্ৰশাসনৰ অৱসৰপ্ৰাপ্ত ৰাজহ চিৰস্তাদাৰ হৰেশ্বৰ শৰ্মা, সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ মুখ্য উপদেষ্টা তথা দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ চহিৰ ভূঞা প্ৰমুখ্যে বক্তাসকলে ভাষণ দি বক্তাৰ আলীৰ কৰ্ম জীৱনৰ কৰ্তব্য পৰাণয়তা, নিষ্ঠা আৰু সততাৰ বাবে তেওঁক ভূয়সী প্ৰশংসা কৰে। লগতে আলীয়ে সতীৰ্থ বিষয়া-কৰ্মচাৰীসকলক বিভিন্ন দিহা পৰামৰ্শ দি নিজ নিজ কৰ্তব্য পালনত কৰা সহায়ৰ বাবে তেওঁ সকলোৰে প্ৰিয়ভাজন আৰু শ্ৰদ্ধাৰ পাত্ৰত কিদৰে পৰিণত হৈ পৰিছিল সেই বিষয়ে আলোকপাত কৰে। জিলা আয়ুক্তগৰাকীয়ে বক্তাৰ আলীৰ অপৰিসীম কৰ্মনিষ্ঠা, অফুৰন্ত দক্ষতা আৰু সমস্যা সমাধানৰ ওপৰত থকা অগাধ পাৰদৰ্শিতাৰ বিষয়ে উল্লেখ কৰি কাৰ্যালয়ৰ গুৰুত্বপূৰ্ণ কামসমূহৰ বাবে তেওঁ যে অদ্বিতীয়, অপৰিহাৰ্য কেন্দ্ৰ হৈ আহিছে সেই বিষয়ে উল্লেখ কৰি বিদায়ী বক্তাৰ আলীৰ ভূয়সী প্ৰশংসা কৰে আৰু অনাগত দিনতো তেওঁৰ সহযোগিতা কামনা কৰে। বিদায় সম্বৰ্ধনা গ্ৰহণ কৰি দিয়া ভাষণত আলিয়ে কয়, 'চৰকাৰী কাৰ্যালয়টো আছিল মোৰ বাবে উপাসনা স্থলী, ইয়াৰ জৰিয়তে মই মোৰ পৰিয়াল পোহপাল দিছোঁ, সন্তানক লালন পালন কৰিছোঁ, পঢ়াইছো, খেৰৰ চালি গুচাই টিন পাতৰ ঘৰ নিৰ্মাণ কৰিছোঁ, সুখে সন্তোষে আছোঁ। সেয়ে মই কৰ্মস্থানক উপাসনাস্থলী হিচাপে জ্ঞান কৰোঁ।

# গড়গাঁও মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন

**ই-সংবাদ, শিৱসাগৰ, ১ মাৰ্চঃ** গড়গাঁও মহাবিদ্যালয়ত গড়গাঁও মহাবিদ্যালয় বিজ্ঞান মঞ্চৰ উদ্যোগত ৩৯ সংখ্যক ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়। পুৱা পতাকা উত্তোলনেৰে আৰম্ভ হোৱা কাৰ্যসূচীত পতাকা উত্তোলন কৰি গড়গাঁও মহাবিদ্যালয় বিজ্ঞান মঞ্চৰ সভাপতি ড০ চন্দ্ৰাদিত্য গগৈয়ে ভাষণ প্ৰসংগত ৰমণ প্ৰভাৱৰ তাৎপৰ্য আৰু পদাৰ্থ বিজ্ঞানত ইয়াৰ গুৰুত্বৰ বিষয়ত আলোকপাত কৰে। জনসাধাৰণৰ মাজত বৈজ্ঞানিক চিন্তাধাৰা আৰু ধাৰণাক প্ৰচাৰৰ বাবে ১৯৮৬ চনৰ পৰা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস কেনেকৈ পালন কৰা হৈছে সেই কথা তেওঁ ভাষণত উল্লেখ কৰে। ভূগোল বিভাগৰ মুৰব্বী ড০ দিলীপ কুমাৰ ডেকাই আৰ্যভট্ট, বৰাহ মিহিৰ আৰু ইছৰোৰ চন্দ্ৰযান অভিযানৰ অৱদানৰ ওপৰত আলোকপাত কৰি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। ড০ ডেকাই ডাইনী হত্যাৰ বিৰুদ্ধে বীৰুবালা ৰাভাৰ প্ৰচেষ্টাৰ কথা উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীক উদ্ভাৱন আৰু বৈজ্ঞানিক উৎকৰ্ষতাৰ অগ্ৰগতিৰ বাবে উৎসাহিত কৰে। বিজ্ঞান মঞ্চৰ উদ্যোগত বিয়লিলৈ এখন আনুষ্ঠানিক সভা অনুষ্ঠিত হয়। সভাখন উদ্বোধন কৰি বিশিষ্ট শিক্ষাবিদ, নিবন্ধকাৰ, কবি তথা গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সব্যসাচী মহন্তই ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণৰ মাজত বৈজ্ঞানিক চিন্তাধাৰাক প্ৰসাৰিত কৰা কাৰ্যসূচী আয়োজন কৰাৰ বাবে বিজ্ঞান মঞ্চৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। উদ্বোধনী ভাষণত ড০ মহন্তই বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ বাবে সমালোচনাত্মক চিন্তা, উদ্ভাৱনী চিন্তা আৰু সামাজিক সমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ড০ মহন্তই কয় যে বিকশিত ভাৰতৰ বাবে সামাজিক ন্যায় অন্যতম অপৰিহাৰ্য দিশ। অনুষ্ঠানত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমাৰ জ্যোতি মহন্তই মূল ভাষণ প্ৰদান কৰি বিজ্ঞানৰ পটভূমিৰ পৰিৱৰ্তে উদ্ভাৱনক আগুৱাই নিবলৈ বৈজ্ঞানিক মন এটাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। আজিৰ পৃথিৱীত বিশেষকৈ এ আই আৰু তথ্য-বিজ্ঞানৰ প্ৰেক্ষাপটত বৈজ্ঞানিক চিন্তাৰ তাৎপৰ্যৰ বিষয়েও তেওঁ আলোচনা কৰে। অনুষ্ঠানত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ দিগন্ত কোঁৱৰ, গড়গাঁও মহাবিদ্যালয়ৰ বিজ্ঞান মঞ্চৰ সভাপতি ড০ চন্দ্ৰাদিত্য গগৈ, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক পংকজ প্ৰতিম হাজৰিকাকে প্ৰমুখ্য কৰি বহুসংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে ভূগোল বিভাগৰ সহকাৰী অধ্যাপিকা ৰেজিনা বৰাই। অনুষ্ঠানত ড০ বৰ্ণালী দত্ত, ড০ কবিতা ফুকন, ড০ ঋতুৰাজ নেওগ, ড০ ৰশ্মি দত্ত আৰু ড০ শ্বাহীন শ্বেহনাজ বেগম সম্পাদিত এখন গৱেষণামূলক গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন জ্ঞান-বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰকে সামৰি লোৱা মুঠ ৪০খন গৱেষণা পত্ৰ সন্নিবিষ্ট হৈছে। দিনটোৰ আন এক গুৰুত্বপূৰ্ণ কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীৰ মাজত বৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰসাৰৰ বাবে 'এম্প'ৱাৰিং ইণ্ডিয়ান ইউথ ফ'ৰ গ'ব্লেল লিডাৰশ্বিপ ইন চাইন্স এণ্ড ইন'ভেশ্বন ফ'ৰ বিকশিত ভাৰত' শীৰ্ষক বিষয়ত এখন পোষ্টাৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত মুঠ ১১টা দলে অংশগ্ৰহণ কৰি খাদ্য আৱৰ্জনা বিক্ৰিয়া, বিকশিত ভাৰত, বহনক্ষম উন্নয়নৰ বাবে বৈজ্ঞানিক খনি আদিৰ বিষয়ত নিজৰ সৃষ্টিশীলতা আৰু বৈজ্ঞানিক দৃষ্টিভংগী প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাখনৰ বিচাৰক হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যাপক ক্ৰমে ড০ দিলীপ কুমাৰ ডেকা, ড০ আন্না গগৈ আৰু বণিকা বুঢ়াগোহাঁই। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে ৰসায়ন বিজ্ঞান বিভাগৰ শৰ্মিষ্ঠা গগৈয়ে, দ্বিতীয় পুৰস্কাৰ লাভ কৰে ভূতত্ত্ব বিভাগ বিকাশ গগৈয়ে, ঋতুৰাজ সন্দিকৈয়ে আৰু শ্ৰদ্ধা তাঁতীয়ে তৃতীয় পুৰস্কাৰ তথা উদ্ভিদ বিজ্ঞান বিভাগৰ স্নেহাশিখা চেতিয়া, উদ্ভিদ বিজ্ঞান বিভাগৰ ইফতিছাম ৰহমান, গীতাশ্ৰী গগৈয়ে চতুৰ্থ পুৰস্কাৰ লাভ কৰে। এই কাৰ্যসূচীত গড়গাঁও মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীয়ে বিশেষ উৎসাহ প্ৰদৰ্শন কৰে। অনুষ্ঠানৰ সফল সামৰণিৰ বাবে বিজ্ঞান মঞ্চৰ সহকাৰী সম্পাদিকা সুজাতা গোৱালাই সকলোকে ধন্যবাদ জনায়।

# অৰাজকতা! দৰঙ পৰিবহণ বিভাগত দালালৰ ৰূপত কৰ্মচাৰী

**ই-সংবাদ, মঙলদৈ, ১ মাৰ্চঃ** মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মাই যিমানেই দুৰ্নীতিৰ বিৰুদ্ধে পদক্ষেপ নলওক কিয় সেয়া কেৰেপ নকৰে দৰঙৰ একাংশ কৰ্মচাৰীয়ে। সময়ে সময়ে বিতৰ্কৰ মাজত সোমাই পৰা দৰং পৰিবহণ বিভাগত এতিয়া চলিছে এগৰাকী কৰ্মচাৰীৰ মইমতালি। জনৈক দাস উপাধিৰ এইগৰাকী কৰ্মচাৰী এতিয়া বিভাগটোত উঠিৰজা বহিৰজা হৈ পৰিছে। দালাল ৰূপী এইগৰাকী কৰ্মচাৰীয়ে প্ৰে লোড, ফিটনেছ আৰু সৰু-ডাঙৰ গাড়ীৰ ট্ৰান্সফাৰৰ নামত চলাইছে মুকলি বেহা। কাৰ আৰ্শীবাদত কৰ্মচাৰীগৰাকীয়ে নিবিঘ্নে চলাই গৈছে এই ছিণ্ডিকেট?- বিভাগটোৰ ভিতৰে বাহিৰে এই লৈ চলিছে সৰব চৰ্চা। উল্লেখ্য যে পূৰ্বৰ পৰিবহণ বিষয়াগৰাকীৰ লগত ঘনিষ্ঠ হৈ ব্যাপক অনিয়ম আৰু অৰাজকতাত লিপ্ত হোৱা এইগৰাকী কৰ্মচাৰী নতুনকৈ যোগদান কৰা পৰিবহণ বিষয়াগৰাকীৰ লগত অতি কৌশলেৰে ঘনিষ্ঠ হৈ এই ছিণ্ডিকেটত নামি পৰিছে। মোটা অংকৰ ধনৰ বিনিময়ত ফিটনেছ, ট্ৰান্সফাৰ, প্ৰে লোড ইত্যাদি কামসমূহ কৰি দিয়ে। এতিয়া দৰঙৰ পৰিবহণ বিভাগটো এইসকল কৰ্মচাৰীৰ বাবে খিৰতী গাইত পৰিণত হৈছে। কাকো কেৰেপ নকৰা এইগৰাকী কৰ্মচাৰীক নাকী লগাব পাৰিবনে নৱ নিযুক্ত পৰিবহণ বিষয়া গৰাকীয়ে? প্ৰশ্ন উত্থাপন কৰিছে সচেতন ৰাইজে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নং'ত যোগাযোগ কৰক।

# চানমাৰিত শৈলেন তালুকদাৰৰ কবিতা সংকলন উন্মোচন




**ই-সংবাদ, গুৱাহাটী, ১ মাৰ্চঃ** আজি ৰাজ্যৰ সম্ভ্ৰান্ত প্ৰকাশন অনুষ্ঠান 'পৰাগজ্যোতি প্ৰকাশন'ৰ উদ্যোগত চানমাৰিস্থিত 'নিৰাময় ভৱন'ত জ্যেষ্ঠ কবি, লেখক শৈলেন তালুকদাৰৰ কবিতা সংকলন 'সংগ্ৰামঃ জীৱনৰ আন এটা নাম' শুভ উন্মোচন কৰা হয়। সংকলনখনি উন্মোচন কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা বিশিষ্ট সাহিত্যিক কনক চন্দ্ৰ শৰ্মাই কয় যে সমাজ সংস্কাৰৰ বাবে নিৰ্মাণ কৰক কবিয়ে কবিতা। অসমীয়া কবিতা সাহিত্যৰ ভঁৰাল বৰ টনকিয়াল। অসমীয়া কবিতাৰ বয়স প্ৰায় ৭০০ বছৰ পুৰণি। আজিৰ প্ৰজন্মৰ কবিৰ কবিতাৰ মাজত আশাব্যঞ্জক সুৰ দৃশ্যমান হৈ আছে। কবিতা সংকলনৰ জৰিয়তে কাব্যঋষি নীলমণি ফুকনে জ্ঞানপীঠ বঁটা লাভ কৰিলে। হৃদয়ৰ অনুভূতি, ভাব প্ৰকাশ, শব্দ ব্যৱহাৰে এটা সাৰ্থক কবিতা সৃষ্টি হয়। আকাশবাণী আৰু দূৰদৰ্শনৰ নিয়মীয়া কণ্ঠশিল্পী ডিজেন কাকতিয়ে প্ৰসিদ্ধ গীতিকাৰ নগেন বৰা ৰচিত গীত পৰিৱেশনেৰে আৰম্ভ কৰা সভাত মুখ্য অতিথি হিচাপে অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ তথা বিশিষ্ট সাহিত্যিক, অভিধান প্ৰণেতা পৃথিৱী মাঝিয়ে অংশ গ্ৰহণ কৰি কয় যে কবি, সাহিত্যিক, শিল্প সমাজৰ অন্তৰ বৰ পবিত্ৰ। সৰহভাগ কবিয়ে সমাজখন ভাল কৰিবৰ বাবে লিখে। সৰলকৈ লিখা কবিতাবোৰে মানুহৰ মনত সাঁচ বহুৱায় ৰাখে। পৰাগজ্যোতি প্ৰকাশনৰ সচিব, সাংবাদিক, কবি দীপক শৰ্মাই আঁত ধৰা অনুষ্ঠানত অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ সভাপতি নিশুতি মজুমদাৰ, ত্ৰিপুৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদ, অসমৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক 'সাহিত্য কোঁৱৰ' কমল কলিতা, বিশিষ্ট সাহিত্যিক-সমাজকৰ্মী ডাঃ অনন্ত কুমাৰ ভূঞা, নাথ সাহিত্য সভা, অসমৰ সভাপতি ড০ হৰ কুমাৰ নাথে বিশিষ্ট অতিথি হিচাপে অংশ লৈ কবি শৈলেন তালুকদাৰৰ কবি প্ৰতিভা আৰু তেওঁৰ লিখাৰ প্ৰকাশভংগী, সমাজ দায়বদ্ধ গুণৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত মমা গুপ্তাই গোৱালপৰীয়া লোকগীত, ফ্লুৰিণা দেউৰীয়ে দেউৰী গীত পৰিৱেশন কৰা সভাখনিত বিশিষ্ট কবি যোগেশ দাস, মাহেকীয়া সংযোগ আলোচনীৰ সম্পাদক প্ৰশান্ত গগৈ, লেখিকা গীতা দেৱী, শৈলেন্দ্ৰ প্ৰসাদ শৰ্মা, বৃন্দালী দেৱী, ড০ স্বৰ্ণলতা নাথে স্ব-ৰচিত কবিতা পাঠ কৰে। সভাত তিনি কুৰি কবি, সাহিত্য প্ৰেমী লোকে অংশগ্ৰহণ কৰে।

### কৃষিমন্ত্ৰী অতুল বৰা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ কামাখ্যা তাছাৰ অংশগ্ৰহণ

# যোৰহাটৰ নেইষ্টত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১ মাৰ্চঃ** নতুন দিল্লীস্থিত চি এছ আই আৰ-যোৰহাটৰ উত্তৰ পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰতিষ্ঠান (নেইষ্টে) অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখা আৰু ইণ্ডিয়ান নেচনেল ইয়ং একাডেমী অৱ চাইন্সৰ সহযোগত ‘ভাৰতৰ বিজ্ঞান আৰু উদ্ভাৱনত গ্ল'বেল লিডাৰশ্বীপৰ বাবে ভাৰতীয় যুৱক-যুৱতীক সবলীকৰণ কৰা’ শীৰ্ষক বিষয়ৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে পালন কৰে। নেইষ্টৰ সঞ্চালক ড০ ভি এম তিৱাৰীয়ে আদৰণী ভাষণত পূৰ্বৰ আঞ্চলিক গৱেষণা গাৰ বৰ্তমান নেইষ্ট হোৱাৰ পৰা বৰ্তমানলৈকে বিজ্ঞান আৰু গৱেষণাৰ ক্ষেত্ৰত কৰা উল্লেখনীয় কাম-কাজৰ বিৱৰণ দিয়ে। নেইষ্টৰ ডক্টৰ যোগেন্দ্ৰনাথ বৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাজ্যৰ শিক্ষা আৰু জনজাতি দপ্তৰৰ মন্ত্ৰী ডাক্তৰ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উন্নয়নমূলক প্ৰকল্প আৰু অসমত কৰা কাম-কাজৰ বাবে আৱণ্টন কৰা ধনৰ সম্পৰ্কে উল্লেখ কৰি গৱেষণা কাৰ্যতে অধিক ধন বাজেটত ধৰা হৈছে বুলি কয়। তদুপৰি মানৱ সম্পদ উন্নয়নক শক্তিশালী কৰাৰ বাবে শেহতীয়াকৈ চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰে দক্ষ জনশক্তিৰ প্ৰয়োজনীয়তাত গুৰুত্ব দিবলৈ সকলোকে আহ্বান জনোৱাৰ লগতে শিক্ষক আৰু বিজ্ঞানীসকলৰ বিক্ষিপ্ত ভাৰত গঢ়াত অৰিহণা যোগোৱাৰো আহ্বান জনায়। কৃষি দপ্তৰৰ মন্ত্ৰী অতুল বৰাই যুৱকসকলক বৈজ্ঞানিক সাধনাৰ দিশত অনুপ্ৰাণিত কৰিবলৈ আহ্বান জনোৱাৰ লগতে বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱনক প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ পদক্ষেপৰ সম্পৰ্কত উল্লেখ কৰাৰ লগতে জলবায়ু পৰিৱৰ্তনৰ দৰে জৰুৰী আৰু বিশ্বব্যাপী প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ বিজ্ঞানীসকলক সহযোগিতাৰে কাম কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত বুলি কয়। সাংসদ কামাখ্যা প্ৰসাদ তাছাই জাতিৰ ভৱিষ্যতৰ স্তম্ভ হিচাপে স্বীকৃতি দি যুৱকসকলক বৈজ্ঞানিক সজাগতা বৃদ্ধিত গুৰুত্ব আৰোপ কৰাৰ লগতে ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত প্ৰধান মন্ত্ৰীয়ে গ্ৰহণ কৰা অবিৰত প্ৰচেষ্টাৰ সম্পৰ্কত কয়। তদুপৰি, নেইষ্টৰ বিজ্ঞানীসকলক গৱেষণামূলক কাম-কাজত যোগোৱা অৰিহণাৰ বাবে প্ৰশংসা কৰাৰ লগতে বিজ্ঞান পঢ়ুৱাৰ সময়ত ব্যৱহাৰিক পন্থা গ্ৰহণ কৰি শিক্ষাৰ্থীক উৎসাহিত কৰিলেহে ফলপ্ৰসূ হ'ব বুলি বক্তব্যত উল্লেখ কৰে। আৰম্ভণিতে আমন্ত্ৰিত অতিথিসকলে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত চি এছ আই আৰ-ৰ ৰাষ্ট্ৰীয় সভাপতি ডক্টৰ শেখৰ চি মাণ্ডে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ বক্তৃতা প্ৰদান কৰি কয়, বিজ্ঞান ভাৰতী আৰু প্ৰাক্তন ডি জি, চি এছ আই আৰ, ভাৰতৰ জৈৱ চিকিৎসা বিজ্ঞানৰ ইতিহাস বিষয়ত উল্লেখ কৰাৰ লগতে, জৈৱ চিকিৎসাৰ প্ৰাচীন কৌশল যেনে- ৰাইন'প্লাষ্টি, ভেৰাইলেচন আদিৰ আলোকপাত কৰে। যিবোৰ পিছলৈ পশ্চিমীয়া দেশসমূহে গ্ৰহণ কৰিছে বুলি কয়। তদুপৰি তেওঁ সংক্ৰামক ৰোগৰ দ্বাৰা সৃষ্টি হোৱা প্ৰত্যাহ্বান আৰু ইয়াৰ ফলপ্ৰসূভাৱে প্ৰতিহত কৰাৰ কৌশলসমূহৰ বিষয়েও বক্তব্যত উল্লেখ কৰে। সুষম খাদ্য, নিয়মীয়া ব্যায়ামৰ জৰিয়তে সু-স্বাস্থ্য বৰ্তাই ৰখাত গুৰুত্ব দিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। চি এছ আই আৰ নেইষ্টৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী, অসম বিজ্ঞান সমিতি, যোৰহাট শাখাৰ কাৰ্যকৰী সভাপতি ডক্টৰ বিমলা প্ৰসাদ বৰুৱাই বিজ্ঞানীসকলক উৎসাহিত কৰাত বঁটা-প্ৰশংসাৰ আলোকপাত কৰাৰ লগতে অসম বিজ্ঞান সমিতি আৰু যোৰহাট শাখাই কৰা কাম-কাজৰ উল্লেখ কৰি উপস্থিত থকাসকলক অসম বিজ্ঞান সমিতিৰ সদস্যভুক্ত হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত ডিবিটি-নৰ্থ ইষ্ট চেণ্টাৰ ফৰ এগ্ৰিকালচাৰেল বায়'টেকন'লজিৰ সঞ্চালক বিদ্যুৎ কুমাৰ শৰ্মা, অসম কৃষি বিশ্ববিদ্যালয়ৰ ডাঃ সঞ্জীৱ কুমাৰ বশ্বেয়, ডি এছ টিৰ অৱসৰপ্ৰাপ্ত ডাঃ অমৃতা কাশ্যপ চলিহা, ডিব্ৰুগড়ৰ ক্ৰ'মা বায়'টেক প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক, ভূ-স্থানীয় বিশ্বৰ উপ-সভানেত্ৰী অনন্য নাৰায়ণ, নেইষ্টৰ প্ৰধান বিজ্ঞানী ড০ বিনয় কুমাৰ শইকীয়াই বৰ্তমান সময়ৰ লগত সংগতি থকা বিষয়ত বক্তৃতা প্ৰদান কৰে। উপস্থিতসকলে সোধা বিভিন্ন প্ৰশ্নৰো উত্তৰ বক্তাসকলে দি উৎসাহিত কৰে। উল্লেখ্য, চি এছ আই আৰ-নেইষ্টৰ দ্বাৰা প্ৰস্তুত কৰা প্ৰস্তুত কৰা এ এম আৰ চোৰাচিতা ৰেব টুল ফৰ হস্পিতালছ প্ৰ'-ডি আৰো উদ্বোধন কৰে ডাঃ শেখৰ চি মাণ্ডে। নেইষ্টৰ বিজ্ঞানী ডক্টৰ পংকজ ভৰালীৰ বিশেষ উদ্যোগত অনুষ্ঠিত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসত আই এন ৱাই এ এছ-ৰ প্ৰতিনিধি, নেইষ্টৰ বিজ্ঞানী, কৰ্মচাৰী, গৱেষক, শিক্ষাৰ্থী, অসম বিজ্ঞান সমিতি, যোৰহাট শাখাৰ বিষয়ববীয়া, যোৰহাটৰ লগতে সমীপৱৰ্তী কেউখন জিলাৰে বিজ্ঞানৰ প্ৰতি আগ্ৰহী শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় লোকসকল উপস্থিত থাকে। সামৰণিত নেইষ্টৰ সঞ্চালক ডক্টৰ ভি এম তিৱাৰীয়ে চৰকাৰৰ বিশেষ সহায়-সহযোগত প্ৰতিষ্ঠানটোৱে বিকশিত কৰা উদ্ভাৱনী প্ৰযুক্তিৰ আলোকপাত কৰে। কৃষক আৰু উদ্যোগীসকলক সহায়ৰ বাবে উত্তৰ-পূব ভাৰতত বিজ্ঞান আৰু প্ৰযুক্তি উদ্ভাৱনৰ হাব আৰু আইকনৰ সুবিধাসমূহৰ ভূমিকাৰ সম্পৰ্কতো কয়। তদুপৰি, গৱেষণা আৰু উন্নয়নৰ জৰিয়তে সমাজৰ প্ৰতি বিজ্ঞানীসকলৰ দায়বদ্ধতাৰ উল্লেখ কৰি আৰোমা মিছনৰ জৰিয়তে ৰাজ্যৰ সাঁচি কাঠৰ উদ্যোগসমূহ প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত যোগোৱা অৱদান আৰু বছৰত প্ৰায় ১ লাখৰো অধিক সাঁচি পুলি ৰোপণেৰে নেইষ্টে আৰোমা পৰিকল্পনাৰ সফল ৰূপায়ণ কৰিছে বুলি উল্লেখ কৰে।

# জামুগুৰিৰ গৰখীয়া থানত দৌল উৎসৱৰ প্ৰস্তুতি

**ই-সংবাদ, বেবেজীয়া, ১ মাৰ্চঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতি কাষৰীয়া জামুগুৰি গাঁৱৰ সাৰ্বজনীন গৰখীয়া থানত ৰাইজে প্ৰতি বছৰে পালন কৰি অহা দৌল উৎসৱটি এইবাৰো অহা ১৩ মাৰ্চৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আয়োজনৰ ব্যাপক প্ৰস্তুতি চলিছে। ঐতিহ্যমণ্ডিত এই থানখনত প্ৰতি বছৰে পালন কৰি অহা চাৰিটা উৎসৱৰ ভিতৰত অতি উলহ-মালহেৰে ১৯৯৩ চনৰ পৰা উদ্‌যাপিত হৈ অহা এই দৌল উৎসৱে ইতিমধ্যে ৰূপালী জয়ন্তী বৰ্ষ গৰকি এইবাৰ ৩২ সংখ্যক বৰ্ষত পদাৰ্পণ কৰিছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ মিলন তীৰ্থ হিচাপে প্ৰতিষ্ঠিত হৈ পৰা ঐতিহাসিক এই থানখনিৰ দৌল উৎসৱৰ এইবাৰৰ চাৰিদিনীয়া কাৰ্যসূচীৰ অংশৰূপে ধৰ্মধ্বজা উত্তোলন, নাম-প্ৰসংগ, প্ৰদৰ্শনী, ভাওনা প্ৰদৰ্শন, দিহানাম প্ৰদৰ্শন, কীৰ্তন পাঠ, নাট মঞ্চস্থ, গোসাঁই স্নান, হোলী খেলা আৰু শোভাযাত্ৰা, গোসাঁই ফুৰোৱা উৎসৱ, শৈক্ষিক বঁটা প্ৰদান, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব। ইফালে, উক্ত দৌল উৎসৱৰ প্ৰস্তুতিৰ অংশহিচাপে বৃহস্পতিবাৰে ভকত-বৈষ্ণৱৰ উপস্থিতিত দৌল উৎসৱৰ কাৰ্যসূচী উন্মোচন কৰা হয়।
এই উদ্দেশ্যে আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত কাৰ্যসূচী আনুষ্ঠানিকভাৱে উন্মোচন কৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰঅৱসৰপ্ৰাপ্ত কৰ্মচাৰী অনিল চন্দ্ৰ নাথে। অনুষ্ঠানত উদযাপন সমিতিৰ সভাপতি পুষ্পেন্দ্ৰ হাজৰিকা আৰু থান পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ নাথৰ লগতে উদযাপন সমিতি আৰু থান পৰিচালনা সমিতিৰ বিষয়ববীয়া পোৱাল নাথ, বুবুল বৰদলৈ, দেৱেন চন্দ্ৰ নাথ, পৱন নাথ, ৰমেন নাথ, অনন্ত নাথ, মহিন্দ্ৰ মহন্ত, গম্ভীৰ নাথ, ধেনুৰাম নাথ, বীৰেন চন্দ্ৰ নাথ, ইন্দ্ৰেশ্বৰ ভূঞা, অৱন্তী দেৱী, ইন্দ্ৰ নাথ, ভুবন চন্দ্ৰ নাথ, পুষ্প জ্যোতি নাথ, উৎপল বৰদলৈ, কবিতা দেৱী, আল্পনা দেৱীকে প্ৰমুখ্য কৰি বহু সংখ্যক লোক উপস্থিত থাকে।

MANUFACTURER OF
ROYAL CONSTRUCTION
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39
MANUFACTURER OF
ROYAL CONSTRUCTION
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## চেলেংহাটত ৰন্ধনকৰ্মী আৰু সহায়িকাৰ প্ৰশিক্ষণ সম্পন্ন

**ই-সংবাদ, মৰিয়নি, ১ মাৰ্চঃ** পূব যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ৰন্ধনকৰ্মী আৰু সহায়িকাৰ এদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী কালি চেলেংহাট উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। পূব যোৰহাট শিক্ষাখণ্ডৰ মুঠ তিনিটা মণ্ডল ক্ৰমে চেলেং-ক, চেলেং-সীমান্ত আৰু লাহিঙৰ বিদ্যালয়সমূহৰ ৰন্ধনকৰ্মী তথা সহায়িকাসকলে এই প্ৰশিক্ষণ কাৰ্যসূচী অংশগ্ৰহণ কৰে। প্ৰশিক্ষণত বিভিন্ন খাদ্যসম্ভাৰ ক্ৰমে জিৰা ৰাইচ, চামবাৰ, কোফতা লগতে স্বাস্থ্যসন্মত পানীয়, ৰাগীৰ ৰন্ধন প্ৰণালী শিকোৱা হয়। প্ৰধানমন্ত্ৰী পোষণ শক্তি নিৰ্মাণ, যোৰহাটৰ জিলা আঁচনি বিষয়া পাৰবিন চুলতানাৰ উপস্থিত থকা প্ৰশিক্ষণত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকে নিপামণি হাজৰিকা। প্ৰশিক্ষণৰ শেষত চেলেং-সীমান্তৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক নীলিম জ্যোতি কলিতাই আঁতধৰা অনুষ্ঠানত মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী উপস্থিত থাকে। অনুষ্ঠানত পূব যোৰহাট খণ্ড প্ৰাথমিক শিক্ষৰ সন্মিলনীৰ সভাপতি ললিত গগৈ, লাহিং মণ্ডলৰ সমন্বয়ক অনুপ কুমাৰ দত্ত আৰু চেলেংহাট উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মনিকা বৰা নেওগ বাইদেউ উপস্থিত থাকি বক্তব্য আগবঢ়ায়। উল্লেখ্য যে, মধ্যাহ্ন ভোজনৰ এই ৰাষ্ট্ৰীয় প্ৰকল্পক পূৰ্বতে মধ্যাহ্ন ভোজন আঁচনি বুলি জনা গৈছিল যদিও শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী পোষণ যোজনা হিচাপে নামাকৰণ কৰা হৈছে।

# তামুলপুৰত কেৰিয়াৰ কাউঞ্চেলিং, মানসিক স্বাস্থ্য সন্দৰ্ভত সজাগতা সভা

**ই-সংবাদ, তামুলপুৰ, ১ মাৰ্চঃ** তামুলপুৰ জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু অসমৰ এটি আগশাৰীৰ স্বেচ্ছাসেৱী সংগঠন আছাম চেণ্টাৰ ফৰ ৰুৰেল ডেভেলপমেণ্ট চমুকৈ এছি আৰ ডিৰ সহযোগত তামুলপুৰৰ বৰ নগৰস্থ তামুলপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত কালি দুপৰীয়া মানসিক স্বাস্থ্য সন্দৰ্ভত এখন সজাগতা সভা আৰু কেৰিয়াৰ কাউঞ্চেলিং অনুষ্ঠিত হয়। তামুলপুৰ মহাবিদ্যালয়ৰ পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা মানসিক স্বাস্থ্য সজাগতা সভাখনত উপস্থিত থাকি মুছলপুৰস্থ ডাঃ ৰবি বড়ো চিকিৎসালয়ৰ মানসিক চিকিৎসক ডাঃ দীপিকা ডেকা আৰু কাউঞ্চেলৰ কৰিশ্মা বৰাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি মানসিক স্বাস্থ্য সন্দৰ্ভত ব্যাখ্যা দাঙি ধৰে। এছি আৰ ডিৰ প্ৰকল্প সমন্বয়ক বিপ্লৱ শৰ্মাই আঁত ধৰা মানসিক স্বাস্থ্যৰ সজাগতা সভা আৰু কেৰিয়াৰ কাউঞ্চেলিঙত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিটিআৰ চৰকাৰ স্কিল এমপ্লইমেণ্ট এণ্ড এণ্টাৰপ্ৰেণাৰশ্বিপ বিভাগৰ উপদেষ্টা ৰঞ্জন কুমাৰ বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলৰ উপযোগীকৈ সাৰুৱা ভাষণ প্ৰদান কৰে। তামুলপুৰ জিলাৰ জিলা আয়ুক্ত পংকজ কুমাৰ চক্ৰৱৰ্তী, সহকাৰী আয়ুক্ত কবিতা ফাংছোই উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি উদগনিমূলক বক্তব্য প্ৰদান কৰে। এ চি আৰ ডিৰ সভাপতি নৱজ্যোতি শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা সভাত এ চি আৰ ডিৰ প্ৰতিষ্ঠাপক সম্পাদক প্ৰদীপ্তপ্ৰাণ চাংকাকতি, তামুলপুৰ জিলা সমাজ কল্যাণ বিভাগৰ বিষয়া ইৰাণী ঠাকুৰীয়া, তামুলপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ যোগেন বড়োকে ধৰি বহু সংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে।

## নগৰবেৰাত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন

**ই-সংবাদ, নগৰবেৰা, ১ মাৰ্চঃ** কামৰূপ জিলাৰ বকো-ছয়গাঁও সমষ্টিৰ অন্তৰ্গত নগৰবেৰাৰ কালুবাৰীস্থ শংকৰদেৱ হাইস্কুল প্ৰাংগণত কালি দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়। ছাইন্স ফ'ৰাম এণ্ড ইক ক্লাব, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উদ্যোগত আৰু অসম বিজ্ঞান সমিতিৰ নগৰবেৰা শাখাৰ সহযোগত পালন কৰা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে পুৱা বৃক্ষৰোপণ কৰে অসম বিজ্ঞান সমিতিৰ নগৰবেৰা শাখাৰ সম্পাদক তথা সহযোগী অধ্যাপক ড০ আতোৱাৰ ৰহমান আৰু শংকৰদেৱ হাইস্কুলৰ প্ৰধান শিক্ষক কুলেন তালুকদাৰে। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। আবেলি 'বিকশিত ভাৰতৰ কাৰণে বিজ্ঞান আৰু উদ্ভাৱনৰ ক্ষেত্ৰত বিশ্ব নেতৃত্বৰ বাবে যুৱ সমাজৰ সৱলীকৰণ' শীৰ্ষ বিষয় সন্দৰ্ভত এক আলোচনা-চক্ৰ আৰু মুকলি সভা অনুষ্ঠিত হয়। শংকৰদেৱ হাইস্কুলৰ প্ৰধান শিক্ষক কুলেন তালুকদাৰে সঞ্চালনা কৰা সভাখনত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক আবু বক্কৰ ছিদ্দিক আৰু একেখন মহাবিদ্যালয়ৰে ছাইন্স ফ'ৰাম'ৰ সম্পাদক ড০ মানসজ্যোতি ডেকা, ইক' ক্লাবৰ আহ্বায়ক ড০ বিমান লহকৰ, ড০ চিৰঞ্জীৱ মিলি, সহযোগী অধ্যাপক ড০ আতোৱাৰ ৰহমান আদি উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

# বি এইচ বি কলেজত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

**ই-সংবাদ, ভৱানীপুৰ, ১ মাৰ্চঃ** ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে সৰুপেটাৰ বি এইচ বি মহাবিদ্যালয়ত কালি 'বিজ্ঞানৰ বিশ্বব্যাপী নেতৃত্বৰ বাবে ভাৰতৰ নতুন প্ৰজন্মক সৱলীকৰণ' শীৰ্ষক এক বক্তৃতানুষ্ঠান আয়োজন কৰা হয়। মহাবিদ্যালয়খনৰ গণিত বিভাগ আৰু পৰিসংখ্যা বিজ্ঞান বিভাগৰ উদ্যোগত আৰু গৱেষণা উদ্ভাৱন আৰু সম্প্ৰসাৰণ কোষৰ সহযোগত অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানখনৰ উদ্দেশ্য ব্যাখ্যা কৰে গণিত বিভাগৰ সহকাৰী অধ্যাপক বিশ্বজিৎ ডেকাই। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডঃ পুৰঞ্জয় মিপুণ। তেখেতে নতুন প্ৰজন্মৰ মাজত বৈজ্ঞানিক মন আৰু মানসিকতাৰ প্ৰচাৰ আৰু প্ৰসাৰ সম্পৰ্কীয় যথেষ্ট কথা অৱগত কৰি মানুহৰ দৈনন্দিন জীৱনত বিশেষকৈ স্বাস্থ্য বিজ্ঞান, ৰসায়ন বিজ্ঞান, ফৰেনচিক, এষ্ট্ৰন'মি ইত্যাদিত ৰমন প্ৰভাৱৰ বিভিন্ন প্ৰয়োগৰ কথা দৃষ্টান্তসহ দাঙি ধৰে। ভাষণ প্ৰসংগত তেওঁ ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ এ.পি.জে. আব্দুল কালাম, ডঃ হ'মি ভাবাৰ পৰা আৰম্ভ কৰি চন্দ্ৰযান ১ ৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত অসমৰ বিজ্ঞানী ডঃ জীতেন্দ্ৰ নাথ গোস্বামী, লুনাৰ মিছনৰ সৈতে জড়িত বিজ্ঞানী ডঃ পূৰবী শইকীয়াৰ পৰা অসমৰ যাদৱ পায়েং আৰু খনজিৎ গগৈৰ কথাৰ উদাহৰণেৰে ডঃ মিপুনে প্ৰকৃতি আৰু মানুহৰ যি চিৰন্তন আত্মিক সম্পৰ্ক সেই সম্পৰ্কে বিশদভাৱে বৰ্ণনা দাঙি ধৰে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ কল্পনা বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ দিপুল তালুকদাৰ। তেখেতেও উত্তৰ প্ৰজন্মক বিজ্ঞান সম্পৰ্কে সচেতন আৰু আগ্ৰহী হ'বলৈ বক্তৃতাৰ মাজেৰে আহবান জনায়। সভাপতিৰ আসনৰ পৰা ডঃ কল্পনা বৈশ্যয়ো এনে বক্তৃতানুষ্ঠানৰ আয়োজনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞানমনস্কতাৰ জন্ম দিয়াত সহায়ক হ'ব বুলি মন্তব্য কৰে। এই মঞ্চৰপৰাই উত্তৰ প্ৰজন্মৰ চিন্তন মননৰ জগতখনত বিজ্ঞানৰ সুদূৰপ্ৰসাৰী প্ৰভাৱে অনুপ্ৰেৰণা যোগাব বুলি কোৱা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ডঃ প্ৰীতিৰেখা দত্তৰ শলাগৰ শৰাইৰে সামৰণি হোৱা বক্তৃতানুষ্ঠানখনত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, এন চি চিৰ কেডেটসকলৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নয়নজ্যোতি দাস আৰু উপাধ্যক্ষ ডঃ দিপ্তী কলিতায়ো দুয়োটা বিভাগক বক্তৃতানুষ্ঠানটোৰ আয়োজন কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# মুছলপুৰত ডিজিটেল হস্ততাঁত প্ৰশিক্ষণ কৰ্মশালাৰ সামৰণি

**ই-সংবাদ, মুছলপুৰ, ১ মাৰ্চঃ** বি টি আৰৰ শিপিনীসকলক ডিজিটেল মাধ্যমেৰে বয়ন শিল্পৰ দ্বাৰা অৰ্থনৈতিক দিশত স্বাৱলম্বী কৰাৰ প্ৰয়াসেৰে বাক্সা জিলাৰ মুছলপুৰত দুদিনীয়াকৈ অনুষ্ঠিত কৰ্মশালাৰ কালি সামৰণি পৰে। মুছলপুৰস্থিত হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ প্ৰশিক্ষণ কেন্দ্ৰৰ সভাকক্ষত 'শিপিনীৰ জীৱিকাৰ অৰ্থে তথ্য আৰু যোগাযোগ প্ৰযুক্তি সঁজুলিৰ প্ৰয়োগ' শীৰ্ষক কৰ্মশালাখন বৃহস্পতিবাৰে আনুষ্ঠানিকভাৱে বন্তি প্ৰজ্বলন কৰি শুভ উদ্বোধন কৰিছিল বি টি চি পৰিষদৰ হস্ততাঁত বস্ত্ৰ বিভাগৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে। কেন্দ্ৰীয় চৰকাৰৰ ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ সহযোগত আৰু চিডেক, কলকতা তথা অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ উদ্যোগত আয়োজিত কৰ্মশালাত বিটিআৰ প্ৰশাসনৰ কেবাগৰাকী বিষয়া, প্ৰশিক্ষকে অংশ লয়। কৰ্মশালাত অংশগ্ৰহণ কৰি কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে এডভান্টেজ আছাম ২.০ জৰিয়তে ৰাজ্য চৰকাৰে বি টি আৰৰ পাঁচখন জিলা সামৰি লোৱা বাবে ধন্যবাদ জনায়। তেওঁ কয় যে হস্ততাত বস্ত্ৰ উদ্যোগৰ জৰিয়তে বি টি আৰ অঞ্চলৰ নিবনুৱা যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদান কৰি স্বাৱলম্বী কৰি তোলাৰ প্ৰচেষ্টা চলাই থকা হৈছে। বিগত তিনি বছৰত সমগ্ৰ বিটিআৰত তিনি হাজাৰ যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়া হৈছে। এখন স্ব-নিৰ্ভৰশীল বি টি আৰ গঢ়ি তোলাৰ বাবে বিভাগটোৱে কাম কৰি আহিছে। ইফালে সাংবাদিকৰ সৈতে হোৱা এক আছুতীয়া সাক্ষাৎকাৰত বিটিচিৰ কাৰ্যবাহী সদস্যগৰাকীয়ে আগন্তুক পৰিষদীয় নিৰ্বাচনৰ বাবে ইউপিপিএল দল সম্পূৰ্ণৰূপে সাজু বুলি মন্তব্য কৰি কয় যে আমি নিৰ্বাচনৰ বাবে আগদিনা সাজু নহওঁ, আমি আগৰেপৰা সাজু থাকো। লগতে তেওঁ ৩৫ খন আসন নিশ্চিতভাৱে ইউপিপিএল দলে লাভ কৰিব বুলি সজোৰে দাবী কৰে। তেওঁ হাগ্ৰামা মহিলাৰী সন্দৰ্ভত মন্তব্য কৰি কয় যে, হাগ্ৰামা মহিলাৰী এতিয়া দিশহাৰা। তেওঁ এতিয়া ক্ৰেছাৰ মিলত বহি থাকক নহ'লে ৰিজৰ্ভত গৈ থাকক। সকলোৱে হাগ্ৰামাৰ সংগ এৰিছে। মই নিজেও কেতিয়াবাই হাগ্ৰামাৰ সংগ এৰি আজি ইউপিপিএল নেতৃত্বাধীন চৰকাৰত আছো। ইফালে, হাগ্ৰামা মহিলাৰীয়ে ইউপিপিএল দলত আহিলে তেওঁৰ বাবে ইউপিপিএলৰ দুৱাৰ খুলা আছে বুলিও মন্তব্য কৰে কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে। আনফালে, কৰ্মশালাত আদৰণি ভাষণ প্ৰদান কৰি বিটিআৰৰ হস্ততাত বস্ত্ৰ বিভাগৰ চি এইচ ডি হিৰণ্য দেৱীয়ে বিটিচি পৰিষদৰ নেতৃত্বত এই বিভাগটোৱে এক গতি লাভ কৰা বুলি উল্লেখ কৰে। তেওঁ কয় যে এই পৰিষদৰ নেতৃত্বতে বড়োসকলৰ আৰনায়ে জিঅ' টেগৰ স্বীকৃতি পাবলৈ সক্ষম হৈছে। কৰ্মশালাত কলকাতাৰ চিডেকৰ পৰিচালন সঞ্চালক অচিত কুমাৰ সিঙৰ লগতে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কৰ্মশালাৰ দ্বিতীয় দিনা বাক্সা জিলা আয়ুক্ত গৌতম দাস উপস্থিত হৈ সুদূৰ প্ৰসাৰী চিন্তাৰে আয়োজন এনে কৰ্মশালাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ক ভূয়সী প্ৰশংসা কৰে। তেওঁ ভাষণ প্ৰসংগত বাক্সা জিলাত থলুৱা শিপিনীসকলক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত চেষ্টা অব্যাহত ৰাখিছে বুলি কয়। কৰ্মশালাত দুই শতাধিক প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে।




**ডিফুত কাৰবি আংলঙৰ পি জি আৰ-ভি জি আৰৰ ভূমিত অবৈধ বেদখল উচ্ছেদৰ দাবীত প্ৰতিবাদ দল-সংগঠনৰ**

# খাৰুপেটীয়াত ছাত্ৰ-ছাত্ৰীৰ বিজ্ঞান প্ৰদৰ্শনী

**ই-সংবাদ, খাৰুপেটীয়া, ১ মাৰ্চঃ** ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি কালি খাৰুপেটিয়াৰ আজমল ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ মাজত এখনি বিজ্ঞান প্ৰদৰ্শনী মেলাৰ আয়োজন কৰে। মেলাখনত আজমল বয়েছ কলেজৰ ছাত্ৰসকলৰ লগতে খাৰুপেটীয়াৰ মৰিয়ম আজমল কলেজৰ ছাত্ৰীসকলেও অংশ লয়। উক্ত মেলাত ছাত্ৰ-ছাত্ৰীসকলে নতুন উদ্ভাৱনা আৰু বিজ্ঞানসন্মত চিন্তাধাৰাৰে বিভিন্ন প্ৰকল্প যেনে- Plastic waste management in river, Chandrayaan 3, Recycling of Plastic waste, Modernizing rural life in India আদি প্ৰকল্প হাতত লৈ বিচাৰকৰ মন জয় কৰিবলৈ সক্ষম হয়। প্ৰদৰ্শনীত প্ৰথম স্থান আবু ওৱাৰিস, দ্বিতীয় মোখলেছুৰ ৰহমান, তৃতীয় স্থান লাভ কৰে ৰিফা ইফফাট আৰু আয়েশা ছিদ্দিকাৰ দলে। আজমল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষ দেলোৱাৰ হুছেইনে জানিবলৈ দিয়া মতে, অনুষ্ঠানটোত মুখ্য অথিতি হিচাপে উপস্থিত থাকে দলগাঁও দীন দয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লক্ষীপ্ৰসাদ হাজৰিকা, অধ্যাপিকা ড০ ৰিমজিম দত্ত আৰু ড০ আবু ছুফিয়ান তাপাদাৰৰ লগতে আমন্ত্ৰিত কেইবাগৰাকীও অতিথি।

# পৰ্বতঝোৰাত গাহৰি পালনৰ তিনিদিনীয়া প্ৰশিক্ষণ শিবিৰ

**ই-সংবাদ, পৰ্বতঝোৰা, ১ মাৰ্চঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ কাজিগাঁও অডিটৰিয়ামত কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে কোকৰাঝাৰ জিলা পশুপালন চিকিৎসা বিভাগৰ তত্ত্বাবধানত মহিলা স্বাৱলম্বীৰ বাবে মহিলা গাহৰি পালকসকলক লৈ এক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছে। এই প্ৰশিক্ষণ শিবিৰত বিভিন্ন ঠাইৰ পৰা অৰ্ধ শতাধিক প্ৰশিক্ষণাৰ্থীয়ে কাজিগাঁও অডিটৰিয়াম গৃহত উপস্থিত হৈ এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। গাহৰি পালনৰ বাবে এই প্ৰশিক্ষণ শিবিৰত ডাইৰী ফাৰ্মিং আণ্ডাৰ বিটিচি এছ অ' পি ডি- ২০২৪-২৫ বৰ্ষৰ বাবে অনুমোদিত বুলি জানিবলৈ দিয়ে। প্ৰশিক্ষণ শিবিৰত উপস্থিত থাকি গাহৰি পালনৰ বাবে অংশগ্ৰহণ কৰা মহিলা গাহৰি পালকসকলৰ লগতে এই প্ৰশিক্ষণ ফলদায়ক কৰাৰ বাবে দিহা-পৰামৰ্শ দিয়ে পৰ্বতঝোৰা মহকুমা পশু চিকিৎসা বিষয়া ডাঃ ভানুৰাণী কছাৰীয়ে। প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে ডাঃ ধ্ৰুৱ দাস, ডাঃ প্ৰকাশ ব্ৰহ্ম, ডাঃ ৰূপু সাহা আদি উপস্থিত থাকি প্ৰশিক্ষণ কাৰ্যসূচী পৰিচালনা কৰিব বুলি পৰ্বতঝোৰা মহকুমা পশু চিকিৎসা বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

# মাজুলীত অসংক্ৰামক ৰোগৰ স্বাস্থ্য পৰীক্ষা অভিযান



**ই-সংবাদ, মাজুলী, ১ মাৰ্চঃ** জনসাধাৰণৰ মাজত অসংক্ৰামক ৰোগ হ্ৰাস কৰাৰ উদ্দেশ্যে ২০ ফেব্ৰুৱাৰী পৰা ৩১ মাৰ্চলৈকে সমগ্ৰ দেশৰ লগতে মাজুলীতো অসংক্ৰামক ৰোগৰ স্বাস্থ্য পৰীক্ষা অভিযান অনুষ্ঠিত কৰা হৈছে। এই বিশেষ অসংক্ৰামক ৰোগৰ স্বাস্থ্য পৰীক্ষা অভিযানে উচ্চ ৰক্তচাপ, মধুমেহ, মুখ, স্তন আৰু গৰ্ভাশয়, মুখৰ কেঞ্চাৰৰ পৰীক্ষাসমূহ সাঙুৰি ল'ব। ৩০ বছৰৰ ওপৰৰ লোকসকলে স্বাস্থ্য ৰক্ষাৰ সুবিধাৰ্থে ২০ ফেব্ৰুৱাৰী পৰা ৩১ মাৰ্চলৈকে চলিত অসংক্ৰামক ৰোগৰ স্বাস্থ্য পৰীক্ষা অভিযানত নিকটৱৰ্তী স্বাস্থ্য কেন্দ্ৰলৈ গৈ বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাৰ সুবিধা গ্ৰহণ কৰিব পাৰে। মাজুলী জিলা স্বাস্থ্য বিভাগৰ এ এন এম, আশা ছুপাৰভাইজাৰ আৰু আশাকৰ্মীসকলে গাঁওসমূহলৈ গৈ অসংক্ৰামক ৰোগৰ স্বাস্থ্য পৰীক্ষা কৰাব। মাজুলী জিলা স্বাস্থ্য বিভাগে চলিত অসংক্ৰামক ৰোগৰ অভিযানৰ সময়ছোৱাত জনসাধাৰণৰ সঁহাৰি কামনা কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# যোৰহাটৰ তিনিটাকৈ নিৰ্মীয়মাণ প্ৰকল্পৰ কাম পৰিদৰ্শন জিলা আয়ুক্তৰ, শীঘ্ৰে সমাপ্ত কৰাৰ নিৰ্দেশ

**ই-সংবাদ, পশ্চিম যোৰহাট, ১ মাৰ্চঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীৰ সবল নেতৃত্বত সমগ্ৰ ৰাজ্যখনৰ লগতে যোৰহাট জিলাতো বিভিন্ন উন্নয়নমূলক কাম-কাজ পূৰ্ণগতিত অব্যাহত আছে। কালি যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে জিলাখনত নিৰ্মীয়মান অৱস্থাত থকা তিনিটাকৈ প্ৰকল্পৰ কাম পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। জিলা আয়ুক্তগৰাকীয়ে চিনামৰাত নিৰ্মাণ হৈ থকা জিলা আয়ুক্ত কাৰ্যালয়ৰ নতুন ভৱনটি পৰিদৰ্শন কৰি অগ্ৰগতিৰ বুজ লয়। অত্যাধুনিকভাৱে নিৰ্মাণ কৰা এই সংহত জিলা আয়ুক্ত কাৰ্যালয়টিয়ে উন্নত প্ৰশাসনৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা বহন কৰিব। সৰ্বমুঠ ৮০৭১.৯০ বৰ্গমিটাৰ (৮৬৮৫৩.৬৪ বৰ্গফুট)ৰে নিৰ্মাণ কৰা মূল ভৱনটোত তলৰ মহলাৰ সৈতে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ মহলা থকাৰ লগতে ৩০০ বৰ্গমিটাৰৰ (৩২২৮ বৰ্গফুট) আৱাসী ভৱন আৰু ১৫৭৫ মিটাৰৰ সীমাৰ দেৱাল থাকিব। ইতিমধ্যে Slab ৰ কাম সম্পূৰ্ণ হোৱাৰ বিপৰীতে তলৰ মহলা, প্ৰথম মহলা আৰু দ্বিতীয় মহলাৰ AAC ব্লকৰ কাম, সীমাৰ দেৱালৰ কাম আৰু ষ্টাফ কোৱাৰ্টাৰৰ কাম চলি আছে। জিলা আয়ুক্তগৰাকীয়ে একে সময়তে কোঠাবোৰৰ বৈদ্যুতিক আৰু প্লাষ্টিঙৰ কাম আৰু তৃতীয় মহলাৰ ছাদৰ কাম চলিত বৰ্ষৰ মাৰ্চ মাহৰ শেষৰ ফালে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰাৰ লগতে ছাইট ডেভেলপমেন্টৰ কাম যেনে আভ্যন্তৰীণ পথ, পানী নিষ্কাশন ব্যৱস্থাৰ কাম সোনকালে আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে, ৰাজ্যত ক্ৰীড়া আন্তঃগাঁথনি আৰু উন্নয়নৰ প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে খেলুৱৈসকলৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত এখন মঞ্চ প্ৰদান কৰাৰ লক্ষ্যৰে সমগ্ৰ ৰাজ্যৰ লগতে যোৰহাটতো দুখন ক্ষুদ্ৰ ক্ৰীড়া প্ৰকল্পৰ কাম অব্যাহত ৰাখিছে। টীয়কৰ জগদুৱাৰত নিৰ্মিত প্ৰয়াত ললিত চন্দ্ৰ ৰাজখোৱা ক্ষুদ্ৰ ক্ৰীড়া প্ৰকল্পৰ কাম পৰিদৰ্শন কৰি আজি জিলা আয়ুক্তগৰাকীয়ে কামৰ অগ্ৰগতিৰ বুজ লয়। উক্ত ক্ৰীড়া প্ৰকল্পটিত ২০০ খন আসনযুক্ত এটা ইনড'ৰ ষ্টেডিয়াম, ৩০৬ খন আসনৰ ক্ষমতা থকা এটা গেলেৰী আৰু এখন সীমাৰ দেৱালেৰে নিৰ্মিত এই ক্ষুদ্ৰ ক্ৰীড়া প্ৰকল্পটো ২০২৬ চনৰ জানুৱাৰী মাহত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। তদুপৰি জিলা আয়ুক্তগৰাকীয়ে মৰিয়নিত নিৰ্মাণ কৰি থকা বাপুজী ক্ষুদ্ৰ ক্ৰীড়া প্ৰকল্পৰ কাম পৰিদৰ্শন কৰি অগ্ৰগতিৰ বুজ লয়। চলিত বৰ্ষৰ এপ্ৰিল মাহত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা এই ক্ষুদ্ৰ ক্ৰীড়া প্ৰকল্পটিত ২০০ খন আসনযুক্ত এটা ইনড'ৰ ষ্টেডিয়াম, ৩০৬ খন আসনৰ ক্ষমতা থকা এখন গেলেৰী আৰু সীমাৰ দেৱাল থাকিব। এই ক্ষুদ্ৰ ক্ৰীড়া প্ৰকল্প দুটাই স্থানীয় খেলুৱৈসকলক ক্ৰীড়াৰ ক্ষেত্ৰত নিজৰ দক্ষতা বিকাশৰ বাবে এক সুকীয়া মঞ্চ প্ৰদান কৰিব। জিলা আয়ুক্তগৰাকীৰ পৰিদৰ্শন কালত অতিৰিক্ত জিলা আয়ুক্ত, কাৰ্যবাহী অভিযন্তা (গৃহ) আৰু সংশ্লিষ্ট বিভাগৰ বিষয়াসকলে সংগ প্ৰদান কৰে।

# শিৱৰাত্ৰি উপলক্ষে সদৌ অসমভিত্তিত আয়োজিত বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**ই-সংবাদ, চামতা, ১ মাৰ্চঃ** অসম তথা উত্তৰ-পূব ভাৰতৰ ঐতিহ্যমণ্ডিত শিৱালয়সমূহৰ অন্যতম কুলবিলঘাট ৰাজহুৱা শিৱালয়ত ২৩ ফেব্ৰুৱাৰীৰ পৰা ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চলি থকা ৯৪ সংখ্যক শিৱৰাত্ৰি সভা মহোৎসৱ কালি নিশা সফল সামৰণি পৰে। এই উপলক্ষে আয়োজিত সদৌ অসম ভূপেন্দ্ৰ সংগীত, লোকগীত, একক নৃত্য প্ৰতিযোগিতা আৰু সদৌ অসম মহিলাৰ দলীয় বিয়ানাম প্ৰতিযোগিতাৰ ফলাফলসমূহ ঘোষণা কৰা হৈছে। ফলাফল অনুসৰি অসমৰ লোক সংগীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰিছে মান্যতা দত্তই। দ্বিতীয় পুৰস্কাৰ লাভ কৰিছে সাগৰ দাসে আৰু তৃতীয় পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰিছে- ইচিতা লহকৰ আৰু সমৰজিৎ কলিতাই। সদৌ অস মহিলাৰ দলীয় বিয়ানাম প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে বালিৰ মা-কালী নামতী দলে। দ্বিতীয় স্থান লাভ কৰিছে আমনিৰ নিলিমা বৰ্মনৰ দলে। তৃতীয় স্থান লাভ কৰিছে কৈঠালকুিৰ চিমি বৰ্মনৰ দলে আৰু বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ৫৪৭ নং সাহপুৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ দলে। সদৌ অসম লোকগীত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে দীপক ৰাজবংশীয়ে। দ্বিতীয় স্থান লাভ কৰে সাগৰ জ্যেতি দত্তই। তৃতীয় স্থান স্থান লাভ কৰে নাৰায়ণ দাসে। ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ভাবনা কলিতাই। দ্বিতীয় স্থান লাভ কৰে ভূমিকা শৰ্মা আৰু তৃতীয় স্থান লাভ কৰে নিহাৰিকা আলমে। শিৱালয়খনত মহা শিৱৰাত্ৰি উপলক্ষে লক্ষাধিক ভক্ত-দৰ্শনাৰ্থীৰ সমাগম হোৱাৰ পিছত কালি সামৰণিৰ দিনটোত পুৱাৰ ভাগত সহস্ৰাধিক ভক্তই মন্দিৰত পূজা-অৰ্চনা কৰে। আবেলি শোলমাৰাৰ গোপীনাথ কামৰূপীয়া ঢুলীয়া দলে অনুষ্ঠান পৰিৱেশন কৰে। সন্ধিয়া পাইকান বনমাজাৰ মহিলা বীৰ নাম দলে নাম পৰিৱেশন কৰে। ইয়াৰ পিছতে শিৱালয়ৰ শিৱৰাত্ৰি সভা মহোৎসৱৰ বিভিন্ন শিতানৰ মহান দাতাসকলক মঞ্চতে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। নিশা সাংস্কৃতিক অনুষ্ঠানত গীত-মাত পৰিৱেশন কৰে কণ্ঠশিল্পী পাৰ্থপ্ৰতিম বৈশ্য আৰু কৃষ্টি কাশ্যপে। ইয়াৰ আগে চামতাৰ দেৱদাৰু ডেন্স একাডেমীৰ শিক্ষাৰ্থীসকলে নৃত্যানুষ্ঠান আৰু চামতাৰ সৃষ্টি ড্ৰামা এণ্ড ডেন্স একাডেমীৰ অধ্যক্ষ হিৰণ্য ৰাজে কৌতুক অনুষ্ঠান পৰিৱেশন কৰে

# খাৰুৱা মিলন হাইস্কুলত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন

**ই-সংবাদ, বৰমা, ১ মাৰ্চঃ** নবেল বঁটা বিজয়ী বিশিষ্ট বিজ্ঞানী, আবিষ্কাৰক চি ভি ৰমনক সন্মান জনোৱাৰ বাবে ৰাষ্ট্ৰজুৰি পালন কৰা বিজ্ঞান দিৱস কালি বৰমাৰ নিকটৱৰ্তী খাৰুৱা মিলন হাইস্কুলত অসম বিজ্ঞান সমিতি বৰমা শাখাৰ উদ্যোগত আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ বৰমা ব্লকৰ সহযোগত উদযাপন কৰা হয়। এই উপলক্ষে শিক্ষকৰ দ্বাৰা বিজ্ঞানৰ যাদু আৰু ছাত্ৰ-ছাত্ৰীয়ে প্ৰস্তুত কৰা বিজ্ঞানৰ প্ৰকল্প প্ৰদৰ্শন কৰে। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন উপলক্ষে অনুষ্ঠিত কৰা মুকলি সভাত সভাপতিত্ব কৰে খাৰুৱা মিলন হাইস্কুলৰ প্ৰধান শিক্ষক ৰঞ্জিত বৈশ্যই। বিজ্ঞান শিক্ষক অমিত কুমাৰ শৰ্মাই উদ্যেশ্য ব্যাখ্যা কৰা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বি এইচ বি সৰুপেটা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ ফণীধৰ তালুকদাৰে ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান মনস্কতাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অনুসন্ধিসু মনেৰে বিজ্ঞান বিষয় অধ্যয়ন কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে প্ৰতিটো ঘটনা-পৰিঘটনা যুক্তিৰে বিচাৰ কৰিব লাগে বুলি উল্লেখ কৰে। সভাত আন এজন বিশিষ্ট অতিথি অসম বিজ্ঞান সমিতিৰ ৰাজ্যিক সদস্য জিতু কলিতাই বক্তব্য আগবঢ়াই চি ভি ৰমনৰ 'ৰমন পৰিঘটনা'ৰ আৱিষ্কাৰৰ আঁৰৰ কাহিনী ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। বৰমা মহাবিদ্যালয়ৰ প্ৰবক্তা জয়ন্ত কুমাৰ দাস, সাংবাদিক দিলীপ কুমাৰ হালৈয়েও বিজ্ঞান দিৱসৰ তাৎপৰ্যৰ বিষয়ে সুন্দৰ আৰু সাৰুৱা বক্তব্য আগবঢ়ায়। সভাৰ অন্তত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰত থকা টেলিস্কোপকে ধৰি বিজ্ঞানৰ বিভিন্ন সঁজুলিৰ বিষয়ে সম্যক ধাৰণা দিয়া হয়। বিজ্ঞান দিৱসত শিক্ষক বীৰেন তালুকদাৰ, মুনিন্দ্ৰ কুমাৰ শৰ্মা, ডেইজী বৰকাকতি, কল্পনা ডেকা, মীনাক্ষী দাস, শ্বৰিফুল হক আৰু গকুল বৰ্মন উপস্থিত থাকে।

# সীমান্ত দৰ্শন যাত্ৰা চেতনা মঞ্চৰ অংশগ্ৰহণকাৰীক উষ্ণ আদৰণি

**ই-সংবাদ, গোলকগঞ্জ, ১ মাৰ্চঃ** অখিল ভাৰতী বিদ্যাৰ্থী পৰিষদৰ উদ্যোগত আৰম্ভ হোৱা সীমান্ত দৰ্শন যাত্ৰাত অংশগ্ৰহণকাৰীসকলক কালি ধুবুৰী জিলা সীমান্ত চেতনা মঞ্চই গোলকগঞ্জত উষ্ণ আদৰণি জনায়। এই উদ্দেশ্যে গোলকগঞ্জৰ জগমোহন বিদ্যাপীঠত এখন আদৰণি সভা অনুষ্ঠিত হয়। সীমান্ত চেতনা মঞ্চৰ জিলা সভাপতি হেমন্ত কুমাৰ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত সভাত সীমান্ত পৰিদৰ্শনৰ বাবে অহা অখিল ভাৰতী বিদ্যাৰ্থী পৰিষদৰ সদস্যসকলক সীমান্তৰ বিভিন্ন স্থানৰ লগতে ঐতিহ্যপূৰ্ণ স্থানসমূহৰ সম্যক ধাৰণা দিয়ে। সভাত অখিল ভাৰতী বিদ্যাৰ্থী পৰিষদৰ জিলা প্ৰচাৰ প্ৰমুখ ভাস্কৰ সৰকাৰ, সীমান্ত চেতনা মঞ্চৰ ৰাজ্যিক সাধাৰণ সম্পাদক দেৱাশীস দত্ত, সম্পাদক যোগেন্দ্ৰনাথ ৰায়, জিলা সম্পাদক বিশ্বজিত ৰায় আদি উপস্থিত থাকে। উজনি অসমৰ বিভিন্ন স্থানৰ পৰা অখিল ভাৰতী বিদ্যাৰ্থী পৰিষদৰ ত্ৰিশজনীয়া এটা দল কালি ধুবুৰীত উপস্থিত হয়। কালি ধুবুৰীৰ নেতাই ধুবুনী ঘাট পাঁচপীৰ দৰগাহ আদি পৰিদৰ্শন কৰি নিশা গুৰুদ্বাৰত নৈশ যাপন কৰে। সভাৰ পিছতে ভাৰত-বাংলাদেশ সীমান্ত অঞ্চললৈ যায়। ছাত্ৰ-ছাত্ৰীসকলে সীমান্তৰ আৰ্থসামাজিক, ৰাজনৈতিক কৃষি, শিক্ষা, ধৰ্ম, সংস্কৃতি, আন্তৰ্জাতিক সমস্যা আদিৰ বিষয়ে তাত জৰীপ সম্পন্ন কৰিব।

# ডাঃ বাণীকান্ত বৈশ্যৰ বিয়োগত পূব বংশৰত শোকৰ ছাঁ

**ই-সংবাদ, শুৱালকুছি, ১ মাৰ্চঃ** কামৰূপৰ দলিবাৰী নিৱাসী বিশিষ্ট সমাজকৰ্মী, সু-চিকিৎসক, সমাজ ৰত্ন, অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্য সঞ্চালক শিশুৰোগ বিশেষজ্ঞ ডাঃ বাণীকান্ত বৈশ্যৰ কালি সন্ধিয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। চিকিৎসা বিষয়ত স্বৰ্ণপদক লাভ কৰা ডা° বাণীকান্ত বৈশ্য বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। বৈশ্যই অসম সাহিত্য সভাৰ (১৯৭৮) শুৱালকুছি অধিৱেশনৰ আদৰণি সমিতিৰ স্বাস্থ্য উপ-সমিতিৰ যুটীয়া সম্পাদক আছিল। ইয়াৰ উপৰিও আমছাৰ সম্পাদক, দলিবাৰী ছোৱালী হাইস্কুলৰ সভাপতি, ৰৌমাৰী হাইস্কুলৰ প্ৰতিষ্ঠাপক সভাপতি, পূব বংশৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি, দদৰা আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতিৰ লগতে পূব বংশৰ জ্যেষ্ঠ নাগৰিক সম্মিলনৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। পূব বংশৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে তেওঁ ওতঃপ্ৰোতভাৱে জড়িত আছিল। ২০২৩ বৰ্ষত পূব বংশৰ অঞ্চলৰ অন্যতম সামাজিক সংগঠন ২ নং পূব বংশৰ সমন্বয় সমিতিয়ে ডাঃ বাণীকান্ত বৈশ্যক অঞ্চলটোৰ সমাজ ৰত্ন বঁটা প্ৰদানেৰে সন্মান কৰিছিল। চিকিৎসকগৰাকীৰ মৃত্যুত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা শুভাকাংক্ষীয়ে তেওঁৰ বাসগৃহত উপস্থিত হৈ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ২ নং পূব বংশৰ সমন্বয় সমিতি, পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থা, বিজেপি নেতা প্ৰকাশ দাস, দিবাকৰ কলিতা, অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসুদন মেধী আদিকে ধৰি বিশিষ্ট ব্যক্তিসকল তেওঁৰ বাসগৃহত উপস্থিত হৈ শোকপ্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনিগৰাকী পুত্ৰক এৰি যায়।

# সংৰক্ষণ ক্ষমতা মহোৎসৱৰ সামৰণি

ই-সংবাদ, গুৱাহাটী, ১ মাৰ্চঃ ভাৰত চৰকাৰৰ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ নিৰ্দেশনাত সমগ্ৰ তেল উদ্যোগৰ অংশগ্ৰহণেৰে যোৱা ১৪ ফেব্ৰুৱাৰীত আৰম্ভ হোৱা পেট্ৰ'লিয়ামজাত সামগ্ৰী সংৰক্ষণৰ বাবে সজাগতা অনুষ্ঠান 'সক্ষম ২০২৪-২৫'(সংৰক্ষণ ক্ষমতা মহোৎসৱ)ৰ সামৰণি অনুষ্ঠান কালি গুৱাহাটীত অনুষ্ঠিত হয়। উল্লেখ্য যে, ভাৰত চৰকাৰৰ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ নিৰ্দেশনাত সমগ্ৰ তেল উদ্যোগৰ অংশগ্ৰহণেৰে প্ৰতি বছৰে এক কাৰ্যসূচীৰ জৰিয়তে পেট্ৰ'লিয়াম সামগ্ৰীৰ সংৰক্ষণৰ বাবে সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হয়। ১৪ ফেব্ৰুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ নতুন দিল্লীত কেন্দ্ৰীয়ভাৱে আৰম্ভ হোৱা এই সজাগতামূলক অনুষ্ঠান 'সক্ষম' প্ৰতিখন ৰাজ্যত অনুষ্ঠিত হয়। এই সজাগতা অভিযানৰ উদ্দেশ্য হৈছে স্বাস্থ্য আৰু পৰিৱেশ সুৰক্ষাৰ বাবে পেট্ৰ'লিয়াম সামগ্ৰীৰ সংৰক্ষণ আৰু কাৰ্যকৰী ব্যৱহাৰৰ প্ৰয়োজনীয়তা, সমস্যা আৰু সমাধানৰ বিষয়ে জনসাধাৰণক সজাগ কৰা।

# পুৰণিগুদামত আধুনিক বিজ্ঞান তথা কৃষ্ণগহ্বৰ শীৰ্ষক বিষয়ক বক্তৃতানুষ্ঠান

ই-সংবাদ, পুৰণিগুদাম, ১ মাৰ্চঃ ইলোৱা বিজ্ঞান মঞ্চৰ পুৰণিগুদাম আৰু নগাঁও শাখাৰ যৌথ উদ্যোগত আৰু পুৰণিগুদামৰ ড০ বিৰিঞ্চি কুমাৰ মহাবিদ্যালয়ৰ তথ্য আৰু প্ৰযুক্তি বিভাগৰ সহযোগত পুৰণিগুদামৰ ড০ বিৰিঞ্চি কুমাৰ মহাবিদ্যালয় প্ৰাংগণত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত বক্তৃতা অনুষ্ঠানত "আধুনিক বিজ্ঞান আৰু কৃষ্ণ গহ্বৰ" শীৰ্ষক বিষয়ক ভাষণ প্ৰদান কৰি বিশিষ্ট নিবন্ধকাৰ তথা অৱসৰপ্ৰাপ্ত অভিযন্তা ধ্ৰুৱজ্যোতি বৰাই কৃষ্ণ গহ্বৰ সম্পৰ্কে সৰল ব্যাখ্যা আগবঢ়োৱাৰ লগতে জ্যোতিৰ্বিজ্ঞান সম্পৰ্কে বিভিন্ন তথ্য ৰাইজক অৱগত কৰে। তেওঁ চিভি ৰমনৰ জীৱন পৰিক্ৰমা তথা চিভি ৰমনৰ আৱিষ্কাৰসমূহৰ বিষয়েও এক অৱলোকন আগবঢ়ায়।"প্ৰাচীন ভাৰতত বিজ্ঞান চৰ্চা" বিষয়ত বক্তৃতা প্ৰদান কৰি বিশিষ্ট চিকিৎসক তথা নিবন্ধকাৰ বিকাশ কুমাৰ হাজৰিকাই প্ৰাচীন ভাৰতৰ ঋষিমুনিসকলে চৰ্চা কৰা অংক, জ্যোতিৰ্বিদ্যা, চিকিৎসাবিদ্যা আদিৰ বিষয়ে বিৱৰি কয়। বৈদিক যুগৰ বিভিন্ন শ্লোক বিশ্লেষণ কৰি তেওঁ আধুনিক বিজ্ঞানৰ সৈতে প্ৰাচীন ভাৰতীয় বিজ্ঞানৰ সিদ্ধান্তসমূহৰ তুলনা কৰি কয় যে, এয়া নৱপ্ৰজন্মক জনোৱাটো অতিকে প্ৰয়োজনীয়। অমৰেন্দ্ৰনাথ শৰ্মা আৰু প্ৰেমানন্দ বৈৰাগীৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে যজ্ঞেশ্বৰ শৰ্মাই। ধন্যবাদসূচক বক্তব্য আগবঢ়ায় মহাবিদ্যালয়খনিৰ অধ্যক্ষ ড০ নৃপেন চন্দ্ৰ দাসে। শলাগৰ শৰাই আগবঢ়ায় পুৰণিগুদাম শাখাৰ সম্পাদিকা মেঘালী গায়নে।এই অনুষ্ঠানতে মৰণোত্তৰ দেহদানৰ শেষ ইচ্ছাপত্ৰ দাখিল কৰে জনপ্ৰিয় কুইজ পৰিচালক হাতীচোং নিৱাসী চন্দ্ৰজিৎ দাসে। সভাত দেহদানৰ স্বীকৃতি পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয় পুৰণিগুদাম নিবাসী দিপীকা খাউণ্ড আৰু মীনা বৈৰাগী শইকীয়াক। ড০ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ তথ্য আৰু প্ৰযুক্তি বিভাগৰ ছাত্ৰ নীলম বৰাই অনুষ্ঠানত বিজ্ঞান বিষয়ত এটি সুন্দৰ বক্তব্য দাঙি ধৰে।অনুষ্ঠানত আকাশবাণী নগাঁও কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক পল্লৱী কলিতা, সত্ৰাধিকাৰ কৃষ্ণ গোস্বামী, সাহিত্যিক যোগানন্দ ভুঞা, বিপুল মজিন্দাৰ, কবি প্ৰফুল্ল কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক পৰেশ শইকীয়া, প্ৰলয় শৰ্মা, জ্যোতিময় গোস্বামী, বিৰিঞ্চি বৰা,কলং কলা কেন্দ্ৰৰ সম্পাদক চিত্তৰঞ্জন বৰা, ইলোৱা বিজ্ঞান মঞ্চৰ নগাঁও শাখাৰ সম্পাদক সত্যজিৎ ৰুয়, উৎপল বৰা, গুণেন্দ্ৰ চক্ৰৱৰ্তী, কুইজ মাষ্টাৰ চন্দ্ৰজিৎ দাস, অজিত কুমাৰ ভট্টাচাৰ্য, দীপিকা খাউণ্ড, সুমন বৰা, নিয়ৰ ফুকন, নিলম বৰা, হেমন্ত শইকীয়া, প্ৰদীপ শইকীয়া, মিনা বৈৰাগী শইকীয়া, শিশুবন্ধু দুলাল বৰা, কনিস্ক দাস, কুলদ্বীপ বৰকাকতি, মৃঙ্গাক বৰা, মনশ্ৰী হাজৰিকা, অনামিল বেনজি আদি কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# গেলেকীত চাহ মজদুৰ সংঘৰ প্ৰীতি সন্মিলন



**ই-সংবাদ, গেলেকী, ১ মাৰ্চঃ** অসম চাহ মজদুৰ সংঘৰ নাজিৰা শাখা আৰু মৰাণ শাখাৰ উদ্যোগত গেলেকী চাহ বাগিচাৰ আতিথ্যত সম্প্ৰীতি-সমন্বয়ৰ উদ্দেশ্যে তথা চাহৰ ২০০ বছৰীয়া পূৰ্ত্তি উপলক্ষে প্ৰীতি সন্মিলন আয়োজন কৰা হয়। গেলেকী চাহ বাগিচাৰ ইক' পাৰ্কত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় এই বৰ্ণাঢ্য অনুষ্ঠানৰ। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰ, নাজিৰা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়া, ৰাজ্যৰ কেইবাখনো জিলাৰ বাগিচাৰ মালিক, চাহ শ্ৰমিক মহিলা সংগঠনৰ বিষয়ববীয়াৰ, গেলেকী প্ৰেছ ক্লাবৰ সভাপতি ৰাহিদ আলী, গেলেকী চাহ বাগিচাৰ পৰিচালক, উদ্যোক্তা নাজিৰা শাখা চাহ মজদুৰ সংঘৰ সম্পাদক ভদ্ৰ ৰাজোৱাৰ, মৰাণ শাখাৰ সম্পাদক লক্ষেশ্বৰ তাঁতী। অনুষ্ঠানটোত স্থানীয় বহুসংখ্যক চাহ জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিত এখন ৰাজহুৱা সভা আয়োজন কৰা হয়। সভাত উপস্থিত থাকি চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰে বক্তৃতা প্ৰদান কৰে। চাহ শ্ৰমিকৰ বিভিন্ন সমস্যাৰ লগতে চাহ উদ্যোগৰ ভৱিষ্যতক লৈ উদ্বেগ প্ৰকাশ কৰে ঘাটোৱাৰে। ঘাটোৱাৰে কয় যে চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত ধঁপাত জাতীয় সামগ্ৰীৰ প্ৰচলন অধিক বৃদ্ধি পাইছে। যাৰবাবে হয়তু এই জনগোষ্ঠীৰ লোকসকলৰ ভৱিষ্যতে বিভিন্নধৰণৰ বেমাৰ হোৱা সম্ভাৱনা অধিক আছে। সেয়েহে বাগান পৰিচালক আৰু চৰকাৰক চাহ জনগোষ্ঠীৰ লোকসকৰ শিক্ষা আৰু স্বাস্থ্যৰ দিশত কাম কৰিবলৈ আহ্বান কৰে প্ৰাক্তন মন্ত্ৰীগৰাকীয়ে। অনুষ্ঠানটিত উপস্থিত থাকি নাজিৰা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াই চাহ উদ্যোগৰ অতীত আৰু ভৱিষ্যতৰ বিষয়ে বক্তৃতা প্ৰদান কৰে। প্ৰাকৃতিক পৰিৱেশ সলনি হোৱাৰ লগে লগে চাহ গছৰ ওপৰত পৰা প্ৰভাৱৰ বিষয়ে সভাসদসকলৰ আগত অৱগত কৰে বিধায়ক শইকীয়াই। লগতে আজিৰ সভাত উপস্থিত থকা কেইবাজনো বিশিষ্ট ব্যক্তিয়ে নিজৰ নিজৰ মনৰ ভাৱ আৰু এই ২০০ বছৰ পূৰ্ত্তিত চাহ জনগোষ্ঠীটোৱে কি পালে, কি হেৰুৱালে সকলো কথা আলোকপাত কৰে। সভাত পৰিৱেশন কৰা ঝুমুৰ নৃত্যই অনুষ্ঠানটি জীপাল কৰি তুলে। অনুষ্ঠানটিৰ শেষত এক প্ৰীতিভোজৰ আয়োজন কৰা হয়।

# আজি দুলীয়াজান সাহিত্য সভাৰ ৩০ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, দুলীয়াজান, ১ মাৰ্চঃ** অসম সাহিত্য সভাৰ দুলীয়াজান অধিৱেশনৰ অন্যতম উদ্যোক্তা, দুলীয়াজান সাহিত্য সভাৰ ৩০ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন কাইলৈ অনুষ্ঠিত হ'ব। দিনজোৰা কাৰ্যসূচীৰে দুলীয়াজান সাহিত্য সভাৰ বৰদলৈ ভৱনত অনুষ্ঠিত কৰিবলৈ লোৱা অধিৱেশনৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰিব দুলীয়াজান সাহিত্য সভাৰ সভাপতি ৰঞ্জন মহন্তই। আনহাতে, স্মৃতি তৰ্পণ কৰিব শাখাৰ উপ-সভাপতি ব্ৰজেন গগৈ আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মনোজ দত্তই। সাধাৰণ সভা আৰু বিষয়বাছনি সভা উদ্বোধন কৰিব দুলীয়াজান সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হেমেন নেওগে। বিয়লিলৈ মুকলি সভা, সম্বৰ্ধনা আৰু বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ'ব। উক্ত সভাত মুখ্য অতিথি হিচাপে অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত উপ-সভাপতি পদুম ৰাজখোৱা আৰু বিশিষ্ট অতিথি হিচাপে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উপ-সভাপতি প্ৰশান্ত নেওগ উপস্থিত থাকিব। আনহাতে এই অনুষ্ঠানতে দুলীয়াজান সাহিত্য সভাৰ ২০২৩-২৪ বৰ্ষৰ ঘোষিত বঁটাসমূহ প্ৰদান কৰিব। ঘোষণা কৰা অনুসৰি গদাধৰ বৰঠাকুৰ সোঁৱৰণী আজীৱন সাহিত্য সেৱা বঁটা দুলীয়াজান সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা প্ৰথম পত্ৰিকা সম্পাদক কান্তেশ্বৰ পাঠক, মৃদুল বৰুৱা সোঁৱৰণী শ্ৰেষ্ঠ কবি বঁটা সত্যজিৎ গগৈ, ভৰত চন্দ্ৰ বৰুৱা সোঁৱৰণী শ্ৰেষ্ঠ প্ৰবন্ধকাৰ বঁটা শশীন্দ্ৰ শৰ্মা, নাৰায়ণ মহন্ত সোঁৱৰণী শ্ৰেষ্ঠ সাহিত্যকৰ্মী বঁটা পবিত্ৰ বৰঠাকুৰ আৰু দুলীয়াজান সাহিত্য সভাৰ শ্ৰেষ্ঠ সমন্বয়কৰ বঁটা প্ৰদান কৰিব অসম সাহিত্য সভাৰ সংবাদ কাকতৰ সম্পাদক গৌতম গগৈয়ে লাভ কৰিছে। সভাত অইল ইণ্ডিয়া লিমিটেডৰ মহাপ্ৰবন্ধক নৰব্ৰত গগৈয়ে দুলীয়াজান সাহিত্য সভাৰ মুখপত্ৰ উৰ্বীজা উন্মোচন কৰিব। সেয়েহে উক্ত দিনাৰ কাৰ্যসূচীত সকলো সাহিত্য সভাৰ কৰ্মী তথা সাহিত্যনুৰাগী ৰাইজৰ সহায় সহযোগ উপস্থিতি দুলীয়াজান সাহিত্য সভাৰ সভাপতি ৰঞ্জন মহন্ত আৰু সম্পাদক লোহিত দত্তই কামনা কৰিছে।




**ৰঙালাও ৰপ্তানিৰে অভিলেখ গঢ়িছে মৰিগাঁৱৰ কৃষকে, ফটোঃ ই-সংবাদ, লাহৰীঘাট**

# ৰঙালাও ৰপ্তানিৰে অভিলেখ গঢ়িছে মৰিগাঁৱৰ কৃষকে

**ই-সংবাদ, লাহৰীঘাট, ১ মাৰ্চঃ** ৰঙালাও ৰপ্তানিৰ ক্ষেত্ৰত অভিলেখ ৰচি ৰাজ্যৰ কৃষিখণ্ডলৈ এক অত্যন্ত উৎসাহজনক আৰু সুখবৰ কঢ়িয়াই আনিছে মৰিগাঁৱৰ একাংশ কৃষকে। ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি শনিবাৰে জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ উপস্থিতিত মৰিগাঁও কৃষি চক্ৰৰ অধীনৰ শ'লমাৰী মিকিৰগাঁৱৰপৰা কলকাতা লৈ প্ৰায় ২৪ মেট্ৰিক টন ৰঙালাও ৰপ্তানি কৰা হয়। ৰঙালাও, তৰমুজ, কেপচিকাম ধাৰাবাহিকভাৱে ৰাষ্ট্ৰীয় বজাৰলৈ ৰপ্তানি হৈ থকাৰ সময়তে পুনৰ জিলাখনত উৎপাদিত ৰঙালাও ৰাষ্ট্ৰীয় বজাৰলৈ ৰপ্তানিৰ খবৰে কৃষকসকললৈ আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। জিলা কৃষি বিভাগৰ সহযোগত মিকিৰগাঁৱৰ প্ৰগতিশীল কৃষক পবিত্ৰ বৰদলৈয়ে প্ৰায় ৫০ বিঘা মাটিত উন্নত ১৩৭ জাতৰ ৰঙালাও খেতি কৰি উৎপাদিত ফচলেৰে লাভৰ মুখ দেখিবলৈ সক্ষম হৈছে। প্ৰতিকেজি ৰঙালাও উচিত মূল্যত ৰাষ্ট্ৰীয় বজাৰত বিক্ৰীৰ জৰিয়তে কৃষকগৰাকী আৰ্থিকভাৱে লাভান্বিত হৈছে। ৰাষ্ট্ৰীয় বজাৰলৈ ৰঙালাও ৰপ্তানিৰে কৃষিখণ্ডলৈ উৎসাহজনক আৰু সুখবৰ কঢ়িয়াই অনাৰ লগতে কৃষকসকলে আনন্দ প্ৰকাশ কৰিছে। আজি ৰঙালাও আনুষ্ঠানিকভাৱে ৰপ্তানি কৰাৰ মূহুৰ্তত জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া পদুম বৰা, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথ উপস্থিত থাকে।

# নগাঁও জিলা সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সমিতিৰ দায়িত্বভাৰ গ্ৰহণ

## প্ৰৱাসী অসমীয়া সন্মিলনী কোষৰ লগতে ১৯ খন উপ-সমিতি গঠন

**নগাঁও, ১ মাৰ্চঃ** অসম সাহিত্য সভাৰ অন্যতম অগ্ৰণী জিলা সভাৰূপে পৰিচয় থকা নগাঁও জিলা সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ বাবে নৱগঠিত কাৰ্যনিৰ্বাহক সমিতিখনে আজি দায়িত্বভাৰ গ্ৰহণ কৰে। নৱনিৰ্বাচিত সভাপতি বিশিষ্ট কবি, নিৱন্ধকাৰ ড° শৰৎ বৰকটকীৰ পৌৰোহিত্যত জিলা সাহিত্য সভাৰ কমলাদেৱী টোডী স্মৃতি ভৱনত অনুষ্ঠিত সভাত মুঠ ১৯খন উপ-সমিতি গঠনৰে কাৰ্যভাৰ অৰ্পণ কৰা হয়। নৱনিৰ্বাচিত সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই আঁতধৰি আগবঢ়াই নিয়া উক্ত সভাত বিদায়ী জিলা সম্পাদক ৰেৱত কুমাৰ হাজৰিকাক অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদকৰূপে নিৰ্বাচিত হোৱাত জিলা সভাৰ লগতে বহুকেইখন শাখা সভায়ো সম্বৰ্ধনা জনায়। জিলা সভাৰ নৱনিৰ্বাচিত উপ-সভাপতি মৃণাল কুমাৰ হাজৰিকাই ভাষণ প্ৰদান কৰি অনাগত সময়ত শাখাসমূহৰ সহযোগ কামনা কৰে। তদুপৰি এইবাৰ নগাঁও জিলা সাহিত্য সভাই পোনপ্ৰথমবাৰৰ বাবে নিজা এটা ৱেব-পেজ, ই-মেইল আৰু ফেচবুক একাউন্ট খুলিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে বুলি সভাপতি ড° শৰৎ বৰকটকীয়ে লগতে সভাত অৱগত কৰে। আনহাতে, অসমীয়া জাতিৰ ভাষা সাহিত্য আৰু সংস্কৃতিৰ সংকটৰ সময়ত সমাজখনক চিৰ চেনেহী মোৰ ভাষা জননীৰ পতাকাৰ তলত জাতি-বৰ্ণ নিৰ্বিশেষে সকলোকে ধৰি ৰখাৰ স্বাৰ্থত অসম সাহিত্য সভাৰ সংবিধান সংশোধন কৰিবলৈ কেন্দ্ৰীয় সভাক অনুৰোধ জনায় এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰাৰ উপৰি আজিৰ সভাত মুঠ ১৪ টা প্ৰস্তাৱ পাঠ কৰে জিলা সভাৰ নৱনিৰ্বাচিত সহকাৰী সম্পাদক মৃগাংক বৰাই। এই সভাত জিলা সভাৰ প্ৰাক্তন সভাপতি ৰতিমোহন নাথ, পৰাণ কুমাৰ বৰুৱা, অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ প্ৰাক্তন সম্পাদক প্ৰতাপ হাজৰিকা, জিলা সভাৰ বিদায়ী সভাপতি ঠগিত চন্দ্ৰ মহন্ত, প্ৰাক্তন উপ-সভাপতিদ্বয় উপেন চন্দ্ৰ বৰা, ভৱেশ মেধি, সদৌ অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক প্ৰান্তিক গোস্বামী, ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, প্ৰিয়ঙ্কু শৰ্মা, কবি-লেখক-সাহিত্যিক মহেশ চন্দ্ৰ নাথ, লৱকান্ত শৰ্মা, গীতা মহন্ত শইকীয়া, প্ৰাঞ্জল বৰদলৈ, ঘনকান্ত বৰা, প্ৰদীপ শইকীয়া, দীপ্তি বৰা, আবুল খায়েৰ আহমেদ, কবিন চন্দ্ৰ পাটৰ, কন্দৰ্প কুমাৰ কলিতা, অৱসৰপ্ৰাপ্ত অধ্যাপক মোহিনী মোহন ডেকা, নাট্যকাৰ সপোনটি বৰদলৈ, বিশিষ্ট গায়ক আৰিফুল হক, প্ৰাক্তন ছাত্ৰনেতা সুৰজিত গোস্বামী, অভিজিৎ শৰ্মা, অমৰজিত গোস্বামী, জিতেন শৰ্মা, বাবুল বৰা আৰু জেহিদুৰ ৰহমান আদিৰ লগতে প্ৰায়বোৰ শাখাৰ সভাপতি আৰু সম্পাদক সহিতে জিলাখনৰ শতাধিক লোক উপস্থিত থাকে। নতুন সমিতিখনে সভাক নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

## বালিজুৰিত বিধায়ক জিতু গোস্বামীৰ পথৰ আধাৰশিলা স্থাপন

**ই-সংবাদ, পুৰণিগুদাম, ১ মাৰ্চঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ বালিজুৰিত কালি বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে বালিজুৰি মুৰহা গাঁৱৰপৰা কঠীয়াতলি আমলখি পথলৈ দুই কিলোমিটাৰ অংশৰ পকী পথৰ কামৰ আধাৰশিলা স্থাপন কৰে। লোকনিৰ্মাণ পথ বিভাগৰ নগাঁও, বটদ্ৰৱা, ৰহা, বঢ়মপুৰ ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনত নিৰ্মাণ হ'বলগা পথটোৰে বৃহত্তৰ অঞ্চলটোৰ যাতায়াত ব্যৱস্থা উন্নত কৰিব। আজি পথটোৰ আধাৰশিলা স্থাপন অনুষ্ঠানত বিধায়ক জিতু গোস্বামীৰ উপৰি কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, সাধাৰণ সম্পাদক অৰবিন্দ চৌধুৰী, তিৱা




কাউন্সিলৰ অধ্যক্ষ মদন বৰদলৈ, লোকনিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ললিত হাজৰিকাকে ধৰি বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## অইলৰ ক্ষেত্ৰীয় মুখ্য কাৰ্যালয়ত 'সংৰক্ষণ ক্ষমতা মহোৎসৱ' পালন



**ই-সংবাদ, দুলীয়াজান, ১ মাৰ্চঃ** মহাৰত্ন উদ্যোগ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডে সেউজ আৰু বিশুদ্ধ শক্তিৰ ব্যৱহাৰেৰে গঢ়ক নিৰ্মল পৰিৱেশ মূলমন্ত্ৰৰে যোৱা ১৪ ফেব্ৰুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈকে সংৰক্ষণ ক্ষমতা মহোৎসৱ পালন কৰে। দুলীয়াজানস্থিত অইলৰ ক্ষেত্ৰীয় মুখ্য কাৰ্য্যালয়ত অনুষ্ঠিত সংৰক্ষণ ক্ষমতা মহোৎসৱৰ কাৰ্য্যসূচীৰ জৰিয়তে স্বাস্থ্য আৰু প্ৰকৃতিৰ সুৰক্ষাৰ বাবে আৰু লগতে খাৰুৱা তেলৰ আমদানিৰ ওপৰত ভাৰতৰ নিৰ্ভৰশীলতা হ্ৰাসৰ বাবে ইন্ধনৰ সংৰক্ষণ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা হয়। অইলে এই সময়ছোৱাত কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণকে ধৰি সকলো অংশীদাৰক জড়িত কৰি বিভিন্ন ধৰণৰ কাৰ্য্যসূচী কৰ্মশালা আৰু ভাৱ-বিনিময় অনুষ্ঠান আদি অনুষ্ঠিত হয়। তদুপৰি, শক্তি সংৰক্ষণৰ প্ৰচেষ্টাত জনসাধাৰণকো অংশগ্ৰহণ কৰিবলৈ উৎসাহিত আৰু সজাগ কৰাৰ উদ্দেশ্যে অনুষ্ঠানৰ সৈতে সংগতি ৰাখি শপত গ্ৰহণ অনুষ্ঠান, ৰাকাথন, কুইজ, চেমিনাৰ, তৰ্ক আৰু চাইক্ল'থন আদি অনুষ্ঠিত হয়। লগতে, জলবায়ু পৰিৱৰ্তন আৰু বহনক্ষম শক্তি পদ্ধতিসমূহৰ সম্পৰ্কে বাৰ্তা বিয়পোৱাত ছ'চিয়েল মিডিয়াত পোষ্টিং, কমিউনিটি ৰেডিঅ' সম্প্ৰচাৰ আৰু বিদ্যালয় পৰ্যায়ৰ সজাগতামূলক কাৰ্যসূচীসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পৰিষ্কাৰ ইন্ধন ব্যৱহাৰৰ পোষকতা কৰি আৰু ঔদ্যোগিক আৰু ঘৰুৱা খণ্ডত শক্তি সঞ্চয়ৰ ব্যৱস্থাসমূহক প্ৰসাৰিত কৰি শক্তি সংৰক্ষণৰ প্ৰতি অইলে নিজৰ দায়বদ্ধতাক দৃঢ় কৰি তুলিছে।

# মাৰ্ঘেৰিটাত পুৰুষ ডাবল নৈশ বেডমিণ্টন টুৰ্ণামেণ্ট আৰম্ভ

**ই-সংবাদ, মাৰ্ঘেৰিটা, ১ মাৰ্চঃ** মাৰ্ঘেৰিটাত ভাৰতীয় জনতা যুৱ মৰ্চাৰ মাৰ্ঘেৰিটা টাউন মণ্ডলৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে অসম ভিত্তিত অনুষ্ঠিত নৈশ বেডমিণ্টন টুৰ্ণামেণ্টৰ শুক্ৰবাৰে শুভ উদ্বোধন কৰা হয়। শুক্ৰবাৰে নিশা উত্তৰ মাৰ্ঘেৰিটা ৰঙ্গমঞ্চত টুৰ্ণামেণ্টৰ শুভ উদ্বোধন কৰে মাৰ্ঘেৰিটাৰ বিধায়ক প্ৰতিনিধি দিছেন টিপমীয়াই। তেওঁক সহযোগ কৰে সত্যৰঞ্জন বৰকাকতী, ৰঞ্জিত বৰপূজাৰী আৰু ভীম কৰ্মকাৰে। প্ৰথম বিজয়ী দলক নগদ ১২ হাজাৰ টকা আৰু দ্বিতীয় বিজয়ী দলক নগদ ৮ হাজাৰ টকাৰে পুৰস্কৃত কৰা হ'ব। উক্ত অনুষ্ঠানত উপস্থিত থাকে জ্যেষ্ঠ নাগৰিক তথা বিশিষ্ট সমাজসেৱক নৰেশ্বৰ হাজৰিকা, মাৰ্ঘেৰিটা জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক তথা মাৰ্ঘেৰিটা পৌৰ সভাৰ ১নং ৱাৰ্ড কমিছনাৰ সত্যৰঞ্জন বৰকাকতী, উপ-সভাপতি যুৱ সমাজকৰ্মী ৰঞ্জিত বৰপূজাৰী, বিজেপিৰ তিনিচুকীয়া জিলা সম্পাদক ভৰেশ দত্ত, জ্যেষ্ঠ বিজেপি তথা পৌৰসভাৰ ৫নং ৱাৰ্ড কমিছনাৰ ভীম কৰ্মকাৰ, সমাজ সেৱিকা মুনমী গগৈ, সমাজকৰ্মী জিতু বৰগোঁহাইসহ মাৰ্ঘেৰিটাৰ বহু সংখ্যক ক্ৰীড়াপ্ৰেমী ৰাইজ।

# ভেহবাৰীত ক্ৰিকেট প্ৰতিযোগিতা

**ই-সংবাদ, মুছলপুৰ, ১ মাৰ্চঃ** বাক্সা জিলাৰ সদৰ মুছলপুৰৰ নিকটৱৰ্তী ভেহবাৰীত অনুষ্ঠিত টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত বিদ্যুৎ ইলেভেন দলে গাৱামদেউ ক্ৰিকেট ক্লাবক পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। মুঠ ২৫টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত গাৱামদেউ ক্ৰিকেট ক্লাব ৰাণাৰ্ছআপ হয়। ভেহবাৰী স্প'ৰ্টছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত বিশেষ সহযোগিতা আগবঢ়ায় আখটাৰ হুছেইনে। ভেহবাৰী স্প'ৰ্টছ ক্লাবৰ সভাপতি মুকুট আলীয়ে আঁতধৰা বঁটা বিতৰণী সভাত বিটিচিৰ পাৰিষদ ঘনশ্যাম দাস, বাক্সা জিলা ভাৰতীয় জনতা যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক মানস প্ৰতীম কলিতা উপস্থিত থাকে। উল্লেখ্য যে ৰানাৰ্ছআপ খিতাপ লাভ কৰি গাৱামদেউ ক্ৰিকেট ক্লাবৰ হৈ ধনজিৎ দাসে কয়, 'আমাক দেখি যাতে দহজনে খেলিবলৈ আগুৱাই আহে তাৰবাবেহে চেষ্টা কৰিছো।'




আন এক ব্যৰ্থতা! চেম্পিয়নছ ট্ৰফীত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে আউট হৈ পেভিলিয়নমুখী ইংলেণ্ডৰ জছ বাটলাৰ

## ইংলেণ্ডৰ দুই প্ৰাক্তন অধিনায়কক নীতিপাঠেৰে প্ৰত্যুত্তৰ গাভাস্কাৰৰ

# ভাৰতৰ টকাৰেই বেতন লৈ ভাৰতকে নিন্দা কৰে ইংলেণ্ডে!

**নতুন দিল্লী, ১ মাৰ্চঃ** চেম্পিয়নছ ট্ৰফীক লৈ তীব্ৰতৰ হৈ পৰিছে বিতৰ্ক। ইংলেণ্ডৰ দুই প্ৰাক্তন অধিনায়ক নাছেৰ হুছেইন আৰু মাইকেল আথাৰটনে উত্থাপন কৰা অভিযোগৰ এইবাৰ প্ৰত্যুত্তৰ দিছে ভাৰতৰ কিংবদন্তি সুনীল গাভাস্কাৰে। উল্লেখ্য যে, নাছেৰ আৰু আথাৰটনে দাবী কৰিছিল ভাৰতে ডুবাইত সকলো মেচ খেলিব পোৱাটোৱে ভাৰতক লাভান্বিত কৰিছে। তেওঁলোকে কয় যে আন দলসমূহে বিভিন্ন দেশলৈ যাবলগীয়া হোৱাৰ বিপৰীতে ভাৰতে একেটা স্থানত থাকি দলৰ প্ৰস্তুতি চলোৱাৰ সুবিধা লাভ কৰিছে। অৱশ্যে গাভাস্কৰে তেওঁলোকক স্পষ্ট ভাষাত তিৰস্কাৰ কৰি কয়, "ভাৰতীয় টকাৰে দৰমহা পায়, পৰিয়াল চলায়! অথচ ভাৰতকে নিন্দা কৰে!" দেওবাৰে ডুবাইত অনুষ্ঠিত হ'বলগীয়া গুৰুত্বপূৰ্ণ ভাৰত-নিউজিলেণ্ড মেচখনৰ পূৰ্বে গাভাস্কাৰক এই বিষয়ে সোধাত তেওঁ কয়, "এই বিষয়ে তেওঁলোকে একো ক'বও নিবিচাৰে। তেওঁলোকে বুজি নাপায় যে ক্ৰিকেটৰ মানদণ্ড, প্ৰতিভা আৰু আয়ৰ ক্ষেত্ৰত ভাৰত এতিয়া সকলোতকৈ আগবাঢ়ি আছে। সমগ্ৰ বিশ্বৰ ক্ৰিকেট চলি আছে ভাৰতে টেলিভিছন আৰু অন্যান্য অধিকাৰৰ পৰা পোৱা আয়ৰ পৰিমাণৰ ওপৰত। নাছেৰ-আথাৰটনেও সেই ধনেৰে নিজৰ পৰিয়াল চলায়।" উল্লেখ্য যে, চেম্পিয়নছ ট্ৰফীৰ আয়োজক পাকিস্তানত খেলিবলৈ অসন্মত হৈছিল ভাৰত। সেয়ে আইচিচিয়ে 'হাইব্ৰিড মডেল'ত এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভাৰতৰ আটাইকেইখন মেচ ডুবাইত অনুষ্ঠিত হৈ আছে, যাৰ বিৰুদ্ধে ইংলেণ্ডৰ দুগৰাকী প্ৰাক্তন অধিনায়কে আপত্তি কৰিছে। গাভাস্কাৰে কয়, "তেওঁলোকে নিজৰ ঘৰুৱা ক্ৰিকেটত গুৰুত্ব দিব লাগে। ইংলেণ্ডে কিয় ইমান বেয়া খেল খেলিছে? কিয় ছেমিফাইনেলত প্ৰৱেশ কৰিব নোৱাৰিলে? নিজৰ সমস্যা বিশ্লেষণ কৰাৰ পৰিৱৰ্তে তেওঁলোকে কেৱল ভাৰতক সমালোচনা কৰিছে। সেইটোৱেই তেওঁলোকৰ দলৰ পতনৰ কাৰণ!"

# আজিৰে পৰা পৱিত্ৰ ৰমজানৰ ৰোজা

**ই-সংবাদ, ডিব্ৰুগড়, ১ মাৰ্চঃ** সমগ্ৰ দেশতে ৰমজান মাহৰ ন-জোন দেখাৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা ডিব্ৰুগড়তো ইছলামধৰ্মী লোকসকলে পালন কৰিছে পৱিত্ৰ ৰোজা ব্ৰত। এই মাহটো অতি পৱিত্ৰভাৱে তেওঁলোকে ৰোজা ব্ৰত পালন কৰে। পুৱতি নিশা সামান্য পানাহাৰ (চেহেৰী) কৰি দিনটো অনাহাৰে থকাৰ লগতে পানী এটুপিও নোখোৱাকৈ এই ৰোজা ব্ৰত পালন কৰে। ঠিক তেনেকৈ সূৰ্যদোয়ৰ লগে লগে ঘড়ীৰ কাঁটা চাই এক নিৰ্দিষ্ট সময়ত ৰোজা ব্ৰত ভংগ কৰে। যাক (ইফটাৰী) কৰা বুলি কোৱা হয়। এনেকৈ তেওঁলোকে এমাহ উপবাসে থাকি ৰোজা ব্ৰত পালন কৰিব। ৰোজা ব্ৰত পালন কৰা সময়ছোৱাত যুদ্ধ-বিগ্ৰহ, হাই-কাজিয়া, দ্বন্দ্ব-খৰিয়াল, মিছা, পৰনিন্দা-পৰচৰ্চা কৰা ইছলাম ধৰ্মত নিষিদ্ধ। সমাজৰ গৰীব-দুখীয়াসকলক উপকৃত কৰাৰ বাবে এই মাহত বিশেষ দান হিচাপে তেওঁলোকে জাকাত-ফিতৰা আদি দিয়ে। এই ক্ষেত্ৰত ডিব্ৰুগড়ৰ জাকাত এণ্ড ইমদাদ ফাউণ্ডেচনে বিশেষ পদক্ষেপ গ্ৰহণ কৰি সমাজৰ দুখীয়া লোকসকলক বিচাৰি উলিয়াই সহায় কৰে। ধনীসকলে এই দান গৰীবৰ বাবে দিব লাগে আৰু এশ টকাৰ আঢ়ৈ শতাংশ দিয়াটো কৰণীয় কৰ্তব্য। ৰমজান উপলক্ষে ডিব্ৰুগড়ৰ জাকাত এণ্ড ইমদাদ ফাউণ্ডেচনৰ সভাপতি-সম্পাদক, ডিব্ৰুগড় ঈদগাহ কমিটীৰ সভাপতি-সম্পাদক, ডিব্ৰুগড় জিলা হিলাল কমিটীৰ সভাপতি-সম্পাদক, ডিব্ৰুগড় ইমাম পৰিষদ, আমোলাপট্টি ঈদগাহ সমিতিৰ সভাপতি-সম্পাদক, চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজ, ডিব্ৰুগড়ৰ সভাপতি-সম্পাদক আৰু ২ উপদেষ্টা, চাউলখোৱা দাৰুল হাদিছ মাদ্ৰাছাতুল বানাতৰ সভাপতি-সম্পাদক, কনভয় ৰোড ন-মছজিদৰ সভাপতি-সম্পাদক আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে ৰমজানৰ শুভেচ্ছা আৰু ৰমজান-মোবাৰক জনাইছে। উল্লেখ্য যে ৰমজানৰ এমাহ ৰোজাব্ৰত পালন কৰাৰ পিছত ইছলামধৰ্মী লোকে পালন কৰিব ঈদুল ফিতৰ উৎসৱ।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি